# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

No-18

The 3rd April, 1993

Price : 19.00

# ASSAM LEGISLATIVE ASSEMBLY DEBATES 1992

## BUDGET SESSION

## FRIDAY, THE 3rd APRIL, 1992.

## CONTENTS


| | | Page |
|---|---|---|
| 1. | *Questions and Answers* | 1-52 |
| 2. | *Discussion During Zero Hour* | 53- 66 |
| 3. | *Call Attention Notice* | 67-70 |
| 4. | *Matter Under Rule 301* | 71 |
| 5. | *Adjournment* | 72 |
| 6. | *Annexure* | 73 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

*Friday, the 3rd April , 1992.*

*The House met at 8:30 A. M. of the Clock in the Assembly Chamber at Dispur, with Shri Jiba Kanta Gogoi, Speaker in the Chair .*

## STARRED QUESTIONS AND ANSWERS

*(To which oral replies were given )*

***Mr. Speaker :*** Starred Question No. 319. Hon'ble Member is absent. Now, starred Question No. 320. Hob'ble Member Shri Prafulla Kumar Mahanta.

( Starred Question No. 319 deemed to has been lapsed as the Questioner was not present when called for)

বিষয় ঃ- কৰ্মচাৰীৰ সংখ্যা।

***শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ***

★ ৩২০। মাননীয় পঞ্জীয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই বিভাগটোত বৰ্ত্তমানলৈকে থকা চৰকাৰী বিষয়া আৰু কৰ্মচাৰীৰ সংখ্যা কিমান?

(খ) ১৯৯১-৯২ চনৰ বিত্তীয় বছৰত এই বিভাগৰ পৰা চৰকাৰৰ আয় কিমান হৈছে?

(গ) এই বিভাগটো সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত বা আয় বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰে কি কি নতুন ব্যৱস্থা হাতত লৈছে আৰু যদি লোৱা নাই লব নেকি?

***শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা*** (পঞ্জীয়ণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পঞ্জীয়ণ বিভাগত বৰ্ত্তমানলৈকে থকা বিষয়াৰ সংখ্যা ৫৫ (পচপন্ন) জন আৰু কৰ্মচাৰীৰ সংখ্যা ৫১৪ (পাঁচশ চৈধ্য) জন।

(খ) ১৯৯১-৯২ বিত্তীয় বছৰটোত ২৯ ফেব্ৰুৱাৰীলৈকে মুঠ আয় ২৩২ লাখ টকা। মাৰ্চ মাহটোৰ হিচাব পোৱা হোৱা নাই। গোটেই বছৰটোত আনুমানিক ৩ কোটি টকা আয় হব।

(গ) এই বিভাগটো সুচাৰুৰূপে পৰিচালনা কৰিবলৈ আৰু আয় বৃদ্ধি কৰিবলৈ ৰাইজৰ সুবিধাৰ্থে ১৫ (পোন্ধৰ) টা নতুন পঞ্জীয়ণ কাৰ্য্যালয় মঞ্জুৰ কৰা হৈছে। এটি সহকাৰী পঞ্জীয়ণ মহাপৰিদৰ্শকৰ পদ সৃষ্টি কৰা হৈছে আৰু দুটি উপ-পঞ্জীয়কৰ পদ নতুনকৈ সৃষ্টি কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে।

★ ***শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত কৈছে যে ১৫ টা নতুন পঞ্জীয়ণ কাৰ্য্যালয় মঞ্জুৰ কৰা হৈছে। এই ১৫ টা নতুন কাৰ্য্যালয় ক'ত ক'ত স্থাপন কৰা হ'ব জনাবনে?

★ ***শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা*** (পঞ্জীয়ণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ১৫ টা নতুন পঞ্জীয়ণ অফিচ ক'ত ক'ত স্থাপন কৰা হ'ব সেইটো তথ্য বৰ্ত্তমান মোৰ হাতত নাই। পিচত দিয়া হ'ব।

★ ***শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ ৰ ফানেন্সিয়েল ইয়েৰত বিভাগৰ ৰেভিনিউ টাৰগেট কিমান?

★ ***শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা*** (পঞ্জীয়ণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, টাৰগেট বুলি কোনো কথা নাই। বছৰটোত আয় প্ৰশ্নোত্তৰ কালত দিয়া হৈছে।

★ ***শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে এই ১৫ টা নতুন পঞ্জীয়ণ কাৰ্য্যালয়ৰ ভিতৰত ঢকুৱাখানাত এটা নতুন কাৰ্য্যালয় খুলিবনে?

★ ***শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা*** (পঞ্জীয়ণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ক'ত

★ *Speech not corrected*

ক'ত খোলা হব লিষ্ট মোৰ নাই। তথাপিটো মাননীয় সদস্যজনে কৈছে যেতিয়া এইটো বিবেচনা কৰা হ'ব।

★ *শ্ৰীফনীভূষণ চৌধুৰী ঃ* মাননীয় অধ্যক্ষ মহোদয়, নতুন কাৰ্য্যালয় খোলাৰ কাৰণে বঙাইগাৱৰ নামটো আছে নেকি?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (পঞ্জীয়ণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ইয়াৰ লিষ্টখন মোৰ হাতত নাই। মাননীয় সদস্যজনে কৈছে যেতিয়া বঙাইগাঁৱৰ ক্ষেত্ৰটো বিবেচনা কৰা হব।

★ *শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ* মাননীয় অধ্যক্ষ মহোদয়, আয় বৃদ্ধি কৰাৰ কাৰণে বিভাগৰ কিবা প্ৰস্তাৱ আছে নেকি?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (পঞ্জীয়ণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো প্ৰস্তাৱ জেনেৰেলী ৰাইজৰ পৰা আহে। নতুন ৰেজিষ্ট্ৰেচন চাৰ্কোল খোলাৰ নিমিত্তে আগৰ ৩ বছৰৰ ৰেকৰ্ডপাতি চাই কেচৰ ওপৰত নিৰ্ভৰ কৰি ইয়াৰ ব্যৱস্থা হাতত লোৱা হয়।

★ *শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ* মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল ৰেভিনিউ ৰিচিভ ইনক্ৰিজ কৰিবৰ কাৰণে বিভাগে কি কি ব্যৱস্থা হাতত লৈছে?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (পঞ্জীয়ণ মন্ত্ৰী) ঃ গোটেই জিলাতে ৰেজিষ্ট্ৰেচনৰ ক্ষেত্ৰত ৰেভিনিউ অহাৰ ওপৰত ভিত্তি কৰি এইটো বৃদ্ধি কৰা হয়।

***Mr. Speaker :*** Now Starred Question No. 321.

## বিষয় ঃ Area Project under UNFPA Scheme.

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে সুধিছে ঃ*

★ ৩২১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত গাওঁ অঞ্চলত চিকিৎসালয় স্থাপনৰ বাবে Area Project under UNFPA Scheme বনোৱা কথাটো সত্য নেকি?

(খ) যদি সত্য তেনেহলে এই আঁচনিৰ নামত ভাৰত চৰকাৰে টকা মঞ্জুৰী দিছে নেকি?

(গ) যদি টকা অনুমোদন দিছে তেনেহ'লে সেই পুজিৰে (হস্পিতাল) বনাবলৈ আৰম্ভ কৰিছে নেকি?

---

★ *Speech not corrected*

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সত্য। শিশু আৰু মাতৃৰ স্বাস্থ্যৰ উন্নতিকল্পে তথা গাওঁ অঞ্চলত স্বাস্থ্য আৰু চিকিৎসা সেৱাৰ অধিক সুবিধাৰ্থে অসমৰ পুৰণি ৯ খন জিলাক লৈ Area Project নামৰ এখন আঁচনি ১৯৮৮ চনত UNFPA আঁচনিৰ জৰিয়তে সাহায্য পাবলৈ ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছিল।

(খ) এই আঁচনিৰ নামত ভাৰত চৰকাৰে এতিয়ালৈকে টকা মঞ্জুৰী দিয়া নাই।

(গ) প্ৰশ্ন নুঠে।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ* মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ প্ৰশ্নোত্তৰ কালত কৈছে যে ই. এন. এফ. পি. এৰ স্কীমৰ কোনো টকা চৰকাৰে মঞ্জুৰী দিয়া নাই বুলি কৈছে। কিন্তু এই স্কীমত অসমৰ গ্ৰাম্য অঞ্চলত পি. এইচ. চি. আৰু ৩০ খন বিচনাযুক্ত হস্পিতালৰ কাৰণে ১৩৯ কোটি টকা মঞ্জুৰী হৈছিল। এই ১৩৯ কোটি টকাৰ সম্পৰ্কীয় চিঠিখন মোৰ হাতত আছে। ১৩৯ কোটি টকাৰ পৰা ১৫ কোটি টকা এই বছৰতে খৰচ কৰিব লাগে বুলি চিঠিখনত উল্লেখ কৰিছিল আৰু ইন্দিয়ান কাৰ্বনয়ে চেংচন দিয়া কথাটো ইয়াত উল্লেখ আছে। ইয়াৰ কি ব্যৱস্থা হাতত লৈছে।

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ১৫ কোটি টকাৰ তথ্য বৰ্ত্তমান মোৰ হাতত নাই। মাননীয় সদস্য গৰাকীয়ে যিটো ইউ. এন. এফ. পি. এৰ অধিনত যিটো স্কীমৰ কথা কৈছে সেইটো হয়টো ৰিজেক্ট হৈছে। এতিয়া ওৱৰ্ল্ড বেংকৰ লগত এনে এটা স্কীমৰ কাৰণে আমি যোগাযোগ কৰি আছো। সেইবাবে ইতিমধ্যে ৬৭.৭৫ কোটি টকাৰ প্ৰস্তাৱ দিয়া হৈছে।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ* মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়জন এই ইউ. এন. এফ. পি. এৰ স্কীমৰ কাৰণে অলপো ইনটাৰেষ্টেট নহয়। ১৫ কোটি টকাৰ চিঠিখনি মোৰ হাতত আছে তথাপিটো কিয় এইটো ব্যৱস্থা হাতত লোৱা নাই। এই ১৩৯ কোটি টকা আমেৰিকা চৰকাৰে দিয়া টকা। এই টকাটো অসম চৰকাৰে অনাৰ ব্যৱস্থা কৰিবনে নকৰে? এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী গৰাকীৰ অলপো চিনচিয়েৰিটি নাই।

★. *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৫ কোটি টকানে কি আছে সঠিক মই নেজানো কিন্তু যি আছে সেইটো মই চাম। দ্বিতীয়তে মাননীয় সদস্যজনে স্বাস্থ্য মন্ত্ৰী গৰাকীৰ চিনচিয়েৰিটি নাই বুলি কৈছে কিন্তু মই এই ক্ষেত্ৰত তেখেতকৈ বেচি চিনচিয়েৰিটি আছে বুলি কব পাৰো।

*মাননীয় অধ্যক্ষ ঃ* পাটোৱাৰী ডাঙৰীয়াও হেলথ্ মিনিষ্টাৰ আছিল নহয়।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ* অধ্যক্ষ মহোদয়, মই স্বাস্থ্য মন্ত্ৰী হৈ থাকোতেই এই

---

★ *Speech not corrected*

চিঠিখন আহিছিল। ১৯৮৮ চনৰ পৰা আজিলৈকে এই পইচা খিনি কিয় পৰি থাকিল সেইটো মন্ত্ৰী মহোদয়ে জনাব লাগে।

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো প্ৰপজেল থাকিব পাৰে। কিন্তু প্লেনিং ডিপাৰ্টমেন্টৰ পৰা তেনে স্পেচিফিক চিঠি পোৱা মোৰ দৃষ্টি গোচৰ হোৱা নাই।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী* ঃ অধ্যক্ষ মহোদয়, এই চিঠিখন ১৯৮৮ চনতে আহিছিল আৰু তাত ১৩৯ কোটি টকাৰ পৰা ১৫ কোটি টকা সেই বছৰতে খৰচ কৰিবলৈ নিৰ্দ্দিষ্ট কৰি দিয়া হৈছিল। বৰ্ত্তমান এই বিভাগত যিজন সচিব আছে তেখেত তেতিয়া দিল্লীতে হেল্‌থ মিনিষ্ট্ৰিত আছিল। গতিকে তেখেতেও কথাটো নিশ্চয় জানিব। এই স্কীমৰ অধীনত আমি ১৩৯ কোটি টকা পালোহেতেন। আমাৰ ৰাজ্য চৰকাৰে এনে কামৰ বাবে বছৰি এক ডেৰ কোটি টকাহে খৰচ কৰিব পাৰে। তেনে ক্ষেত্ৰত ইমানখিনি টকা পায়ো কিয় খৰচ কৰিব নোৱাৰিলে? এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে আমাক এটা এচুৰেঞ্চ দিব নেকি?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই এচুৰেঞ্চ দিব নোৱাৰিম। প্ৰপজেল থাকিব পাৰে, কিন্তু তাত বহুতো স্কুটিনি থাকে।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী* ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই বিষয়টোত স্পেচিফিক ৰিপ্লাই দিয়া নাই। তেখেতে এইটো স্পেচিফিক ৰিপ্লাই দিব লাগে।

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বিষয়ে কৈছে সেইটো হয়তো এটা এৰিয়াৰ প্ৰপজেলৰ কথা কৈছে। আমাৰ হাতত থকা তথ্য মতে এইটো ৬৭.৭৫ কোটি টকাৰহে। এইটো ওৱৰ্ল্ড বেংকৰ পৰা পোৱা হব।

★ *শ্ৰীমতী ৰেনুপমা ৰাজখোৱা* ঃ অধ্যক্ষ মহোদয়, তেখেতক অলপ সময় দিব লাগে। কাৰণ, তেখেতে টি. ভি.ৰ চিৰিয়েল কৰি আছিল।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী* ঃ অধ্যক্ষ মহোদয়, তেখেত এজন স্বাস্থ্য মন্ত্ৰী হৈ যদি এইবোৰ কামত ব্যস্ত থাকে তেনেহলে বিভাগৰ কামবোৰ কেনেকৈ কৰিব?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, টি. ভি. চিৰিয়েল মই মন্ত্ৰী হোৱাৰ আগতে কৰিছিলো।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী* ঃ অধ্যক্ষ মহোদয়, এই পইচা খিনি অনাৰ ব্যৱস্থা কৰিব নেকি?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত ওৱৰ্ল্ড বেংকৰ লগত যোগাযোগ কৰা হৈছে আৰু ৭৬.৭৫ কোটি টকাৰ প্ৰপজেল দিয়া হৈছে।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী* ঃ অধ্যক্ষ মহোদয়, ১৩৯ কোটি টকাৰ কাগজ পত্ৰ

---

★ *Speech not corrected*

মোৰ হাতত আছে। মাননীয় মন্ত্ৰী মহোদয় এজন চিনিয়ৰ মানুহ কাৰণে সেইবোৰ মই ইয়াত দেখুওৱা নাই।

★ ***শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা*** (স্বাস্থ্য মন্ত্ৰী) ঃ তেখেতৰ হাতত যদি কিবা তেনে কাগজ পত্ৰ আছে তেনেহলে সেইবোৰ দিলে ভাল হয়।

★ ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ*** অধ্যক্ষ মহোদয়, এই ঘটনাটো সংক্ৰান্তত মই এতিয়াৰ দুজন স্বাস্থ্য মন্ত্ৰী আৰু ইয়াৰ আগৰ চৰকাৰৰ দুজন স্বাস্থ্য মন্ত্ৰী মুঠ চাৰিজন স্বাস্থ্য মন্ত্ৰীক বকী আহিছো। কিন্তু কাম একো হোৱা নাই।

★ ***শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা*** (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, শ্ৰীপাটোৱাৰী ডাঙৰীয়াই যোৱা চাৰি বছৰে বকী অহাৰ কথা কৈছে। আমি শাসনলৈ অহা আজি ৮ মাহ মানহে হৈছে। গতিকে আমাকো অলপ সময় দিলে ভাল হয়।

★ ***শ্ৰীমনচিং ৰংপি ঃ*** অধ্যক্ষ মহোদয়, আমাৰ স্বাস্থ্য মন্ত্ৰীয়ে কেনে ধৰণে উত্তৰ দিছে সেইটো চাব লাগে। তেখেতো এজন হিলচ্‌ৰ মানুহ। Mr. Langthasa is one of the persons who is demanding Autonomous state. গতিকে অসমত কি হৈছে তেখেতে কি জানে?

★ ***শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা*** (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, যেতিয়ালৈকে অসমত আছো তেতিয়ালৈকে অসমৰ ইন্টাৰেষ্টৰ কথাটো চাব লাগিব।

★ ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ*** অধ্যক্ষ মহোদয়, আমি লুঙ্গী, গেঞ্জী, জাঙ্গিয়াত টেক্স লগায় কিমান দিন চলিম। বেলেগে দিয়া পইচা খিনিও কিয় আনিব পৰা নাই? আপোনালোকক কথা কলে গাত নালাগে, কিন্তু লাজ কৰিও নেদেখুৱাই। গতিকে পইচাখিনি আনিব নে নানে সেইটো কওঁক।

★ ***শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা*** (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি ১৩৯ কোটি টকাৰ স্কীমৰ কথা কৈছে সেইটো হয়তো ৰিজেক্ট হৈছে। কিন্তু মই ইতিমধ্যে কৈছোৱেই যে এই ক্ষেত্ৰত ৬৭.৭৫ কোটি টকাৰ স্কীম দিয়া হৈছে আৰু তাৰ বাবে যোগাযোগ কৰি থকা হৈছে।

**বিষয় ঃ বৃদ্ধা পেঞ্চন।**

***শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ***

★ ৩২২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

---

★ *Speech not corrected*

(ক) এতিয়ালৈকে ১৯৯১ চনত জুলাই মাহৰ পিচত কিমান জন বৃদ্ধ-বৃদ্ধাক এই বৃদ্ধ পেঞ্চন দিয়া হৈছে? (মহকুমা ভিত্তিত হিচাব দিব?)

*শ্ৰীকুল বাহাদুৰ ছেত্ৰীয়ে* ( মন্ত্ৰী,)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ জুলাই মাহৰ পৰা ১৯৯২ চনৰ ৩১ মাৰ্চলৈকে মুঠ ৪৩,৫০০ জন বৃদ্ধ বৃদ্ধাক পেঞ্চন মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰা হৈছে। মহকুমা ভিত্তিত পেঞ্চন পোৱা বৃদ্ধ বৃদ্ধাৰ সংখ্যা সদ্যহতে আমাৰ হাতত মজুত নাই।

★ *শ্ৰীশশকমল সন্দিকৈ ঃ* অধ্যক্ষ মহোদয়, এই পেঞ্চন দিয়াৰ কাৰণে কি ভিত্তিত বাচনি কৰা হয় আৰু বৃদ্ধ, বৃদ্ধা সকলক মাহে কিমানকৈ পেঞ্চন দিয়া হয়।

★ *শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী) ঃ* অধ্যক্ষ মহোদয়, দুখীয়া লোকসকলৰ মাজত যিসকল অবিবাহিত লোক তেনে লোকৰ ক্ষেত্ৰত পুৰুষৰ বাবে ৬৫ বছৰ আৰু মহিলাৰ বাবে ৫৫ বছৰ বয়সৰ সীমা ধৰা হৈছে আৰু এওলোকৰ বছৰি আয় ধৰা হৈছে ১৮০০ টকাৰ তলত। যি বিলাক বিবাহিত কিন্তু নিঃসন্তান তেওঁলোকৰ বছৰি আয় ধৰা হৈছে ২৪০০ টকাৰ তলত আৰু যি বিলাকৰ ল'ৰা ছোৱালী আছে তেখেত সকলৰ ক্ষেত্ৰত ৩০০০ টকাৰ তলত ধৰা হৈছে। বাচনিৰ ক্ষেত্ৰত এই লোক সকলক বি. এল. চি. চি. এ কৰে আৰু ইয়াত আমাৰ মাননীয় সদস্য সকলো থাকে। সৰ্ব ভাৰতীয় ভিত্তিত প্ৰতি ১ হাজাৰ মানুহৰ ভিতৰত দুজনক এনে পেঞ্চন দিয়াৰ বাবে বাচনি কৰা হয়।

★ *শ্ৰীপদ্মেশ্বৰ দলে ঃ* অধ্যক্ষ মহোদয়, এই পেঞ্চনৰ ক্ষেত্ৰত মানুহ বাচনি কৰোতে যথেষ্ট খেলি মেলি হোৱা দেখা গৈছে। কিছুমান ঠাইত ৭৫-৮০ বছৰীয়া মানুহ থকা স্বত্বেও ৫০-৫৫ বছৰীয়া মানুহকো ডাক্তৰে ভুৱা চাৰ্টিফিকেট দি এনে পেঞ্চন লোৱা দৃষ্টান্ত আছে। গতিকে নীতিগত ভাৱে এই বাচনি কিয় কৰা নাই সেইটো জনাব নে?

★ *শ্ৰীকুলবাহাদুৰ ছেত্ৰী (মন্ত্ৰী) ঃ* অধ্যক্ষ মহোদয়, বিকলাংগ সকলৰ ক্ষেত্ৰত ১০ বছৰ ৰেহাই আছে। অন্য ক্ষেত্ৰত তেনে হব নালাগে। তেনে কোনো নিৰ্দ্দিষ্ট অভিযোগ পালে ব্যৱস্থ্যা লোৱা হব।

★ *শ্ৰীফনীভূষন চৌধুৰী ঃ* মাননীয় অধ্যক্ষ মহোদয়, এই পেঞ্চন বিলাক বি. এল. চি. চি. ৰ জৰিয়তে বাছনি কৰা হয় বুলি মন্ত্ৰী মহোদয়ে কৈছে। আমাৰ বঙাইগাওঁ সমষ্টিৰ ছিড়লী আৰু ৰৈতামাৰী ব্লকৰ জৰিয়তে বাছনি কৰা হয়। এইটো নাপালে, সেই কাৰণে পুনৰ বাছনি কৰাৰ ব্যৱস্থা লব নেকি?

★ *শ্ৰীকুলবাহাদুৰ ছেত্ৰী (মন্ত্ৰী) ঃ* অধ্যক্ষ মহোদয়, যিসকলে আহে তেওঁলোকক দিবলৈ সুবিধা দিয়া হব আৰু যি সকলে নাহে সুবিধা দিয়া নহব।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ* মাননীয় অধ্যক্ষ মহোদয়, এই পেঞ্চনৰ ক্ষেত্ৰত

---

★ *Speech not corrected*

ইতিমধ্যে বহুত খেলিমেলি হৈছে। মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। সেই মতে কাগজ পত্ৰ যায়। মাননীয় সদস্য শ্ৰীদলে ডাঙৰীয়াই যিটো কৈছে ৮০ বছৰ ৯০ বছৰৰ মানুহেও এই পেঞ্চন পোৱা নাই। কিন্তু ৬০/৫০ বছৰীয়া মানুহে পাইছে। ইয়াত দুটা কথা জৰিত হৈ আছে। এই ক্ষেত্ৰত বয়সৰ সীমা দিছে নে কিবা ৰাজনৈতিক বিবেচনা কৰিছে? মইও বি, এল, চি, চি,ৰ মেম্বাৰ, আমাৰ তাত মোকো বহুতে লিষ্টত নাম দিবলৈ অনুৰোধ কৰে। গতিকে এইটো আজি ঠিক কৰি কব লাগে বয়সৰ সীমা অনুযায়ী দিব নে ৰাজনৈতিক ভাৱে দিব। দ্বিতীয় কথা হৈছে সমাজ কল্যাণ বিভাগৰ সঞ্চালক মালাকৰক তাৰ পৰা আঁতৰাব লাগে, কাৰণ তেখেতৰ বিৰুদ্ধে হাজাৰ হাজাৰ অভিযোগ আছে। যি সকলে বৃদ্ধ পেনচন পায়, সেই পইচা তেওঁলোকে আত্মসাৎ কৰে। এইদৰে তিনি কোটি টকাৰ খেলিমেলি হৈছে। আজি সদনত মই এজন বিষয়াৰ বিৰুদ্ধে কবলৈ যোৱাত দুখ পাইছো, তথাপি ৰাইজৰ স্বাৰ্থৰ খাটিৰত কব লগা হৈছে। এইটো মন্ত্ৰী মহোদয়ে উত্তৰ দিব বুলি আশা কৰিছো।

★ ***শ্ৰীকুলবাহাদুৰ ছেত্ৰী (মন্ত্ৰী) ঃ*** অধ্যক্ষ মহোদয়, আমি বৃদ্ধ পেনচন কোনো ৰাজনৈতিক ভাৱে দিয়াৰ কথা চিন্তা নকৰো, ১৯৮৩ চনৰ ১৫ আগষ্টৰ পৰা এইটো হৈছে আৰু সেই সময়ৰ পৰাই দি অহা হৈছে। যি সকলৰ ৬৫ বছৰৰ বেছি হৈছে তেওঁলোকক বৃদ্ধ পেনচন দিয়া হয়। কিন্তু সকলোৰে বাবে নহয়, যিসকলৰ দুখীয়া মানুহ তেওঁলোকক দিয়া হয়। নিসন্তান সকলোকো দিয়া হয়। আমাৰ মাননীয় সদস্য শ্ৰীদলে ডাঙৰীয়াই যিটো কৈছে বয়সৰ ডাক্তৰে চাৰ্টিফিকেট দিয়ে, এই ক্ষেত্ৰত যদি নিৰ্দ্দিষ্ট অভিযোগ আহে তদন্ত কৰি চোৱা হব। জিলাৰ উপায়ুক্তক সভাপতি হিচাবে লৈ কমিটি গঠন কৰা হয় আৰু বি, এল, চি, চিয়ে বাছনি কৰি ডিৰেক্টৰলৈ পঠায়। আমাৰ মাননীয় সদস্য শ্ৰীপাটোৱাৰী ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি অনুসন্ধান কৰা হব।

★ ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ*** মাননীয় অধ্যক্ষ মহোদয়, ডাইৰেক্টৰৰ বিষয়টো সদনত নিৰ্দ্দেশ নিদিয়ে তেওঁ গোটেই বিভাগটো নষ্ট কৰিছে। গতিকে ডাইৰেক্টৰৰ ওপৰত একচন লব নে নাই এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে?

★ ***শ্ৰীকুলবাহাদুৰ ছেত্ৰী (মন্ত্ৰী) ঃ*** অধ্যক্ষ মহোদয়, এই বিষয়টো তদন্ত কৰা হব আৰু তদন্তত যদি দোষী সাব্যস্ত হয় তেতিয়া হলে নিশ্চই একচন লোৱা হব।

★ ***দেৱান জয়নাল আবেদিন ঃ*** মাননীয় অধ্যক্ষ মহোদয়, এই বৃদ্ধ পেনচনৰ যি পইচা আদায় দিয়া হয়, কি ধৰণে আদায় দিয়া হয়, মাহিলী দিয়া হয় নে বছৰেকীয়া ভিত্তিত দিয়া হয়? কিছুমানক বছৰৰ শেষত আদায় দিয়া হয় আৰু সেই টকা নেপায় কৰ্ম্মচাৰী সকলে লয়, এই ধৰণৰ দূৰ্ণীতি চলে, মন্ত্ৰী মহোদয়ে জনাব নে?

---

★ *Speech not corrected*

★ *শ্ৰীকুলবাহাদুৰ ছেত্ৰী (মন্ত্ৰী)* ঃ অধ্যক্ষ মহোদয়, এই টকা মাহে প্ৰতিজনক একশ টকাকৈ দিয়া হয়, মাহে মাহে নহবও পাৰে। দ্বিতীয়তে কথা হৈছে যি দূৰ্নীতিৰ কথা কোৱা হৈছে সেইটো মই ব্যৱস্থা লম।

★ *শ্ৰীজয়নাথ শৰ্ম্মা* ঃ মাননীয় অধ্যক্ষ মহোদয়, জিলাৰ উপাযুক্তক সভাপতি হিচাবে লৈ জিলাৰ সকলো বিধায়কক লৈ বৃদ্ধ পেঞ্চনৰ কমিটিখন কৰিব লাগে। যিমান খেলিমেলি হোৱা বুলি শুনিছো, ৰাইজৰ প্ৰতিনিধি হিচাবে আমি সেই খেলিমেলি আতৰ কৰিবৰ কাৰণে দায়িত্ব আছে। যদি বিধায়কক মেম্বাৰ নেৰাখে তেতিয়াহলে অফিচাৰ সকলে খেলিমেলি কৰিবলৈ সুবিধা পায়। গতিকে উপাযুক্তক সভাপতি হিচাবে ৰাখি বিধায়ক সকলোকো লোৱাৰ ব্যৱস্থা কৰিব নেকি মন্ত্ৰী মহোদয়ে জনাব নে?

★ *শ্ৰীকুলবাহাদুৰ ছেত্ৰী (মন্ত্ৰী)* ঃ অধ্যক্ষ মহোদয়, জিলাৰ উপাযুক্তক সভাপতি হিচাবে লৈ সমিতিখন কৰা হয়, এইটো আগৰ পৰাই চলি আহিছে।

★ *শ্ৰীজয়নাথ শৰ্ম্মা* ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কমিটিখন নতুন কৰাত কি আপত্তি আছে, মন্ত্ৰী মহোদয়ে জনাবনে?

★ *শ্ৰীকুলবাহাদুৰ ছেত্ৰী (মন্ত্ৰী)* ঃ অধ্যক্ষ মহোদয়, সেইটো চোৱা হব।

★ *শ্ৰীমতী ৰূপম কুৰ্ম্মী* ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত জিলাৰ ডি, চি, আৰু এম, এল, এ, সকলক লৈ সমিতিখন কৰিব লাগে বুলি কৈছে, কিন্তু এই সমিতিখন পঞ্চায়তৰ যোগেদি কৰিলে ভাল হয়।

★ *শ্ৰীকুলবাহাদুৰ ছেত্ৰী (মন্ত্ৰী)* ঃ অধ্যক্ষ মহোদয়, এইটো চোৱা হব।

***Mr. Speaker*** : Now Starred Question No. 323.

বিষয় ঃ চিকিৎসা মহাবিদ্যালয়ত ৰোগী চিকিৎসা।

*শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে ঃ*

★ ৩২৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত প্ৰতিদিনে গড়ে কিমান ৰোগীক চিকিৎসা কৰা হয়?

(খ) ইয়াৰে কিমানক প্ৰাথমিক চিকিৎসাৰ পিছত যাবলৈ দিয়া হয় আৰু কিমানক ৰখা হয়?

(গ) প্ৰতিজন ৰোগীৰ খাদ্যৰ বাবদ গড়ে চৰকাৰে কিমান ধন ব্যয় কৰে?

(ঘ) প্ৰতিজন ৰোগীৰ ঔষধৰ বাবদ গড়ে চৰকাৰে কিমান ধন ব্যয় কৰে?

---

★ *Speech not corrected*

(ঙ) এই চিকিৎসালয়ত মুঠতে কিমানটা (পেইং কেবিন) আছে?

(চ) এই (কেবিন) বোৰ কি নীতিৰ আধাৰত দিয়া হয়?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত প্ৰতিদিনে গড়ে ১৪২৮ জন ৰোগীক চিকিৎসা কৰা হয়।

(খ) ইয়াৰে ১২৭০ জনক প্ৰাথমিক চিকিৎসা দিয়াৰ পাছত যাবলৈ দিয়া হয় আৰু ১৫৮ জনক ৰখা হয়।

(গ) প্ৰতিজন ৰোগীৰ খাদ্যৰ বাবদ প্ৰতিদিনে চৰকাৰে ৬.০০ টকাকৈ ব্যয় কৰে।

(ঘ) প্ৰতিজন ৰোগীৰ ঔষধৰ বাবদ প্ৰতিদিনে প্ৰায় ৯.৩৩ পইচাকৈ ব্যয় কৰা হয়।

(ঙ) এই চিকিৎসালয়ত মুঠতে ৫২ টা (পেইং কেবিন) আছে।

(চ) পেইং কেবিনবোৰ আবেদন কাৰীৰ তালিকামতে ক্ৰমিক নম্বৰ অনুসাৰে দিয়া হয়।

★ *শ্ৰীহিতেশ্বৰ ডেকা ঃ* মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কেনেধৰণেৰে চিকিৎসা আগবঢ়াইছে তাৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিছে। কিন্তু কথা হ'ল ১৯৯১-৯২ চনত স্বাস্থ্য বিভাগক যিমান ধন আবন্টন কৰা হৈছিল তাৰ তুলনাত ১৯৯২-৯৩ চনত এই আৱন্টন শতকৰা কিমান বৃদ্ধি কৰা হৈছে। (খ) প্ৰশ্ন উত্তৰত তেখেতে কৈছে ১২৭০ জনক প্ৰাথমিক চিকিৎসা দিয়াৰ পিছত যাবলৈ দিয়া হয় আৰু ১৫৮ জনক ৰখা হয়। এতিয়া কথা হ'ল যিসকল ৰোগীক তাত ৰখা হয় সেই সকলক বিচনা দিয়া হয় নে পকীত থাকিবলৈ দিয়া হয়। লগতে এটা কথা কও তাত থকা পেয়িং কেবিন বিলাক কি নীতিৰ ভিত্তিত দিয়া হয় নে বিভিন্ন দিশৰ পৰা হেচা আহে তাৰ ভিত্তিত দিয়া হয়।

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী) ঃ* মাননীয় অধ্যক্ষ মহোদয়, পেয়িং কেবিন বিলাক নৰ্মচ মতে দিয়া হয়। কিছুমান ইমাৰজেঞ্চি কেচৰ কাৰণে ২/১ টা ৰিজাৰ্ভ ৰখা হয়। সেইবোৰ ভি, আই, পি, মিনিষ্টাৰ, এম, এল, এ,ৰ কাৰণে দিয়া হয়। অন্য বিলাক চিৰিয়েল নম্বৰ মতে দিয়া হয়। মেডিকেল কলেজৰ যিমান কেপাচিটি আছে তাতকৈ বেছি ৰোগী হোৱাৰ বাবে কেতিয়াবা কেতিয়াবা পকীত ৰাখিবলগীয়া হয়।

★ *শ্ৰীহিতেশ্বৰ ডেকা ঃ* মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে (ঘ) প্ৰশ্নৰ উত্তৰত কৈছে যে প্ৰতিজন ৰোগীৰ ঔষধৰ বাবদ দিনে ৯.৩৩ পইচা বুলি কৈছে এই ৯.৩৩ পইচা টোৰে ঔষধ পোৱা যাব জানো। গৰ্ভৱতী মহিলাই বেজিসুতা লগত লৈ যোৱাৰ ব্যৱস্থা আতৰাবলৈ এইটো বঢ়াব লাগে আৰু ৫২ টা পেয়িং কেবিন থকাৰ কাৰণ কি? পেয়িং কেবিন বঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে।

---

★ *Speech not corrected*

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী)* ঃ মাননীয় অধ্যক্ষ মহোদয়, ৯.৩৩ পইচা ৰেট টো বৃদ্ধি কৰি ১০.০০ টকা কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

★ *ডাঃ কমলা কলিতা* ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৰেটটো খাদ্যৰ বাবে কৰা হৈছে।

★ *শ্ৰীজয়নাথ শৰ্ম্মা* ঃ মাননীয় অধ্যক্ষ মহোদয়, খাদ্যত ৬ টকাকৈ দিয়া হয়। কি কি খাদ্য দিয়া হয়?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী)* ঃ মাননীয় অধ্যক্ষ মহোদয়, এই খাদ্য বিলাকত চাউল, দাইল, মিঠাতেল, চাহপাত ইত্যাদি এইবোৰ দিয়া হয়।

★ *শ্ৰীশশ কমল সন্দিকৈ* ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বস্তুবোৰ কোন বজাৰৰ পৰা কিনে?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী)* ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

★ *শ্ৰীজয় নাথ শৰ্ম্মা* ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যি ৬ টকাকৈ দিয়া হয় ১৪ শ ৰোগীৰ বাবে দিয়া হয় কিন্তু তাত ৩ হেজাৰ ৰোগী থাকে। এইটো পৰিচালনা কেনেকৈ কৰে। ৬ টকা আৰু ৯ টকা লগ লাগি ১৫ টকা হয়। ঠিকাদাৰ আৰু কৰ্তৃপক্ষই লগ লাগি কেনেকৈ চলাই সেইটো মন্ত্ৰী মহোদয়ে জনাব নেকি?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী)* ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰোগীক যি পইচা দিয়াৰ কথা কৈছে সেইটো সঁচা। সকলো ৰোগীয়ে একে পথ্য নেখায়। সকলোৰে একে পথ্যৰ আৱশ্যক নহয়। সেয়ে এইটোৰ ক্ষেত্ৰত এডজাষ্ট হৈ যায়।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী* ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে হাঁহি হাঁহি উত্তৰ দিছে। এই হাঁহি যাতে ৰোগী সকলোকো দিব পাৰিব লাগিব। ৰোগী সকলে হাঁহিব পৰা নাই। মই গুৱাহাটী মেডিকেল কলেজৰ কথা কব বিচাৰিছো তাত কোনো ৰোগীয়ে ঔষধ নাপাই। ঔষধ পাই যিবিলাক ঔষধ ষ্টৰত জমা হৈ আছে। অপাৰেশ্বন থিয়েটাৰত ব্যৱহাৰ হোৱা সৰু সৰু ১৬২ টকাৰ ঔষধ ৰোগীয়ে নিজে কিনি দিব লাগে। আনকি অপাৰেশ্চনৰ সময়ত ব্যৱহাৰ কৰা পাইপডালো নিজে কিনি দিব লাগে। ৰোগী বিলাকক ঔষধ কিয় নিদিয়ে। এইটোত আপোনালোকে কব পাৰে যে পইচা নাই। মেডিকেল কলেজ কেইখনৰ কাৰণে যি ৮.৫ কোটি টকা আহিছিল। পইচা থাকিলেও এই বস্তু বিলাক কিনা নহয়। নিৰ্দ্দিষ্টকৈ মন্ত্ৰী মহোদয়ে কব নেকি?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী)* ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে ঔষধ যোগান কোনো চিকিৎসালয়তে ৰোগীক এবচলিউটলি দিব নোৱাৰে। যি পৰিমাণৰ টকা চৰকাৰে ধৰে সেই পৰিমাণৰহে ঔধষ দিব পৰা যায়। সেইটোয়ে মিট

---

★ *Speech not corrected*

কৰিব নোৱাৰে।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ* মাননীয় অধ্যক্ষ মহোদয়, মিনিমাম ৰিকুইয়াৰমেন্ট খিনিও দিয়া হোৱা নাই।

★ *দেৱান জয়নাল আবেদিন ঃ* মাননীয় অধ্যক্ষ মহোদয়, বাজেটৰ আৱন্টন বৃদ্ধি কৰিব লাগে।

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ* মাননীয় অধ্যক্ষ মহোদয়, I would like to draw the attention of the House ফান্দ নাই, দিব নোৱাৰে। কিন্তু মন্ত্ৰী কেইজনমান ৰাখিছে, এইবোৰ চোৱা চিতা কৰিবৰ কাৰণেহে। তেওঁলোকে ফান্দ মেনেজ কৰি ললেই হয়। Why have been kept here as Minister তেতিয়াহে ৰোগী সকলক দিব পাৰিব।

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী) ঃ* মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থা উন্নত কৰিবৰ বাবে চেষ্টা কৰা হৈছে। যোৱা বছৰ মেডিচিন চাপলাই নাছিল। যিটো ব্যৱস্থা কৰিবলৈ কোৱা হৈছে। সেইটো ষ্টেট লেভেলত নাই। ঔষধ সৰবৰাহ নেথাকিলে বিচৰা মতে দিব নোৱাৰি। থাকিলে নিদিয়াৰ কথা নাই। আগৰে পৰা এনেকৈয়ে চলি আহিছে। অৱশ্যে চৰকাৰে এই অৱস্থা উন্নত কৰিবৰ কাৰণে চৰকাৰে চেষ্টা চলাই আছে।

★ *শ্ৰীঅঞ্জন দত্ত ঃ* মাননীয় অধ্যক্ষ মহোদয়, হেল্‌থ বিভাগে তিনিখন মেডিকেল কলেজত পষ্ট গ্ৰেজুৱেট শিক্ষা দিয়াৰ বাবে আজি দুবছৰ ধৰি শিক্ষক লব পৰা নাই আৰু যোৱা ২৫ তাৰিখে মাননীয় মুখ্য মন্ত্ৰী মহোদয়েও এই বিষয়ে কৈছিল। কিন্তু আজি পৰ্যন্ত ইয়াৰ কোনো ব্যৱস্থা নহ'ল। ইয়াৰ কাৰণটো কি?

★ *শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী) ঃ* মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগ প্ৰশ্ন হিচাবে আহিব।

★ *মাননীয় অধ্যক্ষ ঃ* মাননীয় সদস্য সকলক মই জনাব খুজিছো যে চৰকাৰে বিষয়টো গুৰুত্ব সহকাৰে ভালকৈ চাই আৰু যাতে অধিক উন্নত ধৰণৰ ঔষধ পাতি বা অন্যান্য সা-সুবিধা পাব পাৰে, সেইটো ব্যৱস্থা কৰিবলৈ চৰকাৰেক অনুৰোধ জনাওঁ। এতিয়া প্ৰশ্ন নং ৩২৪।

## বিষয় ঃ চিটিবাছ চলাচল বন্ধ।

*ডাঃ কমলা কলিতায়ে সুধিছে ঃ*

★ ৩২৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী আৰু উত্তৰ গুৱাহাটী (বৰচন্দৰা) লৈ চলা অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ চলাচল কি কাৰণত বন্ধ কৰি দিলে?

★ *Speech not corrected*

(খ) উক্ত পথত পুনৰ বাছ চলাচলৰ ব্যৱস্থা লবনে?

(গ) যদি লয়, তেন্তে কেতিয়াৰ পৰা বাছ চলাচলৰ ব্যৱস্থা লব?

*শ্ৰীশিউসম্ভু ওজা* (পৰিবহন বিভাগ, মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নিদ্ধাৰিত পৰিমাণৰ আয়তকৈ কম আয় হোৱাৰ বাবে পৰিবহন নিগমৰ বাছ বন্ধ কৰিব লগীয়া হ'ল।

(খ) বৰ্ত্তমান এই বিষয়ে চিন্তা কৰা হোৱা নাই।

(গ) এই প্ৰশ্ন নুঠে।

★ *ডাঃ কমলা কলিতা* ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে আয় কমকৈ হোৱাৰ কাৰনে এ, এচ, টি, চিৰ বাছ চলাচল বন্ধ কৰিবলগীয়া হৈছে। কিন্তু ইয়াৰ আগতে এই পথত বাছ চলিছিল। এতিয়া কি কাৰণত আয় কম হ'ল তাৰ কাৰণ জনাবনে? আৰু বৰ্ত্তমান হাই স্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষা চলি থকাৰ কাৰণে সাময়িকভাৱে এই পথেৰে বাছ চলাচলৰ ব্যৱস্থা কৰি দিছে। গতিকে এই ব্যৱস্থা স্থায়ী হ'বনে পুনৰ উঠাই দিব।

★ *শ্ৰীশিউসম্ভু ওজা* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী আৰু উত্তৰ গুৱাহাটী বৰচন্দৰা পথেৰে চলা বাচ বন্ধ কৰি দিয়াৰ কাৰণ হ'ল, এই বাচৰ পৰা ১৯৮৭ চনৰ পৰাই ৰেভিনিউ কম হৈ আহিছে। ১৯৯১ চনত এই ৰেভিনিউ একেবাৰে কম হৈ গ'ল। গতিকে বাচ চলাচল বন্ধ কৰি দিয়া হ'ল। আৰু সাময়িকভাৱে হাই স্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাৰ কাৰণে যি এ, এচ, টি, চিৰ বাচ চলোৱা হৈছে তাক স্থায়ী কৰাৰ বিষয়ে চিন্তা কৰা নাই। মাননীয় সদস্য সকলক জনাওঁ যে ৰেভিনিউ পালে হয়তো এই ব্যৱস্থা বাহাল ৰাখিবৰ পৰা হ'ব।

★ *ডাঃ কমলা কলিতা* ঃ মাননীয় অধ্যক্ষ মহোদয়, এ, এচ, টি, চিয়ে আগতে কোটি কোটি টকা লোকচান কৰিলে, এইটো একেবাৰে সঁচা কথা। তাৰ কোনো তদন্ত নহ'ল। মাননীয় অধ্যক্ষ মহোদয়, আজি উত্তৰ গুৱাহাটীলৈ যিবিলাক ফেৰী ৰাতিপুৱা ৫ বজাৰ পৰা নিশা দহ বজালৈকে সময় মতে চলে। এই বিলাকৰ পৰা ঠিক মতেই ৰেভিনিউ পাই থকা হৈছে। কিন্তু বৰচন্দৰা ৰাস্তাত আয় নোহোৱা কথাটো সঁচা হ'ব নোৱাৰে। মন্ত্ৰী মহোদয়ে এই কথাটো পৰীক্ষা কৰিব নে? কাৰণ মই চেলেঞ্জ দি কব পাৰো যে এই পথত ৰেভিনিউ কম হোৱা কথাটো সচাঁ নহয়। গতিকে বিশেষ ভাবে এই বিষয়ে পুনৰ সেই পথত বাচ চলাচল কৰিবৰ কাৰণে ব্যৱস্থা লব বুলি জনাবনে?

★ *শ্ৰীশিউসম্ভু ওজা* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ব্যৱস্থা লোৱা হ'ব।

★ *শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা* ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত কেইখনমান

★ *Speech not corrected*

দীঘল চিটি বাচ আৰু কেন্টাৰ জাতীয় কেইখনমান চুটি বাচ চলে। এই কেন্টাৰ কেইখন দিনত পাঁচ বাৰ মান অহা যোৱা কৰিব পাৰে। কিন্তু দীঘল চিটি বাচ কেইখন দিনত এবাৰহে চলে। তাৰ পৰাই দেখা যায় যে প্ৰাইভেট কেন্টাৰ বোৰৰ পৰা আয় বেছি কৈ হয় আৰু চৰকাৰী চিটি বাচ কেইখনৰ পৰা কম আয় হয়। গতিকে এই চৰকাৰী বাচ বোৰো চুটি বাচ কেইখনৰ পৰা কম আয় হয়। গতিকে এই চৰকাৰী বাচবোৰো চুটি আৰু খৰতকীয়াকৈ চলাৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

★ *শ্ৰীশিউশম্ভু ওজা* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চিন্তা কৰি চোৱা হ'ব।

★ *শ্ৰীজয়নাথ শৰ্ম্মা* ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পৰিবহন নিগমৰ বাচবোৰ ৰেভিনিউ অৰিয়েন্টেড্ নহৈ চাৰ্ভিচ অৰিয়েন্টেড্ হ'ব লাগে। কাৰণ এই বাচবিলাকৰ ড্ৰাইভাৰ, কণ্ডাক্টৰ সকলে ৫শ, ৬শ টকালৈকে প্ৰতিদিনে নিজৰ হাতত লয় আৰু আচল টকাটো জমা নিদিয়েগৈ। এই খবৰ মন্ত্ৰী মহোদয়ে পায়নে?

★ *শ্ৰীশিউশম্ভু ওজা* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই অভিযোগ অহা নাই।

★ *শ্ৰীবিনোদ গোৱালা* ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ৰেভিনিউ নোপোৱাৰ কাৰণে বাচবোৰ চলা হোৱা নাই। কিন্তু ইতিমধ্যে সৰু পথাৰৰ পৰা গুৱাহাটীলৈ এখন নৈশ বাচ দিয়াৰ ব্যৱস্থা আছিল কিন্তু তাক চৰকাৰে বাতিল কৰিলে। কিন্তু এই পথত তিনিখন পাৱলিক বাচ আছে আৰু সদায়েই এই বাচত যাত্ৰী ভৰ্ত্তি হৈ আহে। গতিকে পৰিবহন নিগমৰ বাচে ৰেভিনিউ নোপোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। গতিকে টেন্সপোৰ্ট নচলাৰ কাৰণটো কি? ৰাইজে ভাৰা নিদিয়া হ'লে সৰু পথাৰৰ পৰা অহা এই বাচ কেইখনৰ মালিক সকলে নিশ্চয় গাড়ী কেইখন উঠাই দিলেহেতেন।

★ *শ্ৰীশিউশম্ভু ওজা* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে তদন্ত কৰি চোৱা হ'ব।

★ ***Shri Monsingh Rongpi :*** Mr. Speaker Sir, ASTC is also to extend transport service to the Autonomous Hills Districts, But the Hills districts are not getting the required transport services, inspite of the fact that the ASTC are getting 30/40 lakhs of rupees as transport subsidy. There are only 4/5 buses running in the hills. This arrangement is quite inadequate to our contribution as transport subsidy by which the ASTC is running.

---

★ *Speech not corrected*

★ *শ্ৰীশিউশম্ভু ওজা* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চোৱা হ'ব।

★ ***Shri Parameswar Brahma :*** Mr. Speaker Sir, I want to from the Hon'ble Minister concerned whether the Govt. is thinking to run transport buses from Gosaigaon to Guwahati. This route is of considerable distance and the private buses are now plying over this route. There are about buses now running from Sarbhang to Kokrajhar and the Royal Bhutan Transport services are being plying from Gelephuk to Kokrajhar and they are collecting revenue from our people. Will the Minister inform us what measures he would take for placing ASTC buses on this route from Gosaigaon to Guwahati and Sarbhang and Gelephuk to Kokrajhar on regular basis?

★ ***Shri Shio Shambhu Ojah*** (Minister) **:** It requires a sepatate question.

★ ***Shri Parameswar Brahma :*** Why a separate question is required I donot know. It is quite relevant.

★ *শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰ* ঃ স্যাৰ, মন্ত্ৰী মহোদয়ে জানেন কি যে গত ১২ বৎসৰ যাবৎ কাটলিচৰা লালা শিলচৰ ৰাস্তাৰ এ কটা দূৰ্ঘটনা হওয়াৰ জন্য কোন বাস চলসে না। এজন্য এখানকাৰ জনসাধাৰনেৰ আসা যাওয়া কৰতে ভীষণ অসুবিধা হচ্ছে এবং হাইলাকান্দি ঘূৰে এদেৰ শিলচৰ আসা যাওয়া কৰতে হচ্ছে। এবাবৎ প্ৰত্যেকেৰ ২/৩ টাকা বেশী ভাড়া দিতে হচ্ছে এবং সময়ও বেশী লাগছে। এই ৰাস্তাৰ পুনৰায় বাস চলাচলেৰ ব্যৱস্থা নেওয়ে হবে কি?

★ *শ্ৰীশিউশম্ভু ওজা* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো চোৱা হব।

*মাননীয় অধ্যক্ষ* ঃ এতিয়া প্ৰশ্ন নং ৩২৫।

## বিষয় ঃ বেবেজিয়া চিলাপথাৰ ৰাস্তাৰ পৰিবহন নিগমৰ বাছ।

*শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ*

★ ৩২৫। মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰনৈ বেবেজিয়া-চিলাপথাৰ আৰু কেকুৰী-উত্তৰ লক্ষীমপুৰ পথত পৰিবহন নিগমৰ বাছ চলাচল বন্ধ হৈ থকাটো চৰকাৰে জানেনে?

(খ) যদি জানে বন্ধ হোৱাৰ কাৰণ সমূহ কি?

---

★ *Speech not corrected*

(গ) বাছ চলাচল বন্ধ হোৱাৰ কাৰণে যাত্ৰীৰ অসুবিধা হোৱা কথা চৰকাৰে জ্ঞাতনে?

(ঘ) যদি জ্ঞাত উক্ত পথ দুটাৰ পুনৰ বাছ চলাচল কৰিবলৈ চৰকাৰে ব্যৱস্থা হাতত লবনে?

***শ্ৰীশিৱসম্ভু ওজা*** (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় জানে।

(খ) যিহেতু মৰনৈ-বেবেজিয়া ঢকুৱাখানা পথত থকা কঢ়া নৈ দলংখন বাছ চলাচলৰ বাবে অনুপযোগী সেয়েহে মৰনৈ বেবেজিয়ালৈ নিগমৰ বাছ বন্ধ আছে।

কেকুৰী-উত্তৰ লক্ষীমপুৰৰ মাজত নিগমৰ বাছ সেৱা বৰ্ত্তমান গাড়ীৰ অভাৱত চলাব পৰা হোৱা নাই।

(গ) হয়।

(ঘ) নিগমে কেকুৰী-উত্তৰ লক্ষীমপুৰ পথত গাড়ীৰ অৱস্থা উন্নত হলেই পুনৰ বাছ চলাচল কৰোৱাৰ বিষয়ে গুৰুতৰ সহকাৰে বিবেচনা কৰিছে, কিন্তু মৰনৈ-বেবেজিয়া পথত থকা কঢ়া নৈ দলংখন বাছ চলাচলৰ উপযোগী কৰি নোতোলালৈকে উক্ত পথত নিগমৰ বাছ চলাব পৰা নহব।

★ ***শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নৰ উত্তৰত কৈছে যে নিগমে কেকুৰী-উত্তৰ লক্ষীমপুৰ পথত গাড়ীৰ অৱস্থা উন্নত হলেই পুনৰ গাড়ী চলোৱা হব। উন্নত মানে মন্ত্ৰী মহোদয়ে কি বুজাব বিচাৰিছে?

★ ***শ্ৰীশিব সম্ভু ওজা*** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গাড়ীখন বহি আছে। সোনকালে গাড়ী দিয়া ব্যৱস্থা কৰিম।

★ ***শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেইটো প্ৰকৃত উত্তৰ নহয়। কেকুৰী, বেবেজিয়া আৰু ঢকুৱাখানা গড়কাপ্তানী পথৰ দলং বেয়া হৈ আছে। গাড়ী যাব নোৱাৰে। এতিয়া প্ৰশ্ন হৈছে যে এই বেয়া দলং খনৰ ওপৰেদি ৩-৪ খন বেচৰকাৰী বাছ চলাচল কৰি আছে। কিন্তু চৰকাৰী নিগমৰ বাছ চলাচল কৰিব নোৱাৰে। গড়কাপ্তানী বিভাগে বেচৰকাৰী বাছ চলাচল কৰিবলৈ অনুমতি দিছে কিন্তু নিগমৰ লাল বাছ চলাচলত বাধা দিয়াৰ প্ৰশ্ন উঠিব নোৱাৰে। ডিভিজনেল চুপাৰিনটেনডেন্ট আৰু ষ্টেচন চুপাৰিনটেনডেন্টৰ লগত প্ৰাইভেট বাছৰ মালিক সকলে চুক্তি কৰি লৈছিল যে নিগমৰ বাছ বন্ধ কৰি বেচৰকাৰী ৩ খন বাছ উক্ত পথ কেইটাত চলাবলৈ দিব লাগে। এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এজন উচ্চ পদস্থ বিষয়াক বিশেষভাৱে দায়িত্ব দি অনুসন্ধান কৰাই ব্যৱস্থা লব নে?

★ ***শ্ৰীশিব সম্ভু ওজা*** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে তদন্ত কৰি ব্যৱস্থা লোৱা হব।

---

★ *Speech not corrected*

★ *শ্ৰীপদ্মেশ্বৰ দলে ঃ* মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এইটো আন্তঃ সমষ্টিৰ কথা। কেকুৰী-বেবেজিয়াৰ মাজত যিবিলাক বাছ চলোৱা হৈছে সেইবোৰ বন্ধ কৰিব লাগে। যোৱাবাৰ বাছ চলোৱা পাচত হঠাৎ হৃদপিণ্ড বন্ধ হোৱা দি বাছবোৰ বন্ধ হৈ গৈছিল। সেইকাৰণে যাত্ৰী বাছত অহা যোৱা কৰাত অসুবিধা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কিবা এটা কথা পাতি আছে যেন পাইছো। যোৱাবাৰ বিধান সভাত এ, এচ, টি বাছৰ বিষয়ে উত্থাপন কৰা হৈছিল। মাজুলিলৈ অতিৰিক্ত বাছ দিয়াৰ ব্যৱস্থা কৰা হব বুলি কৈছিল আৰু দিছিল ও। সেইকাৰণে মই ধন্যবাদ দিছো। ১৯৮৭-৮৮ চনত এ, জি, পি,ৰ দিনত মাজুলিলৈ দুখন লাল বাছ দিয়া হৈছিল। কেকুৰী-বেবেজিয়ালৈ পথ আৰু বাছ উন্নত কৰি চলাব পৰা যাব এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে?

★ *শ্ৰীশিব সম্ভু ওজা* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে তদন্ত কৰি ব্যৱস্থা লোৱা হব। দিশপুৰৰ পৰা মাজুলিলৈ চলাচল কৰিবৰ কাৰণে নতুনকৈ এখন গাড়ী দিয়া হব।

★ *শ্ৰীবাবু ৰংপি ঃ* মাননীয় অধ্যক্ষ মহোদয়, কাৰ্বি আংলং জিলাৰ বোকাখাত এলেকাত ৰাস্তা ভাল হোৱা কাৰণে গাড়ীৰ একো অসুবিধা হোৱা নাই। ডিফুৰ পৰা ৰগমংউই ব্লকৰ ৰাস্তা একেবাৰে বেয়া। ভিতৰুৱা অঞ্চল। আৰু ডিফুৰ পৰা চানেলং গ্ৰো ব্লকলৈ যোৱা ৰাস্তাত গাড়ী যোৱা বিষয়ে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে? বিশেষ প্ৰয়োজনীয়তাবোধ কৰি ব্যৱস্থা লব নে?

★ ***Shri Shio Sambhu Ojah (Minister) :*** Mr. Speaker Sir, It will be look into.

***Mr. Speaker :*** (Starred Question Nos. 326 to 338 could not be taken up as the Question Hour was over. However the replies of the same deemed to have been disposed of)

## বিষয় ঃ বি, এল, চি, চিৰ সভাপতি।

*শ্ৰীকুশল চাহয়ে সুধিছে ঃ*

★ ৩২৬। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চতিয়া সমষ্টিৰ ৬ খন গাওঁ পঞ্চায়ত আৰু বিশ্বনাথ সমষ্টিৰ ৪ খন গাওঁ পঞ্চায়তৰে গঠিত চতিয়া ব্লকৰ বি, এল, চি, চি,খন বিশ্বনাথ সমষ্টিৰ বিধায়কজনক সভাপতি হিচাবে লৈ গঠন কৰাটো সঁচানে?

★ *Speech not corrected*

(খ) যদি সঁচা, উক্ত বি, এল, চি, চি, অধীনত চতিয়া সমষ্টিৰ ৬ খন গাওঁ পঞ্চায়ত অন্তৰ্ভূক্ত হোৱাৰ পিচতো চতিয়া সমষ্টিৰ বিধায়ক কিয় সভাপতি পতা নহল?

***শ্ৰীআফজালুৰ ৰহমান*** (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) বি, এল, চি, চি গঠন কৰাৰ সময়ত পাৰ্য্য পৰিমাণে বিধায়ক সকলৰ পৰামৰ্শ শুনা হৈছিল। মাননীয় বিধায়ক নুৰ জামালৰ পৰামৰ্শমতে তেওঁক লকেল এম, এল, এ, (Local M.L.A.) হিচাবে চতিয়া বি, এল, চি, চি,ৰ চেয়াৰমেন পতা হৈছে। মাননীয় বিধায়ক কুশল চাহুক মেম্বাৰ কৰা হৈছে। মাননীয় বিধায়ক কুশল চাহুয়ে এই সন্দৰ্ভত আগতে কোনো আপত্তি কৰা নাই।

### বিষয় ঃ ৩০ খন বিছনাযুক্ত চিকিৎসালয়।

***শ্ৰীদিলীপ কুমাৰ শইকীয়ায়ে সুধিছে ঃ***

★ ৩২৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পূৱ মাছখোৱাৰ বেঙেনাগড়া ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয়, গোগামুখৰ ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয় আৰু লগতে চিচিমুখৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰখন বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

(খ) বেঙেনাগড়া ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয় আৰু চিচিমুখৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ কেতিয়া চৰকাৰে উদ্বোধন কৰিব?

***শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা*** (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গড় কাপ্তানী বিভাগৰ পৰা পোৱা শেহতীয়া প্ৰতিবেদন মতে বেঙেনাগড়া আৰু গোগামুখৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্ম্মাণ কাৰ্য্য প্ৰায় সম্পূৰ্ণ হৈছে। আনহাতে চিচিমুখ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নিৰ্ম্মাণ কাৰ্য্য শেষ হৈছে যদিও গড়কাপ্তানী বিভাগে সংশোধীত প্ৰাক্কলন দাখিল কৰিবলৈ বাকী আছে।

(খ) বেঙেনাগড়া ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয়খন গড়কাপ্তানী বিভাগে স্বাস্থ্য বিভাগক হস্তান্তৰ কৰাৰ পাছত ইয়াক উদ্বোধন কৰিব পৰা যাব। সেইদৰে চিচিমুখৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত প্ৰয়োজনীয় ডাক্তৰ তথা অন্যান্য কৰ্ম্মচাৰী নিযুক্তি আৰু স্বাস্থ্য বিভাগক চিকিৎসালয় ভৱন হস্তান্তৰ কৰাৰ পিছত ইয়াক ৰোগীৰ বাবে মুকলি কৰিব পৰা

---

★ *Speech not corrected*

যাব।

## বিষয় ঃ ব্লকৰ নামত আবন্টিত টকা।

*শ্ৰীযতীন মালীয়ে সুধিছে ঃ*

★ ৩২৮। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ প্ৰতিটো ব্লকত উন্নয়ন মূলক কামৰ বাবে ১৯৮৫ চনৰ পৰা ১৯৯২ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত কামৰূপ ডি, আৰ, ডি, এ,ৰ জৰিয়তে ব্লক ভিত্তিত কিমান কৈ টকা উলিয়াই দিছিল (বিত্তীয় বছৰৰ ভিত্তিত) দাখিল কৰিব?

(খ) প্ৰতিটো ব্লকৰ নামত আৱন্টিত টকা সম্পূৰ্ণ ভাৱে খৰচ কৰি আঁচনি সমূহ সম্পূৰ্ণ কৰা হৈছেনে?

(গ) জিলাখনৰ অৰ্ন্তভূক্ত ব্লক সমূহৰ বাবে বছৰি নিৰ্দ্ধাৰণ কৰা টকাৰ কিমান শতাংশ বৰ্ত্তমানো খৰছ নোহোৱাকৈ জমা হৈ আছে?

(ঘ) জমা হৈ থকা টকাখিনিৰ বিপৰীতে কিমান সূতৰ টকা পোৱা হৈছে?

(ঙ) সূত হিচাবে পোৱা মুঠ টকা খিনি পুনৰ উক্ত এলেকা সমূহত উন্নয়ণমূলক কামত খটুৱাৰ ব্যৱস্থা কৰা হবনে?

*শ্ৰীআফজালুৰ ৰহমান* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিত্তীয় বছৰ হিচাবে মুকলি কৰি দিয়া ধনৰ পৰিমাণ পৰিশিষ্ট 'ক'ৰ পৰা 'ছ' লৈ দাখিল কৰা হৈছে।

(See the annexure -I)

(খ) প্ৰতিটো ব্লকতে ১৯৮৯-৯০ চনলৈকে আৱন্টিত ধন সম্পূৰ্ণ খৰছ হৈছে আৰু আঁচনি সমূহ সেইমতে সম্পূৰ্ণ হৈছে।

(গ) কেৱল ১৯৯১-৯২ চনৰ বাবে নিৰ্দ্ধাৰণ কৰা পুঁজিৰ ২০ শতাংশ জমা আছে।

(ঘ) মুঠ ১১ লাখ ২ হেজাৰ টকা।

(ঙ) চৰকাৰৰ নিয়মাবলী অনুযায়ী খৰছ কৰা হব।

## বিষয় ঃ জয়পুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ টকা ধাৰ্য্য।

*শ্ৰীনজমুল হকে সুধিছে ঃ*

★ ৩২৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

---

★ *Speech not corrected*

(ক) গোৱালপাৰা জিলাৰ জয়পুৰত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে?

(খ) উক্ত টকাৰ কাম সম্পূৰ্ণ কৰা হৈছে নে?

(গ) উক্ত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে Staff কেতিয়া মঞ্জুৰী দিয়া হ'ব?

(ঘ) উক্ত স্বাস্থ্য কেন্দ্ৰটো বিচনাযুক্ত হ'বনে আৰু যদি হয় তেন্তে কিমান খন বিছনাযুক্ত হ'ব?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১১,২৮,৫০০ (এঘাৰ লাখ আঠাইশ হাজাৰ পাচশ) টকা।

(খ) মঞ্জুৰীকৃত ধনৰ কাম সম্পূৰ্ণ হোৱা নাই।

(গ) এই চিকিৎসালয়ৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হ'লে প্ৰয়োজনীয় Staff মঞ্জুৰীৰ বাবে ব্যৱস্থা লোৱা হ'ব।

(ঘ) নীতি অনুসৰি যিহেতু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বিচনাৰ ব্যৱস্থা নাই, গতিকে জয়পুৰ স্বাস্থ্য কেন্দ্ৰ বিচনাযুক্ত নহয়।

## বিষয় ঃ পুষ্টিকৰ আঁচনি।

*শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ*

★ ৩৩০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গাওঁ অঞ্চলত পুষ্টিকৰ খাদ্য যোগান আঁচনি সমূহ বলবৎ আছেনে?

(খ) যদি আছে কি কি খাদ্য যোগান ধৰা হয়?

(গ) কাৰ জৰিয়তে উক্ত খাদ্য সমূহ যোগান ধৰা হয়?

(ঘ) সমাজ কল্যাণ দপ্তৰে গাওঁ অঞ্চলত অন্য কি আঁচনি সম্প্ৰসাৰণ কৰিছে বা ভৱিষ্যতে কৰিব?

*শ্ৰীকুল বাহাদুৰ ছেত্ৰী* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ অধীনত গাওঁ অঞ্চলত পুষ্টিকৰ খাদ্য যোগান আঁচনি বলবৎ আছে।

(খ) তিনিবিধ খাদ্যৰ যোগান ধৰা হয় - (১) পুষ্টিকৰ আহাৰ (স্থানীয়) যেনে - বুটমাহ। (২) ঘেঁহুৰ পৰা তৈয়াৰী আহাৰ। (Wheat based) (৩) বিশ্ব খাদ্য আঁচনি যেনে - এচ, এফ, বি, ঘেঁহু আৰু এচ, এচ, এয়েল।

(গ) পুষ্টিকৰ আহাৰ বুটৰ যোগান ধৰে ষ্টেটফেডে, ঘেঁহু ভিত্তিক আহাৰৰ যোগান ধৰে এফ, চি, আই, প্ৰাইভেট ফাৰ্মে। বিশ্ব খাদ্যৰ যোগান ধৰে বিশ্ব খাদ্য সংস্থা। (World Food Authority)

---

★ *Speech not corrected*

(ঘ) সমাজ কল্যাণ দপ্তৰে কাৰ্য্যকৰী কৰা আঁচনিৰ প্ৰায়বোৰ গাওঁমুখী। সমাজ কল্যাণ বিভাগে তলত উল্লেখ কৰা আঁচনিসমূহ গাওঁ অঞ্চলত ৰূপায়ণ কৰি আছে।

(১) সংহত শিশু উন্নয়ন সেৱা আঁচনি। (২) বৃদ্ধ ভাট্টা আঁচনি। (৩) বিকলাংগ লোকৰ পুনৰ সংস্থাপনৰ আঁচনি। (৪) বিকলাংগ ছাত্ৰ-ছাত্ৰীৰ বৃত্তি আঁচনি। (৫) স্বেচ্চাসেৱক অনুষ্ঠানলৈ আৰ্থিক অনুদান আঁচনি। (৬) অনাথ শিশু আৰু মহিলাৰ বাবে আঁচনি। (৭) মহিলাৰ কাৰিকৰী প্ৰশিক্ষণ আৰু পুনৰ সংস্থাপন আঁচনি। (৮) কিশোৰ ন্যায়িক আইন। (Juvenile Justice Act) (৯) মহিলা আৰু শিশু মংগল যোজনা। (১০) দীৰ্ঘ্যম্যাদী কৰা বন্দীৰ পৰিয়ালৰ কাৰণে আৰ্থিক সাহায্য আঁচনি।

## বিষয় ঃ জিলা গ্ৰাম্য উন্নয়ন প্ৰকল্প সঞ্চালক।

*শ্ৰীভূপেন ৰয়ে সুধিছে ঃ*

★ ৩৩১। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ জিলাৰ "প্ৰকল্প সঞ্চালক গ্ৰাম্য উন্নয়ন অভিকৰণ" (P.D., D.R.D.A., Bongaigaon) কাৰ্য্যলয় খোলাৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি?

(খ) যদি লৈছে উক্ত কাৰ্য্যালয়টো চলিত বছৰতে খোলা হবনে?

*শ্ৰীআফজালুৰ ৰহমান* (মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক) বঙাইগাওঁ জিলাত ইতিমধ্যে ১২ ফেব্ৰুৱাৰী, ১৯৯২ তাৰিখে জাৰীকৰা চৰকাৰী অধিসূচনা নং আৰ, ডি, ডি, ৩১/৯১/২১ মৰ্মে এটি "জিলা গ্ৰাম্য উন্নয়ন অভিকৰণ" সৃষ্টি কৰা হৈছে।

(খ) উক্ত গ্ৰাম্য উন্নয়ন অভিকৰণৰ কাম সোনকালে আৰম্ভ কৰা হব।

## বিষয় ঃ এস, সি ও, ওবি, সি, বোৰ্ড গঠনে সৰকাৰৰ বৈষম্য।

*শ্ৰীপ্ৰণৱ কুমাৰ নাথে সুধিছে ঃ*

★ ৩৩২। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জানাবেন কি ঃ

(ক) কৰিমগঞ্জ এস, সি, ও ওবি, সি, বোৰ্ড কয় জন কৰে সদস্য নিয়া গঠন কৰা হয়েছে এবং তাহাদেৰ নাম ও ঠিকনা জানাবেন কি?

(খ) স্থানীয় বিধান সভাৰ সদস্যৰ দ্বাৰা দেওৱা সদস্যদেৰ নাম অন্তভূৰ্ক্ত না কৰাৰ কাৰণ কি?

---

★ *Speech not corrected*

*শ্ৰীবৰ্গৰাম দেউৰী* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কৰিমগঞ্জ এচ, সি, (অনুসূচিত জাতি) উন্নয়ন বৰ্ডৰ মুঠ সদস্যৰ সংখ্যা ২৬ জন আৰু অ, বি, চি, (অন্যান্য পিছপৰা শ্ৰেণী)ৰ উন্নয়ন বৰ্ডৰ সদস্য সংখ্যা মুঠ ২৪ জন। নাম আৰু ঠিকনা ইয়াৰ লগত গাঠি দিয়া হ'ল।

(See the annexure -II)

(খ) বিধায়কৰ পৰামৰ্শ গ্ৰহন কৰা নকৰাৰ ক্ষেত্ৰত কোনো বিধিবদ্ধ নিয়ম নাই।

## বিষয় ঃ যোৰহাট মুখ্য চিকিৎসা বিষয়াৰ কাৰ্য্যালয়ত নিয়োগ।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ*

★ ৩৩৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাট মুখ্য চিকিৎসা বিষয়াৰ কাৰ্য্যালয়ত ১৯৯১-৯২ চনত কিমান জন লোকক ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ পদত নিয়োগ কৰা হৈছে?

(নাম সহ তালিকা দাখিল কৰিব)

(খ) এই নিয়োগৰ ক্ষেত্ৰত উক্ত কাৰ্য্যালয়ত অস্থায়ীভাৱে আগেয়ে কাম কৰা কিমানজন লোকে আবেদন জনাইছিল আৰু তেওঁলোকৰ কিমান জনক নিযুক্তি দিলে?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৰহাট মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ কাৰ্য্যালয়ত ১৯৯১-৯২ চনত ৪ (চাৰি) জন ৩য় শ্ৰেণীৰ পদত নিয়োগ কৰা হয়। ৪ৰ্থ শ্ৰেণীৰ পদত নিয়োগ কৰা নাই। তলত দেখুৱা ৪ জনক নিয়োগ কৰা হৈছিল।

(১) শ্ৰীমতী ৰেখা দেবী, (২) শ্ৰীমতী পাৰবিন চুলতানা বেগম, (৩) শ্ৰীমতী বিনা হাজৰিকা, (৪) শ্ৰীউপাসনা দাস।

(খ) এই নিয়োগৰ ক্ষেত্ৰত উক্ত কাৰ্য্যালয়ত ১৯৯১-৯২ চনত ৩য় ও ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়াল অস্থায়ীভাৱে কোনো লোকে কাম কৰা নাই বাবে আবেদন জনোৱা নাছিল।

## Re : Fund of D. R. D. A.

***Shri Samarandra Nath*** **Sen asked :**

★ 334. Will the Minister, Panchayat & Rural Development be pleased to state :

(a) The amount of interest accrued on the fund of D.R.D.A. Cachar till date?

---

★ *Speech not corrected*

(b) Whether the said amount was spent and if so on what heads?

(c) Whether any approval of the Governing Body of the said D.R.D.A. was obtained before spending?

(d) If not, the reasons thereof?

***Shri Afzalur Rahman*** (Minister) replied :

(a) As per Audit report of Chartered Accountant the amount of interest accrued on each programme upto 31.03.91 are as follows :

| | | | |
|---|---|---|---|
| (i) | I.R.D.P. - - - | Rs. | 9,69,136.00 |
| (ii) | JRY (Including NREP/RLEGP) | Rs. | 60,61,963.00 |
| (iii) | N.P.B.D. - - - | Rs. | 11,758.00 |
| (iv) | I.R.E.P. - - - | Rs. | 39,677.00 |

The amount of interest as would accrue for the period from 1.4.91 to 31.3.91 will be available after closing of the Financial year when the accounts are audited by Chartered Accountants.

(b) Some amounts from the interest has been spent on IRDP and JRY Heads on items admissible as per IRDP Mannual and JRY Mannual namely Construction of DRDA Office Building, Purchase of Vehicle, Photostat Machine, Blue Printing Machine, House Building, Two Wheelers advance to Office staffs. Additional expenditure on approved NREP/RLEGP/JRY scheme due to escalation of cost of materials/wage over the originally estimated cost.

(c) The expenditure on the items described under (b) above are incurred as per JRY/IRDP Mannual, and approval of the Governing Body.

(d) Approval of the Governing Body is obtained on all cases which are not covered by IRDP/JRY Mannuals

---

★ *Speech not corrected*

বিষয় ঃ জনতা বাজাৰ সেওবাচৰা ৰাস্তা।

*শ্ৰীএছাহক আলীয়ে সুধিছে ঃ*

★ ৩৩৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯০-৯১ ইং চনৰ ডি, আৰ, ডি, এৰ চেয়াৰ মানি (DRDA share money)ৰ পৰা জনীয়া সমষ্টিৰ বালিকুৰী জনতা বাজাৰ ৰাস্তাৰ পৰা সেওবাচাৰালৈ যোৱা ৰাস্তা মেৰামতি বাবদ মুঠ ৬৫০০০/- (পয়ষষ্ঠি হাজাৰ) মঞ্জুৰী ধাৰ্য্য কৰা হলনে?

(খ) যদি হৈছিল, উক্ত ৰাস্তাৰ কামটো সম্পূৰ্ণ হৈছেনে?

(গ) যদি সম্পূৰ্ণ হোৱা নাই উক্ত টকা কত খৰছ কৰা হৈছে?

*শ্ৰীআফজালুৰ ৰহমান* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এই নামৰ ৰাস্তাৰ বাবদ কোনো ধন মঞ্জুৰ কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## Re : Weaving Centre

***Shri kamal Brahma*** asked :

★ 336. Will the Minister of Handloom and Textile be pleased to State :

(a) What steps have been taken to start the Suspended Weaving Centres of Ramfalbil, Bijni and Bentol?

(b) What steps have been taken for repairing damaged buildings of the above centres?

***Shri Borgoram Deuri*** (Minister) replied :

(a) Steps have been taken to start the Handloom Training Centre at Ramfalbil, Bentol and Barlagaon (Bijni) in rented houses.

(b) Steps for repairing are being taken during the current financial year, 1992-93.

---

★ *Speech not corrected*

## বিষয় ঃ সংহত শিশু খাদ্য আঁচনি।

*শ্ৰীবিনোদ গোৱালায়ে সুধিছে ঃ*

★ ৩৩৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম নগালেণ্ড সীমান্তত সংহত শিশু খাদ্য আঁচনিৰ কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে নে?

(খ) যদি লোৱা নাই তেন্তে চলিত বছৰত সীমান্ত ৰাইজৰ প্ৰতি লক্ষ্য ৰাখি লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

*শ্ৰীকুল বাহাদুৰ ছেত্ৰী* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত প্ৰতিটো খণ্ড উন্নয়ন এলেকাত সংহত শিশু উন্নয়ন সেৱা আঁচনি পৰ্য্যায়ক্ৰমে প্ৰৱৰ্ত্তন কৰাৰ পৰিকল্পনা চৰকাৰৰ আছে। সেয়ে অসম নগালেণ্ড সীমান্ত এলেকাত অৱস্থিত খণ্ড উন্নয়ন এলেকা সমূহতো উক্ত আঁচনি প্ৰৱৰ্ত্তন কৰাৰ পৰিকল্পনা আছে।

(খ) কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱাৰ পিছত ব্যৱস্থা লোৱা হব।

## বিষয় ঃ পৰিবহন নিগমৰ বাছ।

*শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ*

★ ৩৩৮। মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ বৰঘোলা, লেংটিচিঙা, ঔডুবী এলেকাত ৰাজ্যিক পৰিবহন নিগমৰ বাছৰ চলাচল কিয় বন্ধ ৰখা হৈছে?

(খ) লেংটিচিঙাৰ পৰা উত্তৰ বংগ কোচ বিহাৰলৈ বন্ধ হৈ থকা পৰিবহন নিগমৰ বাছ গাড়ী নতুনকৈ চলাবলৈ চৰকাৰৰ ওচৰত প্ৰস্তাৱ আছে নেকি?

(গ) যদি আছে কেতিয়া পুনৰ বাছ চলাৰ ব্যৱস্থা কৰা হব?

(ঘ) উত্তৰ শালমাৰা মহকুমাত পৰিবহন আস্থানৰ কাৰ্য্যালয়টো প্ৰয়োজন সাপেক্ষে পুনৰ নিৰ্ম্মাণৰ কিবা প্ৰস্তাৱ আছে নেকি?

(ঙ) যদি আছে কেতিয়া সম্পূৰ্ণ কৰা হব?

*শ্ৰীশিৱসম্ভু ওজা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ঔডুবী এলেকাত পথৰ দুৰবস্থাৰ বাবে নিগমৰ বাছ সেৱা প্ৰৱৰ্ত্তন কৰিব পৰা হোৱা নাই। কিন্তু বৰঘোলা আৰু লেংটিচিঙা এলেকাত নিগমৰ বাছ সেৱা বৰ্ত্তমানে অব্যাহত আছে।

---

★ *Speech not corrected*

(খ) বৰ্ত্তমানে লেংটিচিঙাৰ পৰা কোচ বিহাৰলৈ ৰাজ্যিক পৰিবহন নিগমৰ বাছ চলাচল কৰি আছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) বৰ্ত্তমানে তেনেকুৱা কোনো প্ৰস্তাৱ পৰিবহন নিগমৰ হাতত নাই।

(ঙ) প্ৰশ্ন নুঠে।

# SHORT NOTICE
## Question and Answers

*Mr. Speaker :* Now short notice Question No. 8. Hon'ble Member Shri Bharat Narah.

বিষয় ঃ অ, বি, চি নিগমৰ ঢকুৱাখানা শাখা সম্পৰ্কে।

*শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ*

৮। মাননীয় অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক অ, বি, চি, উন্নয়ন নিগম লিমিটেডৰ এটা শাখা কাৰ্য্যালয় ঢকুৱাখানা মহকুমাৰ ঢকুৱাখানাত আছে নে?

(খ) উক্ত কাৰ্য্যালয়ত বিষয়া কৰ্ম্মচাৰী মুঠ সংখ্যা কিমান?

(গ) উক্ত কাৰ্য্যালয়ত Development Office নথকা কথাটো সঁচানে?

(ঘ) উক্ত কাৰ্য্যালয়ত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ এজনো কৰ্ম্মচাৰী নথকা কথাটো সঁচানে?

***শ্ৰীবৰ্গৰাম দেউৰী*** (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নাই। (ঢকুৱাখানাত এটা অস্থায়ী উপ-কেন্দ্ৰহে খোলা হৈছে)।

(খ) সম্প্ৰতি উপ-কেন্দ্ৰটোত ২ জন অস্থায়ী কৰ্ম্মচাৰী দৈনিক মজুৰি ভিত্তিত আছে।

(গ) সঁচা।

(ঘ) সঁচা। অস্থায়ী কেন্দ্ৰত শ্ৰেণী বিভাজন কৰি নিযুক্তি দিব পৰা নাযায়।

★ ***শ্ৰীভৰত নৰহ ঃ*** মাননীয় অধ্যক্ষ মহোদয়, ঢকুৱাখানাত (ক) প্ৰশ্নৰ উত্তৰত

---

★ *Speech not corrected*

মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে তাত কাৰ্য্যালয় নাই আৰু তাত এটা অস্থায়ী উপকেন্দ্ৰ আছে বুলি জনাইছে তেনেস্থলত মন্ত্ৰী মহোদয়ে জনাবনে এই অস্থায়ী উপকেন্দ্ৰটোৰ সলনি তাত এটা উন্নয়ন নিগমৰ শাখা কাৰ্য্যালয় স্থাপন কৰাৰ ব্যৱস্থা কৰিব নে?

★ *শ্ৰীবৰ্গৰাম দেউৰী* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত আমি বিবেচনা কৰি আছো।

★ *শ্ৰীপদ্মেশ্বৰ দলে* ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৮০/৮১ চনত মাজুলীত এটা এচ, চি, ক'ৰপোৰেশ্যনৰ অফিচ আছিল কিন্তু কেইমাহ মান আগতে এই অফিচটো যোৰহাটলৈ লৈ গ'ল ফলত এই এচ, চি, লোক সকলৰ ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ বিভিন্ন কামত যোৰহাটলৈ অহা-যোৱা কাৰত অত্যন্ত অসুবিধা হৈছে কিয়নো এই এচ, চি, যিসকল অতি দুখীয়া লোক যি সকল বিশেষকৈ বেনিফিচিয়াৰী তেওঁলোকে যোৰহাটলৈ আহি কাম কাজ বিলাক কৰাত অসুবিধাৰ সন্মুখীন হৈছে। গতিকে মন্ত্ৰী মহোদয়ে জনাবনে এই অফিচটো অতি সোনকালে পুনৰ মাজুলীলৈ চিফ্‌ট কৰাৰ ব্যৱস্থা কৰিব?

★ *শ্ৰীবৰ্গৰাম দেউৰী* (মন্ত্ৰী) ঃ প্ৰশ্নটোত অবিচিৰ কথাহে কোৱা হৈছে গতিকে এচ, চিৰ বিষয়ত বেলেগে প্ৰশ্ন হলে ভাল হয়।

★ *শ্ৰীফনীভূষন চৌধুৰী* ঃ অধ্যক্ষ মহোদয়, এই যে অবিচি দেভেলাপমেন্ট ক'ৰপোৰেশ্যনৰ জৰিয়তে যিবিলাক লোণ ইত্যাদি দিয়া হয় সেইবিলাক লোণৰ শতকৰা ২৫ ভাগ চাবচিদি মানি আৰু শতকৰা ২৫ ভাগ মাৰজিন মানি অনুমোদোন হোৱাৰ পাচতো এই বেনিফিচিয়াৰিজ সকলে বেংকে বেংকে ঘূৰি ফুৰিব লগীয়া হৈছে। এই বেংকে বেংকে লোণ বিচাৰি ফুৰা কথাটো সঁচা নে যদি সঁচা হয় তেতিয়াহলে মন্ত্ৰী মহোদয়ে অতি সোনকালে যাতে বেনিফিচায়াৰিজ সকলে বেংকৰ পৰা লোণ পায় তাৰ কাৰণে বেংকৰ কতৃপক্ষৰ লগত যোগাযোগ কৰিব নে?

★ *শ্ৰীবৰ্গৰাম দেউৰী* (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাৰজিন মানি আৰু চাবচিডি শতকৰা ২৫ ভাগকৈ পোৱাৰ পাচত বেংকে বেনিফিচাৰিজ সকলক লোণটো দিব লাগে কিন্তু নিদিয়াৰ কাৰণে এই সম্পৰ্কত বহুতো অভিযোগ অহিছে। গতিকেই এই সম্পৰ্কত কিমান কেচ আছে সেই সকলো বোৰৰে সম্পূৰ্ণ তথ্য বিচাৰি স্পেচিফিক কেচ বিলাক আমি বিচাৰি আছো যাতে এই কেচবিলাক লৈ আমি বেংকৰ লগত যোগাযোগ কৰিব পাৰো কিন্তু আজিলৈকে এই সম্পাৰ্কত স্পেচিফিক কেচ বিলাক পোৱা নাই গতিকেই কামটো পৰি আছে। এতিয়া সেইবিলাক জনাৰ কাৰণে চেষ্টা চলি আছে।

★ *শ্ৰীভৰত নৰহ* ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ প্ৰতিখন জিলা মহকুমাত ওৱেলফেয়াৰ আৰু আই, টি, দি, পিৰ শাখা কাৰ্য্যালয় আছে কিন্তু অবিচিৰ শাখা কাৰ্য্যালয় নাই, গতিকে হেড কোৱাৰ্টাৰৰ পৰা যোগাযোগ কৰোতে অবিচিৰ কাম কাজ বিলাকত

---

★ *Speech not correeted*

অলপ অসুবিধা হয় গতিকে আন বিলাকৰ নিচিনাকৈ অবিচিৰ কাৰণেও জিলাই জিলাই শাখা কাৰ্য্যালয় খোলাৰ নীতি আছে সেইটো সলনি কৰি প্ৰতি মহকুমাতে খোলাৰ ব্যৱস্থা কৰিব নে?

★ ***শ্ৰীবৰ্গৰাম দেউৰী*** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো অসুবিধা হোৱা কথাটো সঁচা কিন্তু প্ৰতিটো মহকুমাতে শাখা কাৰ্য্যালয় খুলিলে অজস্ৰ ধন লাগিব আৰু যিটো টকা এই শিতানত আছে সেইটো অফিচ খোলোতেই খৰচ হৈ যাব, তাৰ পৰা বেনিফিচিয়াৰীজৰ একো উপকাৰ নহয়।

★ ***শ্ৰীপদ্মেশ্বৰ দলৈ*** ঃ খৰচ হোৱা কথাটো নুই কৰিব নোৱাৰি কিন্তু যিবিলাক এচ, চি ওৱেলফেয়াৰৰ কাৰ্য্যালয় আছে তাতেই অবিচিৰ কাম খিনি একেলগে কৰিব পৰিলে আমাৰ খৰচো কমিব আৰু কামতো সুবিধা হব। গতিকে এই বিষয়ে চিন্তা কৰিব নে?

★ ***শ্ৰীবৰ্গৰাম দেউৰী*** (মন্ত্ৰী) ঃ অপোনালোকে জানে যে আমাৰ অবিচি আৰু এচ চি, সুকীয়া সুকীয়া ডাইৰেক্টৰেট আছে, তেনে ক্ষেত্ৰত প্ৰতি জিলাতে ৰাজহ কমাত সংলগ্ন কৰাৰ বা একেলগে অফিচ খোলাৰ ক্ষেত্ৰত পৰীক্ষা কৰা হোৱা নাই।

★ ***শ্ৰীফনীভূষন চৌধুৰী*** ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে টকাৰ অভাৱৰ কাৰণে ব্ৰাঞ্চ অফিচ খুলিব পৰা হোৱা নাই, ২য় কথা হৈছে বহু জিলাত ব্ৰাঞ্চ অফিচ নাই। আগতে এই শিতানত ১ কোটি টকা আছিল কিন্তু ৫ কোটি টকা বন্টন কৰাৰ কাৰণে প্ৰস্তাৱ ক'ৰপোৰেশ্যনৰ পৰা আহিল আৰু এই সম্পৰ্কত সিদ্ধান্তয়ো হৈছিল কিন্তু সেইটো কাৰ্য্যতঃ হৈ নুঠিল কাৰণে অবিচিৰ ক্ষেত্ৰত যিদৰে প্ৰসাৰতা লাভ কৰিব লাগিছিল সেইদৰে হোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ে এই চেয়াৰ কেপিটেলটো ৫ কোটিলৈ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব নে? ২য়তে মন্ত্ৰী মহোদয়ে কৈছে স্পেচিফিক কেচ পোৱা নাই বুলি কৈছে কিন্তু আমি জনাত বঙাইগাওঁত মোৰ ষ্টেট বেংকত ১২ জন বেনিফিচিয়াৰীজে যোৱা এবছৰ ধৰি মাৰজিন মানি চাবচিডি পোৱাৰ পাচতো বেংকে বেংকে ঘূৰি ফুৰিছে কিন্তু আজিলৈকে তেওঁলোকে বেংকৰ পৰা লোণ পোৱা নাই।

★ ***শ্ৰীবৰ্গৰাম দেউৰী*** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো স্পেচিফিক এলিগেচন নাপালে অসুবিধা হয়, কিমান সংখ্যক কেচ পেন্দিং হৈ আছে, প্ৰত্যেকৰে সুকীয়াকৈ নাম লাগিব, ঠিকনা লাগিব, তাৰিখ লাগিব আৰু কোন দিনা চৰকাৰৰ পৰা মাৰজিন মানি আৰু চাবচিডি মানি অনুমোদন কৰা হৈছে ইত্যাদি সমস্ত তথ্য পাতি ষ্টেটমেন্ট আকাৰত আহি পালে নিশ্চয় ব্যৱস্থা লব পৰা হব।

★ ***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা*** ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে পুঁজিৰ অভাৱত প্ৰতিখন জিলা বা মহকুমাত ব্ৰাঞ্চ অফিচ খোলাৰ কাৰণে অসুবিধা হৈছে

---

★ *Speech not corrected*

আৰু এই বছৰত এই শিতানত কম টকা আছে গতিকে মন্ত্ৰী মহোদয়ে এই বছৰত এটা নীতি গ্ৰহন কৰিব নেকি যে অহা বছৰত বাজেটত এই শিতানত যাতে অধিক টকা ধৰিব পাৰি তাৰ ব্যৱস্থা কৰিব নেকি?

★ *শ্ৰীবৰ্গৰাম দেউৰী* (মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে আগবঢ়োৱা পৰামৰ্শটো আমি পৰীক্ষা কৰি চাম।

*মাননীয় অধ্যক্ষ* ঃ এতিয়া তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৯।

## বিষয় ঃ জলসিঞ্চন আঁচনিৰ নীতি।

*শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ*

৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলসিঞ্চন বিভাগে কি নীতিৰ ভিত্তিত স্বকীয় সংমণ্ডল আৰু উপ-সংমণ্ডল সমূহলৈ গৃহীত আঁচনি সমূহ কাৰ্য্যকৰী কৰাৰ বাবে ধনৰ আৱন্টন ধৰে।

(খ) সংমণ্ডল আৰু উপ-সংমণ্ডলত কমেও কেইটা আঁচনি থাকিব লাগে? এই ক্ষেত্ৰত সমষ্টি পৰ্য্যায়ত সৰ্ব্বনিম্ন আঁচনিৰ সংখ্যা থাকিব লাগে নে?

(গ) পুৰণি আঁচনিৰ উন্নীতকৰণৰ ক্ষেত্ৰত সংমণ্ডলে যুগুতোৱা প্ৰাক্‌কলন সমূহত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা আছে নে?

(ঘ) এটা আঁচনি সম্পূৰ্ণ কৰাৰ সময়সীমা কি ধৰণে নিৰ্দ্ধাৰণ কৰা হয়?

(ঙ) পুৰণি চলিত আৰু নতুনকৈ গ্ৰহন কৰা আঁচনিৰ তালিকা সমষ্টি অনুপাতে দাখিল কৰিবনে?

*শ্ৰীজেহিৰুল ইচলাম* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ক্ষুদ্ৰ জলসিঞ্চন শিতানত মুঠ ধনৰ আৱন্টনৰ পৰা ৪০ শতাংশ ক্ষুদ্ৰ আঁচনিবোৰৰ ৰূপায়ণৰ কাৰণে বিভিন্ন মহকুমালৈ আৱন্টন কৰা হয়। মহকুমালৈ আৱন্টন কৰোতে আঁচনিবোৰৰ অগ্ৰগতিৰ খতিয়ান পৰ্য্যালোচনা কৰা হয় আৰু অধিক অগ্ৰগতি সম্পন্ন আঁচনিবোৰ সম্পূৰ্ণ কৰাৰ কাৰণে বিভিন্ন মহকুমালৈ আৱন্টন কৰা ধনৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰা হয়। মহকুমাৰ বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ যোগেদি প্ৰত্যেকটো আঁচনিৰ ধন আৱন্টিত হয়।

বৃহৎ আৰু মজলীয়া পৰিকল্পনাবোৰ ধনৰ আৱন্টন আঁচনিৰ অগ্ৰগতি পৰীক্ষা কৰি সেই অনুপাতে ধনৰ আৱন্টনৰ প্ৰস্তাৱ পৰিকল্পনাৰ সৈতে ভাৰত চৰকাৰৰ পৰিকল্পনা

---

★ *Speech not corrected*

আয়োগলৈ পঠোৱা হয় আৰু পৰিকল্পনা আয়োগৰ পৰা ধনৰ আৱন্টনৰ অনুমোদন ৰাজ্যিক পৰিকল্পনা বিভাগৰ জৰিয়তে পোৱা হয়।

(খ) তেনেকুৱা কোনো নিৰ্দ্ধাৰিত নীতি নাই। কাৰিকৰী দিশ পৰীক্ষা কৰি আঁচনি লোৱা হয়।

(গ) হয়, আছে।

(ঘ) কামৰ আয়তন, আঁচনিৰ আকাৰ আৰু প্ৰকাৰ আৰু কামৰ ধৰণ আৰু প্ৰাক্কলন মূল্য অনুসাৰে সময়সীমা নিৰ্দ্ধাৰণ কৰা হয়।

(ঙ) মহকুমা ভিত্তিতহে ৰখা হয়। সমষ্টি ভিত্তিত তালিকা সাজু কৰাৰ কাৰণে বিভাগত নিৰ্দ্দেশ দিয়া হৈছে।

★ ***শ্ৰীআলাউদ্দিন চৰকাৰ*** **:** মই প্ৰশ্নত কৈছো সংমণ্ডল উপ-সংমণ্ডল তৈয়াৰ কৰা হৈছে। এই ব্যৱস্থা সম্প্ৰসাৰণৰ কাৰণে খেতিৰ মাটিত যাতে খুব সোনকালে পানীৰ যোগান ধৰা হয়। জলসিঞ্চন বিভাগে মাত্ৰ পানী যোগান ধৰে, জল নিষ্কাষণৰ ব্যৱস্থা কৰক। এই বিলাক ব্যৱস্থা কামনা কৰো। খেতিৰ উপযোগী মাটিত পানী যোগান ধৰাটো কামনা কৰো। চৰকাৰে যি নীতি কৰি আছে এই সম্পৰ্কত মন্ত্ৰী মহোদয় সচেতননে? (খ)ৰ প্ৰশ্নত কোৱা হৈছে সমষ্টি পৰ্য্যায়ত সৰ্ব্বনিম্ন আঁচনিৰ সংখ্যা থাকিব লাগে নে? যত খেতিৰ উপযোগী মাটি আছে তাত কমেও এটা আঁচনি থাকিব লাগে। ১৯৮২ চনৰ পৰা আৰু তাৰ আগৰ পৰা গোলোকগঞ্জ সমষ্টিত কাম নহল। ইয়াৰ আগতেও কৈছে যে উত্তোলন জলসিঞ্চনৰ আঁচনিৰ প্ৰাক্কলন বিভাগে যুগুতাইছে। এই আঁচনিৰ ক্ষেত্ৰত উত্তৰ দিছে মাত্ৰ এটাই বিভাগীয় যি এডমিনিষ্ট্ৰেটিভ এপ্ৰভেলৰ কাৰণে বৈ আছে। এই নীতিৰ খেলা হৈ আছে। বিভাগীয় যি নীতি আছে এই সম্পৰ্কত মন্ত্ৰী মহোদয় সচেতননে?

★ ***শ্ৰীজেহিৰুল ইছলাম*** (মন্ত্ৰী) **:** মাননীয় বিধায়কে যি প্ৰশ্ন কৰিছে আজি কেইদিনমান আগতে এডমিনিষ্ট্ৰেটিভ এপ্ৰভেলৰ কৰণে বিভাগক নিৰ্দ্দেশ দিছো। সেই বিলাক আহিব দিয়ক।

***Mr. Speaker :*** Now Short Notice Question No. 10.

## Re : Erosion of River Borak near village Dungripar.

***Shri Samarendra Nath Sen*** asked :

10. Will the Minister, Flood Control be pleased to State :

★ *Speech not corrected*

(a) Whether the Government is aware of the fact that there is regular erosion of river Borak near village Dungripar, Cachar?

(b) If so, what step the Government has taken to stop the regular and frequent erosion?

***Shri Haren Bhumij*** (Minister) replied :

(a) Yes, but problem of river bank sloughening is more active to an bank erosion.

(b) Palliative measures to river bank sloughering/erosion has been taken up.

★ *Shri Samarendra Nath Sen :* Hon'ble Speaker Sir, River Barak flows in a zigzag way. Because of erosion and short circutting, there is a gap of 6 metre and unless this gap is stopped then there will be immense flow of water in rainy season which may cause devastating flood, not only in Cachar but entire in Barak Valley.

★ *Shri Haren Bhumij* (Minister) *:* Speaker Sir, Hon'ble member has stated that the river Barak is a zigzag one, I also hope so. In terms of flood control the river is an meandering one. It is flowing in the alluvium plains of Cachar, Hailakandi and Karimganj district in the State of Assam. As the river Barak is in the process of meandering and zigzaging its course has attained the critical stage of short circutting. The river has developed a tendency to short circuit by a length of 8 to 9 KM. The Place (Dungripar) is located at a distance of approximately 25 KM upstream of Silchar town. Heavy bank sloughening together with the problem of bank erosion is active over a lenght of 3 KM.

★ *Shri Samarendra Nath Sen :* What steps Govt. is willing to take to stop the erosion?

★ *Shri Haren Bhumij* (Minister) *:* Sir, as I told periodic measures to control erosion have been taken up. Palliative measures such as 'A' type Bamboo Spur, Pallisding, Bank trimming had to be undertaken to retard the rate of bank erosion/ sloughening

---

★ *Speech not corrected*

and also measures were taken to stop bank spilling and thereby sudden short circutting at high floods stage was resisted. Besides at present bamboo pinning words for bank stabilisation against sloughening, bank trimming and construction of Dowel bund to stop bank spilling are in progress at the seriously affected bank. The work is aimed at resisting sudden short sircuting at high stages of the river. The Deptt. is keeping strict vigil over the situation there.

★ ***Shri Samarendra Nath Sen*** **:** Whether Dowel bunding is sufficient? Through the gap in the Kalipath and Silchar with in half an hour the whole area gets innundated. Unless embankment is raised and strengthened in the Lungipar, no measure will be sufficient to protect the area.

★ ***Shri Haren Bhumij*** (Minister) **:** Sir, actually there was a scheme for providing boulder bull head at the critical reaches and in the Month of April, 1991 all arrangements were made to execute the scheme, but there was unprecedented heavy rains in the later part of April, 1991 leading to high floods in the Barak Valley in the 1st and 2nd week of May, 1991 at the premonson stage. This untimely high flood caused considerable change in river configuration in Dungripar area and the earlier proposal for construction of boulder bull head was found not suitable in the changed condition, and that is why the period measures were taken up. To combat the problem of erosion at vulnerable reaches which may aggravate due to short circutting in the down stream reach on the left bank, works of anti erosion measures at Uttarkrishnapur, Ghaniwalla, Newcolony and Terapur Sibbari area are in progress.

★ ***Shri Samarendra Nath Sen*** **:** Whether this work will be taken up this year.

★ ***Shri Haren Bhumij*** (Minister) **:** Sir, I have already said that.

---

★ *Speech not corrected*

*Mr. Speaker :* Now Short Notice Question No. 11.

বিষয় ঃ পাইপ পানী যোগান আঁচনি।

*শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ*

১১। মাননীয় জনস্বাস্থ্য কৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ লক্ষীমপুৰ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ অধীনত বধাকৰাত (Badhakara) পাইপ পানী যোগান আঁচনি এটা মঞ্জুৰ কৰা কথাটো সঁচানে?

(খ) যদি সঁচা, উক্ত আঁচনিটো কোন বিত্তীয় বছৰত মঞ্জুৰ কৰা হৈছিল?

(গ) আঁচনিৰ কামৰ কাৰণে নিবিদা বন্দোবস্তি দিয়া হৈছেনে?

(ঘ) যদি দিয়া হৈছে, বৰ্ত্তমানে কামৰ অগ্ৰগতি কিমান?

*শ্ৰীদিনেশ প্ৰসাদ গোৱালা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ১৯৮৬-৮৭ চনত।

(গ) দিয়া হৈছে।

(ঘ) লৌহ পৰিশোধক আৰু বিজুলী সংযোগৰ বাদে বাকী সকলো কাম সম্পূৰ্ণ হৈছে।

★ *শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ* মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনি আৰম্ভ কৰা আৰু মঞ্জুৰ প্ৰায় ৫ বছৰ হ'ল। মন্ত্ৰী মহোদয়ে কৈছে যে, লৌহ পৰিশোধক আৰু বিজুলী সংযোগৰ বাদে সকলো কাম সম্পূৰ্ণ হৈছে। বাকী যি দুটা কাম হবলৈ বাকী আছে সেই কাম দুটা কেতিয়া সম্পূৰ্ণ হব? আৰু ৰাইজে কেতিয়া পানী পাব?

★ *শ্ৰীদিনেশ প্ৰসাদ গোৱালা* (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, উক্ত আঁচনিটো ১৯৮৬-৮৭ চনতে চেংচন কৰা হৈছিল। এই আঁচনিৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগে ইতিমধ্যে দীপ টিউব ওৱেলৰ কাম সম্পূৰ্ণ কৰিছে। বাকীখিনি কাম সম্পূৰ্ণ হোৱা নাই যদিও প্ৰায় ৬০ শতাংশ কাম সম্পূৰ্ণ হৈছে। পাৱাৰৰ বাবে নৰ্থ লক্ষীমপুৰৰ এ, এচ, ই, বি, বিভাগলৈ এপ্লাই কৰা হৈছে। যোৱা ১ আক্টোবৰৰ পৰা পাম্পচেট বহুৱাই পানী যোগান ধৰা হৈছে।

★ *শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ* অধ্যক্ষ মহোদয়, সম্পূৰ্ণভাৱে পানী কেতিয়াৰ পৰা দিব পাৰিব মন্ত্ৰী মহোদয়ে জনাবনে?

---

★ *Speech not corrected*

★ ***শ্ৰীদিনেশ প্ৰসাদ গোৱালা*** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আগামী ৩ মাহৰ ভিতৰত দিয়া হ'ব।

★ ***শ্ৰীযতীন মালী ঃ*** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়টোৰ ওপৰত গুৰুত্ব দিবনে যে, অসমৰ বিভিন্ন সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে যিবিলাক আঁচনি বাস্তৱত ৰূপায়ণ কৰিবলৈ লৈছে সেই আঁচনি বিলাক বিদ্যুৎ বিভাগৰ সহযোগ নথকাৰ বাবে আঁচনি বিলাক আৰম্ভ কৰাত ব্যৰ্থ হৈছে? মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চিত কৰি কবনে যে, জনস্বাস্থ্য কাৰিকৰী বিভাগে বিভিন্ন সমষ্টিত আৰম্ভ কৰা আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্ৰত যাতে ভৱিষ্যতে বিদ্যুৎ বিভাগৰ পৰা সহযোগ নোপোৱা বুলি উত্তৰ নিদিয়ে।

★ ***শ্ৰীদিনেশ প্ৰসাদ গোৱালা*** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই আঁচনি বিলাক ৰূপায়ণ কৰোতে বিদ্যুৎ বিভাগৰ প্ৰয়োজন আছে। পাৱাৰ চাপ্লাই সময়মতে নোহোৱাৰ বাবেই কাম বিলাক অসম্পূৰ্ণ হৈ আছে। আমাৰ বিভাগত পাৱাৰ জেনেৰেট কৰা কোনো স্কপ নাই। গতিকে আমি পাৱাৰ বিভাগৰ জৰিয়তেহে এই কাম বিলাক কৰিব লাগে।

★ ***শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী*** ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে এটা কথা কব বিচাৰিছোঁ যে, অসমত যি পাইপ চিষ্টেম দিয়া হৈছে, সেই পাইপ চিষ্টেমত দুটা স্পেচিফিক এলিগেচন আছে। যি পৰিমাণে পাৱাৰ থকা পাম্প বহুৱাব লাগে সেই পৰিমাণৰ কেপাচিটি থকা পাম্প নিদিয়াৰ কাৰণে পাইপ চিষ্টেমটোৱে সেই এৰিয়াত পানীৰ কভাৰেজ কৰিব নোৱাৰে। দ্বিতীয়তে আজি ৫ বছৰৰ আগতেই জনস্বাস্থ্য কৰিকৰী বিভাগে আৰম্ভ কৰা আঁচনি সমূহে পানী যোগান দিব পৰা নাই। সমগ্ৰ অসমতে কিমান আঁচনিয়ে পানী যোগান দিব পৰা নাই এই সম্পৰ্কে তেখেতৰ বিভাগৰ জৰিয়েত তদন্ত কৰি জনাবনে?

★ ***শ্ৰীদিনেশ প্ৰসাদ গোৱালা*** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তদন্ত কৰা হ'ব।

★ ***শ্ৰীহিতেশ্বৰ ডেকা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ যোৱা অধিবেশনতো জনস্বাস্থ্য কৰিকৰী বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীয়ে এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে ৰঙিয়া পি, এইচ, ই, কাৰ্য্যালয়ৰ অধীনত যিবোৰ পানী যোগান আঁচনিত ৰিজাৰ্ভাৰ নাই, মানুহে ৰিজাৰ্ভাৰ নোহোৱাকৈ পানী খাইছে সেই বিষয়টো আৰু ৰঙিয়া কাৰ্য্যালয়ত চলা দুৰ্নীতিৰ বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা লোৱা হ'ব বুলি কৈছিল। আজি ইমান মাহ পাৰ হৈ গ'ল। ৰঙিয়া পি, এইচ, ই, কাৰ্য্যালয়ত ৬ লাখ টকাৰ খেলিমেলি ধৰা পৰিছে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে, মন্ত্ৰী মহোদয়ে জনাবনে?

★ ***শ্ৰীদিনেশ প্ৰসাদ গোৱালা*** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ৬ লাখ

টকাৰ খেলিমেলিৰ কথা নহয়, ৬ কোটি টকাৰ। এই বিষয়টো বিভাগৰ ফালৰ পৰা প্ৰিলিমিনাৰী এনকুৱাৰী কৰা হৈছে। এতিয়া বিষয়টো পুলিচ বিভাগক দিয়া হৈছে, বিস্তৃত অনুসন্ধানৰ কাৰনে।

★ *শ্ৰীনগেন শৰ্ম্মা* ঃ অধ্যক্ষ মহোদয়, যোৱা চেপ্তেম্বৰ মাহৰ অধিবেশনতে মন্ত্ৰী মহোদয়ে এই বিষয়টো অনুসন্ধান কৰিম বুলি প্ৰতিশ্ৰুতি দিছিল আৰু পৰবৰ্ত্তী অধিবেশনত জনাব বুলি কৈছিল, কিন্তু এতিয়াৰ এই অধিবেশন শেষ হবৰ হলহি কিন্তু তদন্ত কৰাৰ প্ৰতিবেদন কেতিয়া দাখিল কৰিব?

★ *শ্ৰীহিতেশ্বৰ ডেকা* ঃ মন্ত্ৰী মহোদয়ে লগতে ৰিজাৰ্ভাৰৰ কথাৰ উত্তৰটোও দিব।

★ *শ্ৰীদিনেশ প্ৰসাদ গোৱালা* (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰঙিয়া ডিভিজনৰ যিটো স্কেণ্ডেল সেইটো ১৯৮৯ চনৰে। বিভাগৰ ফালৰ পৰা অনুসন্ধান কৰা হৈছে। এতিয়া স্পেচিয়েল অডিট কৰি থকা হৈছে। এইটো শেষ হলেই প্ৰতিবেদনৰ ৰিপোৰ্ট দাখিল কৰা হব।

★ *শ্ৰীহিতেশ্বৰ ডেকা* ঃ অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে আগতে উত্তৰত কৈছিল যে ৰিজাৰ্ভাৰ নোহোৱাকৈ ৰাইজক বিভাগে পানী খাবলৈ দিয়টো অতি গুৰুত্বপুৰ্ণ বিষয়, সেয়ে বিষয়টো সদনক অবগত কৰা হব বুলি কৈছিল। গাৱৰ দুখীয়া একো নজনা মানুহ বুলিয়েই বিভাগে এনে লেতেৰা পানী, গিলাচত থলে মদ নে পানী ধৰিবই নোৱাৰি। মানুহক খাবলৈ দি থাকিবনেকি?

★ *শ্ৰীদিনেশ প্ৰসাদ গোৱালা* (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বিষয়টো অনুসন্ধান কৰি মই মাননীয় সদস্য গৰাকীক জনাম।

## Unstarred Question and Answers

### বিষয় ঃ হাৰিভংগা ৰাজ্যিক চিকিৎসালয়।

*শ্ৰীপানীৰাম ৰাভায়ে সুধিছে ঃ*

৪৬০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১-৯২ চনৰ বিত্তীয় বছৰত বৰমা সমষ্টিৰ হাৰিভংগা (Haribhanga) ৰাজ্যিক চিকিৎসালয় খনক PHC লৈ উন্নীত কৰণৰ চৰকাৰী প্ৰস্তাৱ আছে নে?

(খ) যদি আছে কেতিয়ালৈকে নিৰ্ম্মাণ কৰিব?

(গ) বৰমা সমষ্টিৰ নাথকুছিত ১৯৯১-৯২ বিত্তীয় বছৰত পি, এইচ, চি স্থাপনৰ চৰকাৰী প্ৰস্তাৱ আছেনে?

(ঘ) যদি আছে কেতিয়ালৈ নিৰ্ম্মাণ কৰিব?

---

★ *Speech not corrected*

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আছে।

(খ) গড়কাপ্তানী বিভাগৰ পৰা প্ৰাককলন পোৱাৰ পিছত পুঁজি সাপেক্ষে প্ৰশাসনীক অনুমোদন প্ৰদান কৰি নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰিব পৰা যাব।

(গ) হয়, আছে।

(ঘ) গড়কাপ্তানী বিভাগৰ পৰা প্ৰাককলন প্ৰাপ্তিৰ পিছত পুঁজি সাপেক্ষে প্ৰশাসনীক অনুমোদন প্ৰদান কৰি এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্ম্মাণৰ কাম হাতত লব পৰা যাব।

**বিষয় ঃ সৰ্থেবাৰীৰ পৰা বৰপেটালৈ (এ, এচ, টি, চি) বাছ চলোৱাৰ ব্যৱস্থা।**

*শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ*

৪৬১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰ্থেবাৰীৰ পৰা বৰপেটালৈ (এ, এচ, টি, চি) চলাচল অব্যাহত আছেনে?

(খ) যদি আছে কেইখন (এ, এচ, টি, চি) বাছ চলে?

(গ) যদি নচলে, যাত্ৰীৰ অসুবিধা দূৰ কৰাৰ কাৰণে (এ, এচ, টি, চি)ৰ বাছ চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) যদি গ্ৰহন কৰে, কেতিয়ালৈ?

*শ্ৰীশিবসম্ভু ওজা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক পৰিবহন নিগমে উক্ত পথত বাছ চলোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) ভবিষ্যতে নিগমে এই সম্পৰ্কে বিবেচনা কৰিব।

(ঘ) এতিয়া এই প্ৰশ্ন নুঠে।

**বিষয় ঃ নাৰ্চ প্ৰশিক্ষণ ।**

*শ্ৰীজীউৰাম বড়োয়ে সুধিছে ঃ*

৪৬১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ গুৱাহাটী মেডিকেল কলেজ চিকিৎসালয়ত কিমানজনী মহিলাক প্ৰতিবছৰে নাৰ্চ প্ৰশিক্ষণৰ বাবে নাম ভৰ্ত্তি কৰা হয়?

(খ) নার্চ প্রশিক্ষণ লোৱা মহিলা সকলক ষ্টাইফেণ্ড দিয়া হয় নেকি?

(গ) যদি দিয়া হয়, কিমান পৰিমাণকৈ দিয়া হয় আৰু বৰ্ত্তমানে দি থকা ষ্টাইফেণ্ডৰ পৰিমাণ বৃদ্ধি কৰিবনে?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৪১ গৰাকীক।

(খ) হয়।

(গ) মাহিলী ২০০ টকাকৈ প্ৰত্যেক প্ৰশিক্ষাৰ্থীক জলপানী দিয়া হয়। এই মাহিলী জলপানীৰ পৰিমাণ বৃদ্ধি কৰাৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## Re : Shortage of Transport accomodation.

*Shri Karandra Basumatary* asked :

463. Will the Minister of Transport be pleased to state :

(a) Whether Government will take step for plying State Transport Corporation Buses in the following routes?

(i) From Khagrabari to Guwahati.

(ii) From Dimakuchi to Guwahati.

(iii) From Tongla to Guwahati.

*Shri Shio Shambhu Ojah* (Minister) replied :

(a) (i) & (ii) Depending upon the fleet strength this will be considered in future.

(iii) Bus service is in operation.

## Re : Allocation of fund.

*Shri Kali Ranjan Dev* asked :

464. Will the Minister of Panchayat and Rural Development be pleased to state :

(a) The total amount allocated from the fund of Cachar D.R.D.A. Sector for Distribution to different Development Blocks of Cachar and Hailakandi District for the financial

year 1991-92?

(b) Amount allocated to each of the Development Blocks of Cachar and Hailakandi District out of this fund during 1991-92 financial year?

(c) The Principle and basis of allocating fund to the Development Blocks from DRDA Sector?

***Shri Afzalur Rahman*** **(Minister) replied :**

(a) Rs. 304.13 Lakhs.

(b) Block-wise allocation is furnished at Annexure (A).

(See the Annexure III , IV and V)

(c) As per provision of JRY Mannual, 1991 (As modified and effective from 1.4.91) (Relevant extract enclosed)

(See the Annexure - VI)

### বিষয় ঃ পৰিবহন নিগমৰ বাছ চলাচল।

***শ্ৰীবৰেন্দ্ৰ নাৰায়ণ কলিতাৱে সুধিছে ঃ***

৪৬৫। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীৰ পৰা বাবাপুৰ গড়ুল হৈ মাৰ্কি গাওঁলৈ অসম ৰাজ্যিক পৰিবহন নিগমৰ চিটিবাছ নতুবা প্ৰাইভেট চিটিবাছ প্ৰবৰ্ত্তন কৰাৰ কথা চৰকাৰে চিন্তা কৰিছে নেকি?

(খ) যদি কৰা নাই, তেনেহলে জনসাধাৰণৰ জীৱন অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চলিত মাহৰ পৰাই চলোৱাৰ ব্যৱস্থা কৰিব নেকি?

***শ্ৰীশিবসম্ভু ওজা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ***

(ক) বৰ্ত্তমানে তেনেকুৱা বাজহুৱা আবেদন নোপোৱাৰ কাৰণে চিন্তা কৰা হোৱা নাই।

(খ) পৰীক্ষা কৰি চোৱা হব।

### বিষয় ঃ চিহ্, বৰমা ডি, আৰ, ডি বাস্তা উন্নতিকৰণ।

*শ্ৰীপানী ৰাম ৰাভায়ে সুধিছে ঃ*

৪৬৬। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চিহ্, বৰমা জেষ্ঠ খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ জৰিয়তে আৰম্ভনিৰে পৰা বৰ্ত্তমানলৈ কিমান কিলোমিটাৰ ৰাস্তা ডি, আৰ, ডি, এৰ পৰা নিৰ্ম্মাণ কৰা হৈছে?

(খ) উক্ত বিভাগৰ জৰিয়তে উক্ত এলেকাৰ কিমান খন বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ হল?

(গ) উক্ত বিভাগৰ জৰিয়তে কৰা জন কল্যাণ ভৱনটো ১৯৯২ চনৰ এপ্ৰিল মাহৰ ভিতৰত সম্পূৰ্ণ হবনে?

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) ৬৪ কিলোমিটাৰ।

(খ) ৩৯ টা।

(গ) ১৯৯২ চনৰ এপ্ৰিল মাহৰ ভিতৰত নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰা হৈ আছে।

### বিষয় ঃ কছাৰী সকলক জনজাতি তালিকাভুক্ত কৰণ।

*শ্ৰীপানী ৰাম ৰাভায়ে সুধিছে ঃ*

★ ৪৬৭। মাননীয় ভৈয়াম জনজাতি উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ শৰনীয়া কছাৰী লোক সকলে ভৈয়ামৰ জনজাতিৰ তালিকাভুক্ত হবলৈ দাবী জনাই অহাটো চৰকাৰৰ অৱগত নে?

(খ) যদি অৱগত হয়, তালিকাভুক্ত কৰাৰ যাৱতীয় ব্যৱস্থা লৈছেনে?

*শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ*

(ক) হয়, অৱগত।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয় ঃ স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ আঁচনি।

*শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে ঃ*

৪৬৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙিয়া মহকুমাৰ মধুকুছি আৰু হালধাও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰৰ আঁচনি আছে নেকি?

(খ) যদি আছে উক্ত ঠাই দুখনৰ চিকিৎসালয় স্থাপনৰ কাম কেতিয়া আৰম্ভ হব আৰু কেতিয়া সমাপ্ত হব?

(গ) উক্ত মহকুমাৰ ৰায়পাত কলাকুচি আৰু পুঠিমাৰীত স্থাপন কৰিবলৈ লোৱা চিকিৎসালয়ৰ বাবে কিমান ধন আৱন্টন দিয়া হৈছে?

(ঘ) কমলপুৰত স্থাপন কৰা ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় খন কেতিয়া মুকলি কৰা হব?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মধুকুচি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ আঁচনি আছে, কিন্তু হালধাত তেনে আঁচনি বৰ্ত্তমানে নাই।

(খ) মধুকুচিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে গড় কাপ্তানী বিভাগৰ পৰা আঁচনি আৰু প্ৰাককলন বৰ্ত্তমানে পোৱা নাই। প্ৰাককলন পালে পুঁজি সাপেক্ষে প্ৰশাসনিক অনুমোদন প্ৰদান কৰি ইয়াৰ নিৰ্ম্মাণ কাম আৰম্ভ কৰিব পৰা যাব।

(গ) ৰঙিয়া মহকুমাৰ ৰায়পাত ৰাজআলি (কলাকুচি) ১ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্ম্মাণৰ বাবে মুঠ ৯,৯৫,৫০০ (ন লাখ পচানব্বৈ হাজাৰ পাচশ) টকাৰ প্ৰশাসনিক অনুমোদন দিয়া হৈছে। পুঠিমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্ম্মাণৰ বাবে গড় কাপ্তানী বিভাগে ১৩,০৯,৩০০/- (তেৰ লাখ ন হাজাৰ তিনিশ) টকাৰ প্ৰাককলন দাখিল কৰিছে যদিওঁ পুঁজিৰ অভাৱত ইয়াৰ প্ৰশাসনিক অনুমোদন দিব পৰা হোৱা নাই।

(ঘ) কমলপুৰৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ গৃহ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত আৰু গড় কাপ্তানী বিভাগে স্বাস্থ্য বিভাগক ঘৰবোৰ হস্তান্তৰ কৰাৰ পিচত প্ৰয়োজনীয় ডাক্তৰ নাৰ্চ আৰু অন্যান্য কৰ্ম্মচাৰীৰ নিযুক্তিৰ পিছত ইয়াক ৰোগীৰ বাবে মুকলি কৰিব পৰা হব।

## বিষয় ঃ কৰিমগঞ্জ জিলাৰ ইউভিং সমবায় সমিতি।

*শ্রীপ্রণৱ কুমাৰ নাথে ডিজ্ঞাসা কৰছেন ঃ*

৪৬৯। মাননীয় হস্ত তাঁত আৰু বস্ত্র শিল্প বিভাগেৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জানাবেন কি ঃ

(ক) কৰিমগঞ্জ জিলাৰ কোন কোন গ্রাম নিয়ে কয়টি (উইভিং) সমবায় সমিতি আছে?

(খ) প্রতিটি সমবায় সমিতিতে কয়টি হস্ত তাঁত চালিত তাঁত ৰয়েছে এবং কইজন কয়ে কর্ম্মী কাজ কৰতেছে তাদেৰ নাম ও ঠিকনা এবং তাদেৰ পাৰিশ্রমিক কি হাৰে, কি ভাবে দেওয়া হয়, প্রত্যেক শ্রমিক নায্য পৰিশ্রমিক পাইতেছে কি?

*শ্রীবর্গৰাম দেউৰী* (মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কৰিমগঞ্জ জিলাত ৪৪ খন প্রাথমিক বয়ন সমবায় সমিতি আছে আৰু এই সমিতিবোৰে মুঠ ১৫৫ খন গাওঁ সামৰি আছে।

(খ) এই বয়ন সমিতি সমূহত মুঠ ৬০৬৪ খন হস্ত চালিত তাঁত শাল আছে আৰু ৬২৮৬ গৰাকী শিপিনীয়ে কাম কৰি আছে। শিপিনী সকলে তেওঁলোকৰ উৎপাদিত বস্ত্রৰ পৰিমাণৰ ভিত্তিত খনে প্রতি বা মিটাৰে প্রতি নির্দ্ধাৰিত হাৰত পাৰিশ্রমিক পাই আছে।

## বিষয় ঃ ৰাম কৃষ্ণ নগৰ আঞ্চলিক পঞ্চায়ত।

*শ্রীপ্রণৱ কুমাৰ নাথে ডিজ্ঞাসা কৰছেন ঃ*

৪৭০। মাননীয় পঞ্চায়ত মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জানাবেন কি ঃ

(ক) কৰিমগঞ্জ জিলাৰ ৰামকৃষ্ণ নগৰ আঞ্চলিক পঞ্চায়তে পলডহৰ গাওঁ পঞ্চায়েতেকে দূল্লভছড়া আঞ্চলিক পঞ্চায়তে অর্ন্তভূক্ত কৰাৰ স্থানীয় জনসাধাৰণ মাৰাত্মক অসুবিধাৰ সন্মুখীন হয়েছেন এব্যাপৰে সৰকাৰ জ্ঞাত কি?

(খ) পশ্চিমটংগী বাড়ী ও আতানগৰ জি পি wood ৰতাবাড়ী জি পি থেকে পলডহৰ জি পিতে অন্তভূক্ত কৰাৰ উক্ত এলাকাৰ জনসাধাৰণ যোগাযোগেৰ ক্ষেত্রে মাৰাত্মক অসুবিধাৰ সন্মুখীন হয়েছেন এব্যাপাৰে সৰকাৰ অবহিত আছেন কি?

(গ) যদি অৱহিত আছেন পূর্ব্বাবস্থায় ফিৰিয়ে নেবেন কি?

*শ্ৰীআফজালুৰ ৰহমান* (মন্ত্ৰী) মহাশয়ে উত্তৰ দিয়েছেন ঃ

(ক) ও (খ) না, সৰকাৰ অবগত নহেন।

(গ) প্ৰশ্ন উঠেনা।

## বিষয় ঃ ডলু ষ্টেট ডিচপেনচাৰীত স্থায়ী ডাক্তৰৰ ব্যৱস্থা।

*শ্ৰীপ্ৰণৱ কুমাৰ নাথে জিজ্ঞাসা কৰছেন ঃ*

৪৭১। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ্ কৰি জানাবেন কি ঃ

(ক) ডলু ষ্টেট ডিচপেনচাৰীতে গৃহ ঝাড়ে ক্ষতিগ্ৰস্ত হয়েছে এবং কোন ডাক্তাৰ নাই এব্যাপাৰে সৰকাৰ অবহিত আছেন কি এবং জৰুৰী ভিত্তিতে বৰ্ত্তমান অৰ্থ বছৰে হাস্পাতাল ভৱন নিৰ্ম্মাণ কৰাত স্থায়ী ডাক্তৰেৰ ব্যৱস্থা কৰিছেন কি?

(খ) কামাৰ গ্ৰাম মেডিকেল হেলথ চেষ্টাৰেৰ গৃহ ঝাড়ে ক্ষতিগ্ৰস্ত হয়েছে এবং কোন ফাৰ্মাসিষ্ট নাই এব্যাপাৰে সৰকাৰ অবস্থিত আছেন কি এবং বৰ্ত্তমান অৰ্থবছৰে ভৱন নিৰ্ম্মাণ কৰাত ফাৰ্মাচিষ্টৰ ব্যৱস্থা কৰিছেন কি?

(গ) বোৰাইগ্ৰাম মিনি পি এইচ চি কে পি এইচ চিতে উন্নিত কৰাৰ সিদ্ধান্ত সৰকাৰ বৰ্ত্তমান অৰ্থবছৰে নিয়েছেন কি? এবং দীৰ্ঘ দিনধৰে ডাক্তৰহীন অবস্থাৰ কথা সৰকাৰ অবহিত আছেন কি? এবং শিঘ্ৰেই ডাক্তাৰেৰ ব্যৱস্থা কৰিবেন কি?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী) মহাশয়ে উত্তৰ দিয়েছেন ঃ

(ক) ১৯৯০ সনেৰ এপ্ৰিল মাসে ডলু ৰাজ্যিক চিকিৎসালয়েৰ গৃহ (S.D) ঝাড়ে ক্ষতিগ্ৰস্ত হয়েছিল তা সৰকাৰেৰ জানা আছে। গৃহ পুণঃ নিৰ্মাণেৰ জন্য ব্যৱস্থা কৰা হয়েছে। সেখানে চিকিৎসক নেই তা কথা সত্য নয়।

(খ) কামাডগ্ৰাম (Sub-Centre) গৃহেৰ বৰ্ত্তমান অৱস্থাৰ কথা সৰকাৰেৰ জানা আছে। গৃহ পুণঃ নিৰ্মাণ এবং ফাৰ্মাসিষ্ট দেওয়াৰ ব্যৱস্থা কৰা হবে।

(গ) বাৰইগ্ৰাম Mini PHC বৰ্ত্তমান বিত্ত বছৰে উন্নত কৰাৰ কোন প্ৰস্তাব নেই। গত ২০/২/৯২ ইং তাৰিখ থেকে সেখানে কোন চিকিৎসক নেই। এবং শিঘ্ৰেই ডাক্তাৰেৰ ব্যৱস্থা কৰা হবে।

বিষয় ঃ ৰবীন্দ্র সদন হাইস্কুল (এচ্, চি) ছাত্র-ছাত্রী দেৰ জন্য হোষ্টেল।

*শ্রীপ্রণৱ কুমাৰ নাথে ডিজ্ঞাসা কৰছেন ঃ*

৪৭২। মাননীয় ভৈয়াম জনজাতি কল্যাণ বিভাগেৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জানাবেন কি ঃ

(ক) কৰিমগঞ্জ জিলাৰ সর্বাধিক তপশিলী জাতি অধুযিত শনবিল এলাকাৰ নগেন্দ্র নগৰ স্থিত ৰবীন্দ্র সদন হাইস্কুলেৰ অধ্যয়নৰতে দূৰ দূৰান্তেৰ ছাত্র সমাজেৰ জন্য (এচ্, চি, ফান্দ) হতে বর্ত্তমান অর্থবছৰে একটি ছাত্রাবাস নির্মাণ কৰাৰ জন্য সৰকাৰ ব্যৱস্থা নেবেন কি?

***Shri Borgoram Deuri*** (Minister) replied :

Due to limited allocation of fund in 1991-92 and non receipt of formal proposal with plan estimates from Rabindra Sadan High School for construction of SC Boys Hostel this could not be taken into consideration in 1991-92. However during 1992-93, formal proposal with plan estimates may be submitted for consideration.

বিষয় ঃ জয়পুৰ উন্নয়ন খণ্ড।

*শ্রীশশকমল সন্দিকৈয়ে সুধিছে ঃ*

৪৭৩। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নাহৰকটীয়া আৰু টিংখং বিধান সভা সমষ্টিৰ পঞ্চায়ত সমূহক লৈ গঠিত জয়পুৰ উন্নয়ন খণ্ড অসমৰ ভিতৰতে আটাইতকৈ ডাঙৰ আৰু দুয়োটা সমষ্টিৰ গ্রামোন্নয়ন কার্য্য সমভাৱে আৰু সুচাৰু ৰূপে পৰিচালনা কৰাত অসুবিধাৰ সৃষ্টি কৰিছে এই তথ্য চৰকাৰে জানেনে?

(খ) যদি জানে এই অসুবিধা সমূহ দূৰীকৰণৰ বাবে জয়পুৰ উন্নয়ন খণ্ডক কেইবাটাও যেনে কমাৰগাওঁ, ৰাজগড় আদিত নতুনকৈ উন্নয়ন খণ্ড প্রতিষ্ঠা কৰাৰ কাম কিমান দূৰ আগবাঢ়িছে?

*শ্ৰীআফজালুৰ ৰহমান* (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নাহৰকটীয়া আৰু টিংখং বিধান সভা সমষ্টিৰ পঞ্চায়ত সমূহকলৈ গঠিত জয়পুৰ উন্নয়ন খণ্ডৰ গ্ৰামোন্নয়ন কাৰ্য্য সূচাৰুৰূপে পৰিচালনা কৰাত চৰকাৰে কোনো অসুবিধাৰ সন্মুখীন হোৱা নাই।

(খ) প্ৰয়োজন অনুসাৰে নতুন উন্নয়ন খণ্ড প্ৰতিষ্ঠা কৰাৰ কাম পূজি সাপেক্ষে পৰ্য্যায় ক্ৰমে হাতত লোৱা হব।

**বিষয় ঃ নাহৰকটীয়া নগৰৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।**

*শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ*

৪৭৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নাহৰকটীয়া বিধানসভা সমষ্টিত থকা নাহৰকটীয়া নগৰৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ খনিয়ে কেতিয়াৰ পৰা স্বাস্থ্য সেৱা আগবঢ়াব?

(খ) জয়পুৰত থকা চিকিৎসালয়খনি একেবাৰে উৰলি যোৱা ঘৰসমূহ মেৰামতি কৰাৰ সিদ্ধান্ত চৰকাৰে লৈছে নে?

(গ) এই চিকিৎসালয়খনি চাল উৰসাত ডাক্টৰ আৰু ৰোগীসকলে বাৰিষা আৰু বৰষূণ হ'লে চিকিৎসালয় ঘৰৰ ভিতৰতে ছাটি মেলি চিকিৎসা লব লগাত পৰে এই তথ্য চৰকাৰে জানেনে?

(ঘ) যদি জানে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(ঙ) চাচনি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটিৰ পূৰ্ণাংগ কাৰ্য্যঘৰ নিৰ্ম্মাণৰ কাম কেতিয়াকৈ শেষ হব?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী)য়ে উত্তৰ দিয়েছেন ঃ

(ক) নাহৰকটীয়াত ৩০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্ম্মাণ কৰা হৈছে। গড়কাপ্তানী বিভাগে গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি স্বাস্থ্য বিভাগক হস্তান্তৰ কৰাৰ পিছত ৰোগীৰ সেৱাৰ বাবে এই চিকিৎসালয় মুকলি কৰিব পৰা হব।

(খ) এতিয়ালৈকে লোৱা হোৱা নাই।

(গ) হয়, জানে।

(ঘ) গড়কাপ্তানী বিভাগক মেৰামতি কৰিবলৈ জনোৱা হৈছে।

(ঙ) চাচনি PHC খনৰ মূলগৃহ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছে। কেৱল কৰ্ম্মচাৰীৰ আবাসগৃহৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হবলৈ বাকী আছে। সোনকালে নিৰ্ম্মাণ কাৰ্য্য শেষ কৰাৰ ব্যৱস্থা লৈ থকা হৈছে।

## বিষয় ঃ গ্ৰাম্য স্বাস্থ্য সেবিকাৰ সংখ্যা।

*শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ*

৪৭৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমৰ মুখ্য গ্ৰাম্য স্বাস্থ্য সেবিকাৰ সংখ্যা কিমান?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

মুখ্য স্বাস্থ্য সেবিকাৰ পদ স্বাস্থ্য বিভাগত নাই।

## বিষয় ঃ মনোবিকাশ কেন্দ্ৰত শিশুৰ সংখ্যা।

*শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ*

৪৭৬। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাহিলীপাৰাত অৱস্থিত 'মনো বিকাশ কেন্দ্ৰত' মুঠ কিমান জন মানসিক বিকাৰ গ্ৰস্ত শিশু আছে?

(খ) এই কেন্দ্ৰ পৰিচালনা কৰাৰ ক্ষেত্ৰত কোন কোন সংস্থাই পুঁজিৰ যোগান ধৰে?

(গ) শিশু সকলক পৰিচাৰ্য্য আৰু চোৰা চিতা কৰিবলৈ মুঠ কিমান গৰাকী প্ৰশিক্ষণ প্ৰাপ্ত তদাৰককাৰী আছে?

(ঘ) ১৯৯০-৯১, ১৯৯১-৯২ চনত এই কেন্দ্ৰই মুঠ কিমান টকা মানসিক বিকাৰ গ্ৰস্ত শিশু সকলৰ ভৰণ, পোষণ, চিকিৎসা আৰু শিক্ষাৰ বাবে ব্যয় কৰিছে?

*শ্ৰীকুল বাহাদুৰ ছেত্ৰী* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কাহিলীপাৰাত থকা 'মনো বিকাশ কেন্দ্ৰটি' চৰকাৰী অনুষ্ঠান নহয়। অনুষ্ঠানৰ কৰ্ম্মকৰ্ত্তা সকলে যোগান ধৰা তথ্য অনুযায়ী বৰ্ত্তমান তাত ১০১ জন মানসিক বিকাৰ গ্ৰস্ত শিশু আছে।

(খ) অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে আৰু ভাৰত চৰকাৰে এই কেন্দ্ৰলৈ অনুদান আগ বঢ়ায়। ইয়াৰ উপৰিও কোনো কোনো ব্যক্তি আৰু অনুষ্ঠান আদিয়ে ও মাজে সময়ে দান বৰঙণি আগবঢ়ায়।

(গ) অনুষ্ঠান কৰ্ত্তৃ পক্ষই দিয়া তথ্যমতে মুঠ ১১ জন প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক-শিক্ষয়ত্ৰী আছে।

(ঘ) অনুষ্ঠান কৰ্তৃপক্ষই মতে ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনৰ সৰ্ব্বমুঠ ব্যয় এনে ধৰণৰ ঃ

১৯৯০-৯১ — ২,৭১,৬৭১.৭০ টকা।

১৯৯১-৯২ — ৩,৯৭,০৩১.৪০ টকা।

**বিষয় ঃ আন্তঃ জিলা অনুজ্ঞাপত্ৰ।**

***শ্ৰীনজমুল হকে সুধিছে ঃ***

৪৭৭। মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আন্তঃ জিলা অনুজ্ঞাপত্ৰ পোৱা পৰিবহন বিভাগৰ কেইখন বে-চৰকাৰী যাত্ৰীবাহী বাছ গোৱালপাৰা জিলাত অহাযোৱা কৰে?

(খ) উক্ত বাছবোৰৰ ভিতৰত কেইখন বাছ চুনাৰী আৰু বগুৱানৰ পৰা কাৰাইখোৱা হৈ গুৱাহাটীলৈ অহাযোৱা কৰে?

(গ) আন্তঃজিলা অনুজ্ঞাপত্ৰ পোৱা বাছবোৰ নিৰ্দ্দিষ্ট কৰি দিয়া ঠাই আৰু ৰাস্তা বোৰেদি চলাচল নকৰি গোটেইবোৰ বাছ গোৱালপাৰা চহৰৰ পৰা গুৱাহাটীলৈ অহাযোৱা কৰা কথাটো চৰকাৰে জানেনে?

(ঘ) উক্ত বাছবোৰ যদি নিৰ্দ্দিষ্ট কৰি দিয়া ৰাস্তাত চলাচল নকৰে তেন্তে উক্ত বাছবোৰৰ অনুজ্ঞাপত্ৰ বাতিল কৰি দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিবনে?

***শ্ৰীশিৱশম্ভু ওজা*** (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা জিলাৰ বিভিন্ন স্থানৰ পৰা অহাযোৱা কৰিবলৈ মুঠ ৩৯ খন আন্তঃজিলাৰ বাছৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে।

(খ) চুনাৰী বগুৱানৰ পৰা কৰাইখোৱা হৈ গুৱাহাটীলৈ দিনে মাত্ৰ দুখন কৈ (on Rotation Basis) বাছ অহাযোৱা কৰে।

(গ) আন্তঃজিলা অনুজ্ঞাপত্ৰ পোৱা গোটেইবোৰ বাছ গোৱালপাৰা চহৰৰ পৰা গুৱাহাটীলৈ অহাযোৱা কৰা কথাটো সচা নহয়।

'খ' প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে চুনাৰী আৰু বগুৱানৰ পৰা কাৰাইখোৱা হৈ প্ৰতি দিনে দুখনকৈ আন্তঃ জিলা অনুজ্ঞাপত্ৰ পোৱা বাছ চলাচল কৰি আছে। অৱশ্যে কিছু সংখ্যক বাছ গোৱালপাৰা চহৰৰ পৰা গুৱাহাটীলৈ চলাচল কৰাটো সত্য। কিন্তু গোটেই বোৰ বাছ চলাচল কৰাটো সত্য নহয়।

(ঘ) অনুজ্ঞাপত্ৰত নিৰ্দ্দিষ্ট কৰি দিয়া নিয়ম নীতি উলঙঘাকাৰীক ইতিমধ্যে যানবাহন

আইনৰ বিধি অনুসৰি জৰিমনা কৰা হৈছে।

অনুজ্ঞাপত্ৰ বাতিল কৰা নকৰা বিষয়টো গোৱালপাৰা জিলাৰ আঞ্চলিক পৰিবহন প্ৰাধিকৰণে আৱশ্যক অনুসৰি সিদ্ধান্ত লব।

## বিষয় ঃ অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ।

*শ্ৰীনজমুল হকে সুধিছে ঃ*

৪৭৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ মুঠ কিমানখন বাছ অসমৰ বিভিন্ন জিলাত চলি আছে আৰু কিমানখন বাছ অচল অৱস্থাত আছে?

(খ) ৰাজ্যিক পৰিবহন নিগমৰ বাৰ্ষিক আয় আৰু ব্যয়ৰ পৰিমান কিমান?

(গ) ৰাজ্যিক পৰিবহন নিগম কোনো ব্যক্তিগত মালিকনাক দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছেনে?

*শ্ৰীশিৱশম্ভু ওজা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ ২৯/২/৯২ তাৰিখ পৰ্যন্ত্য নিগমৰ বিভিন্ন সংমণ্ডলত মুঠ ৫৪৬ খন বাছ চলি আছে। অসমৰ সকলোবোৰ জিলাকে এই সংমণ্ডল সমূহে সামৰি লৈছে। একে সময়তে নিগমৰ মুঠ ৩২৫ খন বাছ অচল অৱস্থাত আছে। চলি থকা আৰু অচল বাছৰ খতিয়ান তলত দিয়া হ'ল।

<u>চলি থকা / অচল বাছৰ খতিয়ান</u>

| | | | চলিথকা | অচল |
|---|---|---|---|---|
| (১) | তিনিচুকীয়া সংমণ্ডল | | ৪৩ খন | ৪১ খন |
| (২) | যোৰহাট | " | ৯৩ " | ৬১ " |
| (৩) | নগাওঁ | " | ৪০ " | ২৯ " |
| (৪) | গুৱাহাটী | " | ১০৬ " | ৫২ " |
| (৫) | বঙাইগাওঁ | " | ৪০ " | ১৯ " |
| (৬) | শিলচৰ | " | ৩৬ " | ২৭ " |
| (৭) | তেজপুৰ | " | ৬২ " | ১৯ " |
| (৮) | উত্তৰ লক্ষীমপুৰ | " | ৩৫ " | ২০ " |
| (৯) | নগৰ সেৱা | " | ৯১ " | ৫৭ " |
| | | মুঠ | ৫৪৬ খন | ৩২৫ খন |

(খ) ১৯৯০-৯২ চনৰ বিত্তীয় বছৰটোত পৰিবহন নিগমৰ আয়ৰ পৰিমান হৈছে (Cash Receipt) প্ৰায় ১৬৫৫ লাখ আৰু ব্যয়ৰ পৰিমান (Cash Expenditure) হৈছে প্ৰায় ২৫১৬ লাখ টকা।

(গ) বৰ্ত্তমানে নাই কৰা।

## বিষয় ঃ অনুমোদিত আঁচনিৰ কাম।

*শ্ৰীভূপেন ৰায়ে সুধিছে ঃ*

৪৭৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৯০-৯১ চনত সৃজন গ্ৰাম উন্নয়ন খণ্ডৰ অৰ্ন্তগত বি, এল, চি, চি, কমিটি আৰু গোৱালপাৰা জিলা গ্ৰাম্য উন্নয়ন বিভাগৰ প্ৰশাসনীয় কমিটিয়ে অনুমোদন জনোৱা কিমানটা আঁচনি বৰ্ত্তমানলৈ সম্পূৰ্ণ হৈ উঠা নাই?

(খ) উক্ত আঁচনি সমূহৰ অনুমোদিত ধন (P.D., D.R.D.A.) গোৱালপাৰা কেতিয়া মোকলাই দিব?

(গ) উক্ত আঁচনি সমূহৰ কাম কেতিয়া সম্পূৰ্ণ হৈ উঠিব?

*শ্ৰীআফজালুৰ ৰহমান* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) তিনিটা।

(খ) ১৯৯১-৯২ চনত এই আঁচনি কেইটা কাৰ্য্য কৰি কৰিবলৈ লোৱা হৈছে।

(গ) ১৯৯২-৯৩ বিত্তীয় বছৰত।

## Re : Scheme of Khadi & Village Industries.

*Shri Kamal Brahma* asked :

480. Will the Minister of Khadi & Village Industries be please to state :

(a) Whether the Government will be pleased to undertake establishment of Khadi & Village Industries in the Bodo people dominated areas of the State?

*Shri Shio Shambhu Ojah* (Minister) replied :

(a) Yes, Khadi & Village Industries Schemes have been undertaken in the Bodo people dominated areas in the State by establishing Departmental centres as well as by giving financial assistance to the local beneficiaries.

**বিষয় ঃ সৰুপথাৰ সমষ্টিত উপ-স্বাস্থ্য কেন্দ্ৰ সংখ্যা।**

*শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ*

৪৮১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাৰ সৰু পথাৰ সমষ্টিত বৰ্ত্তমানলৈ কিমান স্বাস্থ্য উপকেন্দ্ৰ মঞ্জুৰ হৈছে?

(ক) কিমানটা মুকলি কৰা হ'ল?

(গ) মুকলি কৰা উপ স্বাস্থ্য কেন্দ্ৰ সমূহত চৰকাৰী মতে স্থানীয় বা উপ-স্বাস্থ্য কেন্দ্ৰৰ যুৱতী বাচনী কৰি প্ৰশিক্ষণ দিয়াই নিযুক্তি দিয়া হৈছে নে?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৪৭ খন উপ-স্বাস্থ্য কেন্দ্ৰ মঞ্জুৰ কৰা হৈছে।

(খ) ২৯ খন মুকলি কৰা হৈছে।

(গ) সকলোবোৰতে হোৱা নাই।

**বিষয় ঃ ৩০ খন বিছনাযুক্ত প্ৰাথমিক চিকিৎসালয়।**

*শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ*

৪৮২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাত ৩০ খন বিচনাযুক্ত ২ খন আৰু ৫ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্বাস্থ্য বিভাগৰ সচিবালয়ৰ পৰা চিঠি নং (P.D., D.R.D.A.) যোগে গড়কাপ্তানী (গৃহ) বিভাগলৈ আৰু গোলাঘাট/যোৰহাট মুখ্য স্বাস্থ্য বিষয়ালৈ (Plan and estimate) বিচৰা হয় নে?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয়।

## Re : Bhergaon Development Block.

*Shri Karendra Basumatary* asked :

483. Will the Minister of Panchayat & Raural Development be pleased to state :

(a) Why the Government has not opened the Bhergaon Development Block in Darrang District?

(b) Whether the Government will create a Development Block at Dimakuchi in panery constituency?

*Shri Afzalur Rahman* (Minister) replied :

(a) For want of infrastructral difficulties the opening of Bhergaon Development Block could not be taken up.

(b) No dicision has yet been taken.

## বিষয় ঃ অধীক্ষক নথকা চিকিৎসালয়।

*শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ*

৪৮৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ জুন/জুলাই মাহৰ পৰাই বৰপেটা অসামৰিক চিকিৎসালয়ত অধীক্ষক নথকা কথাটো সঁচানে?

(খ) যদি সঁচা কাৰণ কি?

(গ) অধীক্ষক নিযুক্তিসহ চিকিৎসালয়খন উন্নত কৰাৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি কৰে কিমান দিনৰ ভিতৰত?

*শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা* (মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) সঁচা।

(খ) বৰপেটা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক জনৰ মাতৃ বিয়োগ হোৱাৰ কাৰণে ৯/৫/৯১ তাৰিখৰ পৰা আৰ্জিত ছুটি লয়। তেওঁৰ ঠাইত নতুন অধীক্ষক দিয়া হোৱা নাই।

(গ) অতি সোনকালেই অধীক্ষক নিযুক্তি দিয়াৰ আৰু চিকিৎসালয় খন উন্নত কৰাৰ কাৰণে যাৱতীয় ব্যৱস্থা লৈ থকা হৈছে।

(ঘ) সোনকালে কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

## বিষয় ঃ গাওঁ পঞ্চায়ত ভৱন।

*শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ*

৪৮৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ প্ৰতিটো পঞ্চায়ত এলেকাত কাৰ্য্যালয় ভৱন আছেনে?

(খ) যদি আছে কিমান?

(গ) যদি নাই, প্ৰতিটো এলেকাৰ বাবে কাৰ্য্যালয় ভৱন নিৰ্ম্মাণ কৰা হবনে?

(ঘ) যদি কৰা হয় কেতিয়া নিৰ্ম্মান কাৰ্য্য কৰা হ'ব?

*শ্ৰীআফজালুৰ ৰহমান* (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) ১৯৭২ চনৰ অসম পঞ্চায়তী ৰাজ আইন মতে গঠন কৰা ৭১৪ খন গাওঁ পঞ্চায়তৰ কাৰ্য্যালয় আছে। বৰ্ত্তমান ১৯৮৬ চনৰ অসম পঞ্চায়তী ৰাজ আইন মতে গঠন কৰা মুঠ গাওঁ পঞ্চায়তৰ সংখ্যা হ'ল ২৪৮৫। নতুনকৈ গঠন কৰা গাওঁ পঞ্চায়ত এলেকাত কাৰ্য্যালয় ভৱন নাই।

(গ) আৰু (ঘ) নতুনকৈ গঠন কৰা গাওঁ পঞ্চায়ত এলেকাৰ ভৱন নিৰ্ম্মাণৰ বাবে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে আৰু এই মৰ্ম্মে প্ৰত্যেক সংশিষ্ট উপায়ুক্ত/মহকুমাধীপতিক যাৱতীয় নিৰ্দেশ দিয়া হৈছে। যাৱতীয় মাটি আবন্টন আৰু পুঁজি সাপেক্ষে নিৰ্ম্মাণ কাৰ্য্য সম্পন্ন কৰা হব।

## Re : Bodo Kachari people of Karbi Anglong.

*Shri Parameswar Brahma* asked :

486. Will the Hon'ble Minister, WPT & BC reply:

(a) Whether it is a fact that the Bodo Kachari people of Karbi Anglong do not enjoy benefits as entitled to ST people?

(b) If so, steps have been taken by the Government for in-

★ *Speech not corrected*

cluding Bodo Kachari people living there in Karbi Anglong into the ST(H) list?

(c) If not, why?

*Shri Borgoram Deuri* (Minister) replied :

(a) As per the Scheduled Castes & Scheduled Tribes orders (Amendment) Act, 1976, there are 14 tribes who are listed as tribes in the Autonomous Districts of Assam. Bodo Kacharies are not included as one in the list. Their names figure among the nine Tribes listed in the State of Assam excluding Autonomous Districts.

(b) & (c) The matter regarding inclusion of Bodo Kacharies in the list of Tribals in the Autonomous Districts has been referred to the Director, Assam Institute of Research for Tribals & Scheduled Casted and the matter is now under his examination. On receipt of the report from the Director, Assam Institute of Research for Tribals & Scheduled Castes the matter will be reexamined by the Government for taking necessary action on the same.

## Re : Financial Adviser of P.T.C.A.

*Shri Parameswar Brahma* asked :

487. Will the Minister of WPT be pleased to State :

(a) Is there any financial adviser in the office of the Plains Tribal Development Corporation?

(b) If so, when was he appointed?

(c) Is he a retired person?

(d) Whether his service was extended?

(e) If so, for what period?

(f) How much is he paid in a month by the Corporation's expenditure for Car, fuel, rent and personal peon?

*Shri Borgoram Deuri* (Minister) replied :

(a) Yes.

(b) 1-8-89.

(c) Yes.

(d) Yes.

(e) The term of appointment was once extended for one year from 1-8-90 to 31-7-91 and then for another 3 years from 1-8-91 to 31-7-94.

(f) Monthly consalidated remuneration Rs. 2394/- from 1-8-89 to 29-2-92. Monthly enhanched conselidated remuneration Rs. 3735/- allowed from 1-3-92. Car and fuel No. Car is alloted to him. Rent Rs. 1000/- in total upto 28-3-92. Personal Peon Rs. 9150/- was paid to the Banglow Peon from August/90 till date.

***Mr. Speaker :*** Now Question hour is over. I have received as good as ll Zero hours notices and out of which I have selected 3. I have received a Zero Hour notices from the Hon'ble Member, Dr. Kamala Kalita on a news item published in "Ajir Asom" dated 2-4-92 under the caption "বন বিভাগৰ দ্বাৰা ভূমিহীন কৃষকৰ ঘৰত আগ্নি সংযোগ। Now I call Upon the Hon'ble Member, Dr. Kamala Kalita to speak on the Discussion During Zero Hour.

## DISCUSSION DURING ZERO HOUR.

★ ***ডাঃ কমলা কলিতা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালিৰ 'আজিৰ অসম' বাতৰি কাকতত প্ৰকাশ হোৱা 'বন বিভাগৰ দ্বাৰা ভূমিহীন কৃষকৰ ঘৰত অগ্নি সংযোগ' শীৰ্ষক বাতৰিটোৰ প্ৰতি মই মাননীয় মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, এই চৰকাৰ যে জনজাতি বিৰোধী কাৰ্য্য কলাপত লিপ্ত হৈছে তাৰ জলন্ত উদাহৰণ হৈছে এইটো। চাৰ, ছয়গাওঁ ৰাজহ চক্ৰৰ অধীনত, বামনিগাওঁ আঞ্চলিক বন বিষয়াৰ অধীনৰ ফালাঘাট নামৰ গাৱত থকা ৬ টা জনজাতিয় লোকৰ পৰিয়ালৰ ঘৰত বন বিভাগৰ দ্বাৰা অগ্নি সংযোগ কৰি যি অৱৰ্ণনীয় অত্যাচাৰ চলালে তাক বৰ্ণনা কৰিব নোৱাৰি। এই পৰিয়াল কেইটা বহু বছৰ ধৰি এই বন গাওঁখনত বসবাস কৰি আছিল। ঘৰ মাটি, বস্তি কৰি আছিল বহু যুগৰ পৰা। কিন্তু হঠাতে, ঘৰত পুৰুষ সকল নথকা অৱস্থাত,

★ *Speech not corrected*

তেওঁলোকৰ ঘৰত অগ্নি সংযোগ কৰা হ'ল, তেওঁলোকক অমানবীয় ভাৱে উচ্ছেদ কৰা হ'ল। বন বিভাগে কিন্তু এই পৰিয়াল কেইটাৰ পৰা পাবলগীয়া কৰ কাটল পায় আছিল। তেওঁলোকে ১৯৯১-৯২ চন পৰ্য্যন্ত বন বিভাগক ৰাজহ দি আছে তাৰ নথিপত্ৰ মোৰ হাতত আছে। তেওঁলোকে দেয় ধন দিয়াৰ পিচত, ইমান বছৰ নিয়ম মতে বনগাৰত বস বাস কৰাৰ পিচত কিয় হঠাতে জুই লগাই উচ্ছেদ কৰা হ'ল? ইয়াৰ এটা সঠিক অনুসন্ধান কৰি উচিত ব্যৱস্থা গ্ৰহন কৰিব লাগে। চাৰ, এই পৰিয়াল কেইটাৰ এতিয়া একো নাই, ঘৰ নাই, বাৰীৰ তামোল-পান, কঠাল সকলো কাটি পেলোৱা হৈছে। এতিয়া এই মানুহখিনিক ৰাষ্টাত থাকিব লগা হৈছে। এনে ধৰণৰ বৰ্বৰ অত্যাচাৰৰ যদি বিচাৰ কৰা নহয় তেন্তে আমি এই মানুহখিনিক বেয়া পথলৈ ঠেলি দিয়া হব। এই পৰিয়াল কেইটাক কোনো ধৰণৰ আগজাননী নিদিয়াকৈয়ে উচ্ছেদ কৰা হৈছে, তাকো ঘৰত পুৰুষ সকল নথকা অৱস্থাত। অভিযোগ পোৱা মতে বন বিভাগৰ লোকে মহিলা সকলকো অত্যাচাৰ কৰে। অধ্যক্ষ মহোদয়, এই আঞ্চলিক বন বিষয়া জনে অতি দূৰ্নীতি গ্ৰস্ত লোক বুলি জনাজাত। তেওঁ কাঠ চুৰ কৰি বাহিৰত বিক্ৰী কৰে। এবাৰ এই বিষয়ে ডি, এফ, অ'ই অনুসন্ধান কৰিছিল। মোহন ৰাভা নামৰ এজন মৃত ব্যক্তিৰ পট্টাৰ গছ বিক্ৰী কৰা দেখুৱাইছে। এই মোহন ৰাভা বোলা লোকজন ৩ বছৰৰ আগতেই মৰিছে। এই দূৰ্নীতি গ্ৰস্ত বিষয়া জনে নিজৰ দূৰ্নীতি ঢাকিবলৈ গৈ এই ৬ টা নিৰীহ জনজাতি পৰিয়ালক নিস্বঃ কৰি পেলাইছে। উপাধক্ষ্য মহোদয়, এই গোটেই বিষয়টোৰ প্ৰতি মই মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই বিষয়ত যথোপযুক্ত বিচাৰ মই মাননীয় মুখ্যমন্ত্ৰীৰ পৰা আশা কৰিছো।

(Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied)

***Mr. Deputy Speaker :*** Now, I call Hon'ble Chief Minister to speak.

★ ***হিতেশ্বৰ শইকীয়া*** (মুখ্যমন্ত্ৰী) **ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বাতৰিটো কাকতত প্ৰকাশ কৰাৰ পাচতেই বিভাগে এটা তদন্ত কৰিছিল। সেই তদন্ত মতে এই ৬ টা পৰিয়াল এভিকচন কৰাটো সঁচা। এই ৬ টা পৰিয়াল এই ফৰেষ্টত স্থায়ী বাসিন্দা নহয়। যোৱাবাৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱা কিছুমান লোকে ৰিজাৰ্ভ ফৰেষ্টত গছ গছনি কাটি বসবাস কৰিবলৈ গৈছিল। ৰিপোৰ্ট মতে এই বছৰ নতুনকৈ ঘৰ সাজিছিল। বাতৰি কাকতত প্ৰকাশ পোৱা মতে তাত তামোল, নাৰিকল গছ আদি একো নাই। তাৰোপৰি ঘৰ জ্বলোৱা প্ৰমানো নাই। এভিকচনৰ যিটো কথা উঠিছে, তেওঁলোকে ঠেলা গাড়ীৰে নিজে বস্তু বিলাক লৈ গুছি গ'ল। বাতৰিত প্ৰকাশ পোৱা কথাটো সত্য নহয়।

---

★ *Speech not corrected*

★ *ডাঃ কমলা কলিতা ঃ* মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিটো স্পষ্টিকৰণ দিছে একেবাৰে অসত্য। বিভাগক ৰক্ষা কৰিবৰ কাৰণে প্ৰতিক্ষা দিছে। সকলোৱে এই বিষয়টো জানে গতিকে বিষয়টো নতুনকৈ চাব লাগে। ফৰেষ্ট বিভাগে এই এলোটমেন্ট দিয়ে আৰু ৰেভিনিউ লয়। অগ্নিসংযোগ হোৱা কথাটো সত্য। যিদিনা খন তাত অগ্নি সংযোগ হয় সেই দিনাই বহুলোকে মোক কথাটো জনায়। এই কথা বহুতে জানে। তেওঁলোকে বহু জন তাত থকাটো সত্য। কাৰণ তেওঁলোকে তাত থাকি ৰেভিনিউ দিয়া ৰচিদ এতিয়াও মোৰ হাতত আছে। প্ৰয়োজন হলে দিব পাৰিম। অগ্নি সংযোগৰ ৰিপোৰ্ট পোৱাৰ পাচতেই এই বিষয়ে বিভাগত মই জনাইছিলো। বিভাগে নিজকে ৰক্ষনাবেক্ষন দিবলৈকে এনে তথ্য দিছে। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো, সঠিক তথ্য উদ্ধাৰ কৰিবৰ কাৰণে নিশ্চয় ব্যৱস্থা লব।

★ *হিতেশ্বৰ শইকীয়া* (মুখ্যমন্ত্ৰী) ঃ এইটো ৰিপোৰ্টৰ আগতে দিয়া তথ্য। বাতৰি কাকতত ওলোৱাৰ পাচত ৰিপোৰ্ট দিছে। তাৰ ওপৰত কৈছো। মাননীয় সদস্য গৰাকীয়ে যদি বিছাৰে আকৌ তদন্ত কৰিম।

★ *ডাঃ কমলা কলিতা ঃ* বাতৰি কাকতত ওলোৱাৰ আগতে মই প্ৰিনসিপাল, চিফ এডিচনেলক টেলিফোন কৰিছিলো। এই তথ্য তেওঁলোকৰ জৰিয়তেই পঠোৱা হৈছে। তেওঁলোকে নিজক ৰক্ষনাবেক্ষন দিবই। গতিকে কাক পঠাব লাগে মই নকও। কিন্তু এনেকুৱা অফিচাৰৰ দ্বাৰা তদন্ত কৰিব লাগে যিয়ে সঠিক তথ্য উদ্ধাৰ কৰিব পাৰে।

★ *হিতেশ্বৰ শইকীয়া* (মুখ্যমন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে নিজৰ কথাত নিজেই বান্ধ খাইছে। মাননীয় অধ্যক্ষ মহোদয়, বিভাগৰ তদন্ত যদি সত্য নহয়, গতিকে তেওঁ বিভাগক কব নালাগিছিল।

(Mr. Speaker returned to the House and occupied the chair)

***Mr. Speaker :*** I have received another 'Zero House Notice' from the Hon'ble Members Shri Chandra Mohan Patowari, Shri Hiteswar Deka and Shri Ramendra Narayan Kalita on the news item published in the "North-East Times" dated 2.4.92 under the caption "Tea Stalls to remain closed in protest today".

★ *শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ* মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি নৰ্থ-ইষ্টাৰ্ন টাইম বাতৰি কাকতত প্ৰথম পৃষ্ঠাত যিটো বাতৰি প্ৰকাশ পাইছে তাত কোৱা হৈছে যে গুৱাহাটীৰ চাহৰ দোকানত গাখীৰৰ মূল্য বৃদ্ধি পাইছে। এটা কথা দেখি আচৰিত হব যে গেঞ্জী, লুঙী, জুই শলা আদিৰ ওপৰতো টেক্স লগোৱা হৈছে। (সদনত হাঁহিৰ ৰোল)।

---

★ *Speech not corrected*

মাননীয় অধ্যক্ষ মহোদয়, গেঞ্জী, লুঙীৰ কথা ক'লে সকলোৱে হাঁহি থাকে, কোনোৱে কথাবিলাকৰ ওপৰত গুৰুত্ব নিদিয়ে। (সদনত হাঁহি) অধ্যক্ষ মহোদয়, এনেকৈ হাঁহি থাকিলে মই কেনেকৈ কথা কওঁ, কথাবিলাকৰ ওপৰত গুৰুত্ব দিব লাগে। এতিয়া কথা হ'ল গেঞ্জী লুঙী জুইশলাৰ ওপৰত টেক্স লগাইছে কিন্তু চাহবাগিছাত টেক্স ৰেহাই দিছে। শেহতীয়াকৈ দেখা গ'ল দোকানৰ গাখীৰৰ মূল্যয়ো বৃদ্ধি কৰি দিলে। যোৱা কালি মই আমাৰ কেন্টিনত চাহ খাবলৈ গৈছিলো, আপোনালোকৰ দুজন মন্ত্ৰী আছিল। দোকানত সুধিলো মিঠাই আছেনে? চাৰ মিঠাই আৰু অসমত নোহোৱা হব। তেওঁ কলে, কিয় মিঠাই নোহোৱা হব? দোকানীয়ে কলে গাখীৰৰ দাম বঢ়াৰ পাচত মিঠাই আৰু ক'ত পাব? মন্ত্ৰী দুগৰাকীৰ ভাগৰ লাগি চাহ খাবলৈ গৈছিল কিন্তু ঘূৰি আহিল। আমি এম, এল, এ, মানুহ আমাৰ কথা বাদেই। এতিয়া এনেকুৱা হ'ল ঘৰত আলহী আহিলেও মিঠাই এটা দিবলৈ নাই। সঁচাকৈয়ে বৰ লাজৰ কথা হৈছে। চৰকাৰ খনে চাৰিওফালে কিহৰ অত্যাচাৰ লগাইছে। সাধাৰণ ৰাইজে ব্যৱহাৰ কৰা খাদ্য-সামগ্ৰীৰ ওপৰত টেক্স লগাইছে। (ভয়চঃ দৰ্মহা বৃদ্ধি হৈছে) দৰ্মহা ক'ত বৃদ্ধি হৈছে। দৰ্মহা বৃদ্ধি হোৱা নাই। বৃদ্ধিকৰণ আপোনালোকেহে কৰিছে, টেক্স বৃদ্ধি, গাখীৰৰ দাম বৃদ্ধি, কিন্তু উন্নয়ন মূলক কাম বৃদ্ধি হোৱা নাই। মূখ্য মন্ত্ৰীৰ বাহিৰে বাকী সকলোৱে (এইটো বৃদ্ধি) হৈছে (সদনত সদস্য গৰাকীয়ে পেটলৈ আঙুলীয়াইছে) এইটো বৰ দুখেৰে সৈতে কবলৈ ওলাইছে যে আপোনালোকে গাখীৰৰ ওপৰত দাম কিয় বৃদ্ধি কৰিলে? এই গাখীৰৰ লগত সৰু সৰু চাহ দোকানৰ লগত জড়িত হৈ আছে। আৰু এই চাহদোকান বিলাকৰ লগত এচাম দুখীয়া ৰাইজ জড়িত হৈ আছে। ৫ তাৰকাযুক্ত হোটেলৰ দাম বৃদ্ধি কৰক, তেওঁলোকৰ একো অসুবিধা নহয়, তেওঁলোকে কাপে প্ৰতি চাহত ৫ টকাকৈ লয়, লাগিলে আৰু দুকটা বঢ়াই দিব, কাৰো একো ক্ষতি নাই। কিন্তু এই সৰু সৰু চাহদোকান বোৰত চাহ কোনে খাই? দুখীয়া ৰাইজে আৰু তাত যিবিলাক লৰাই গিলাচ ধোৱে কাম কৰে, সেই দুখীয়া ল'ৰাখিনি হৈছে গাৱৰ পৰা অহা দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোক। গতিকে তেওঁলোকক ক্ষতি কৰিছে। এই দোকান বিলাকতে সাধাৰণ কাম কৰা লোক সকলে মিনিমাম যিখিনি ৰিফ্ৰেচমেন্ট পাই তেওঁলোকৰ সেই খিনিয়ো কাঢ়ি লোৱা হৈছে। গতিকে সাধাৰণ মানুহৰ ওপৰত বহুত অত্যাচাৰ হৈছে এইটো কিন্তু ভাল হোৱা নাই। কৰবাত গাড়ীখন থৈ গণেশগুড়ীতে বজাৰ কৰি আহিবৰ সময়ত দেখিলো এজন ল'ৰাই দুটকা বিচাৰিলে, মই যেতিয়া জানিব বিচাৰিলো দুকটা কিয় লাগে তেতিয়া ক'লে আপুনি গাড়ীখন ইয়াত থৈছিলে। এতিয়া দেখিছো কেইদিনমান পিচত কৰবাত যদি থিয় হৈ থাকো তাৰ পিচতো দেখিব ৫ টকা বিচাৰিছে। কিহৰ পইচা- হাৰা খোৱা পইচা।

★ *Speech not corrected*

আপোনালোকে যি দেখিছো চিজনৰ ওপৰতো টেক্স লগাব। আপোনালোকে হাঁহি থাকে, এই হাঁহি দেখিলে মোৰ দুখ লাগে। আপোনালোকে খঙো নকৰে, কথাবোৰ চিৰিয়াচলিয়ো নলয়, সঁচাকৈ বৰ লাজ পাইছো।

★ ***শ্ৰীদিলীপ শইকীয়া সোনোৱাল ঃ*** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে হাঁহি হাঁহিয়েই কৈ থাকে।

★ ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই হাঁহি হাঁহি কলেও কিন্তু কথা বিলাক চিৰিয়াচলি কও। এই কথাবিলাক বৰ দুখ লগা কথা। কোনো চিৰিয়াচ নহয় কিয়। অলপ লাজ কৰি দেখুৱাব লাগে কিন্তু নকৰে। হাঁহি থকা মানে চিৰিয়াচ নহয়।

★ ***শ্ৰীদিলীপ শইকীয়া সোনোৱাল ঃ*** অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে হাঁহি হাঁহিয়েই কয়।

★ ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ*** অধ্যক্ষ মহোদয়, মই হাঁহি কওঁ যদিও মই চিৰিয়াচনেচ উপলব্ধি কৰো। এখেতসকলে হাঁহে কিন্তু চিৰিয়াচনেচ নাই। আপুনি চিৰিয়াচলি শুনি থাকে কিন্তু ৰুলিং নিদিয়ে। এইটোও জানে যে ৰুলিং দিলে বেয়া হব। সেইটো ইন্টাৰনেল কথা আছে। তেনেকুৱা কথাত ৰুলিং দিলে চাৰৰ চাকৰিৰ গোলমাল হৈ যাব পাৰে। সেই কাৰণে দিব নোৱাৰে। আমাক কিন্তু কিছু কিছু কথা জানিবলৈ নিদিয়ে। যেনে নিমখ আনিবলৈ দিয়া নাই।

***মাননীয় অধ্যক্ষ ঃ*** গাখীৰ আনিবলৈ দিছো।

★ ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ*** গাখীৰ দিছে আনিবলৈ কিন্তু গাখীৰে সৰ্ব্বসাধাৰণে ৰাইজক ভালপোৱা বুলি কৈ থাকে যদিও তাৰ কোনো লক্ষণ কাম বিলাকত দেখা নাই। আচলতে ভাল পালে চিৰিয়াচ হ'লহেতেন। আজি সদনলৈ আহোতে কেইজনমান মানুহে কৈছে যে চৰকাৰে কি কৰিছে সাধাৰণ লোকৰ কাৰণে। মই কৈছো যে এইটো চৰকাৰৰ নীতিৰ কথা। আপোনালোকে জাঙ্গিয়া, গেঞ্জী লুঙিৰ ওপৰত টেক্স লগাইছে। মই কৈছো কি কৰিব উপায় নাই। এই টেক্সৰ হেঁচা পৰিব সাধাৰণ মানুহৰ ওপৰত। সেইটো ৰোধ কৰিব লাগিব। মই গাখীৰৰ মূল্যবৃদ্ধিৰ ক্ষেত্ৰত আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যেন এই টেক্সৰ কথাটো চিৰিয়াচলি লয় আৰু অসমৰ জনসাধাৰণৰ আৰ্থিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিজন লোকৰ ইনকামৰ প্ৰতি লক্ষ্য ৰাখি নিত্যব্যৱহাৰ্য্য সামগ্ৰীৰ ওপৰত যিখিনি টেক্স লগাইছে সেইখিনি উঠাই লোৱাৰ ব্যৱস্থা লয়। এ, জি, পি, চৰকাৰৰ দিনতো কিছু কিছু বস্তুৰ মূল্য বৃদ্ধি হৈছিল কিন্তু পিচত কিছু কিছু সংশোধনো হৈছিল। সেই কাৰণে মই নিত্য ব্যৱহাৰ্য্য বস্তুৰ ওপৰত টেক্স উঠাই লবলৈ অনুৰোধ

★ *Speech not corrected*

কৰিছো। এইটোৰ কোনো উত্তৰ ইয়াত দিব নালাগে কিন্তু কাৰ্য্যতঃ সেইটো কৰিব বুলি আশা কৰিলো। তাৰ পিচত গাখীৰৰ মূল্য বৃদ্ধি কমাব নে নাই সেইটোৰ ওপৰত এটা স্পষ্টীকৰণ দিব লাগে। অসমৰ যিখিনি দুখীয়া মানুহে চাহদোকানত কাম কৰে বা যিখিনি লোকে চাহদোকান দি খায় সেই সৰ্ব্বসাধাৰণ ৰাইজক বিপদত পৰা ৰক্ষা কৰিবলৈ এই কথাখিনিৰ উত্তৰ আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা বিচাৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★ ***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰিবলৈ ওলাইছো। ইতিমধ্যে মাননীয় সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই এটা বিতং ব্যাখ্যা দাঙি ধৰিছে। কিন্তু কথা হৈছে এতিয়া অসমৰ বজাৰত খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধিৰ প্ৰতিযোগিতা চলিছে। যাৰ যি মন যায় তাকে কৰি আছে। এই ক্ষেত্ৰত চৰকাৰ নিৰব। চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা আজিলৈকে লোৱা দৃষ্টিগোচৰ হোৱা নাই। আজি খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি হৈছে। ইয়াৰ পৰা গাখীৰো ৰেহাই পোৱা নাই। আমি যদি উভতি চাওঁ তেনেহলে দেখা যাব যোৱা বছৰ দুবাৰ গাখীৰৰ মূল্যবৃদ্ধি কৰা হৈছিল। ৮ টকা হৈছিল ৬-৬০ টকাৰ পৰা। এতিয়া ৮ টকাৰ পৰা ১০ টকা হৈছে। এই কাৰণে গাখীৰৰ মূল্যবৃদ্ধিয়ে দুখীয়া সৰ্ব্বসাধাৰণ মানুহৰ মূৰত ৰামটাঙোন মাৰিছে। যি বিলাক সৰু সৰু হোটেল বা চাহ দোকান আছে সেই বিলাকেও ১০ টকাত গাখীৰ কিনিবলগীয়া হৈছে। যোৱা কালি বৃহত্তৰ গুৱাহাটীৰ চাহদোকান আৰু হোটেলৰ মালিক কৰ্ম্মচাৰী সকলে বন্ধ পালন কৰিছে। গাখীৰৰ দাম বৃদ্ধি হোৱা কাৰণে গাখীৰ নিকিনি ফিকা চাহকে দিয়াৰ ব্যৱস্থা কৰিছে। গুৱাহাটী ৰাজধানীত বিভিন্ন প্ৰান্তৰ পৰা অসমৰ লোক ইয়ালৈ আহে মন্ত্ৰী বিধায়কক লগ কৰিবলৈ কিন্তু সেই সকলে চাহ পাব ক'ৰ পৰা। ফিকা চাহকে খাব লাগিব।

★ ***শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ*** ৰাজধানী গুৱাহাটী নে দিশপুৰ।

★ ***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ*** দিশপুৰ মানেই গুৱাহাটী। এতিয়া গাখীৰৰ মূল্য বৃদ্ধি হোৱাৰ ফলত জনসাধাৰণৰ এই অৱস্থা হৈছে। আনকি শিশু সকলো গাখীৰ খোৱাৰ পৰা বঞ্চিত হৈছে। কিয়নো জনসাধাৰণৰ তেনে সম্বল নাই। অথচ চৰকাৰ নিৰব হৈ আছে। গাখীৰৰ দাম ১০ টকা কমাব লগে লগে কিয় চৰকাৰে ব্যৱস্থা লোৱা নাই তাতহে আচৰিত হৈছো। এই ক্ষেত্ৰত চৰকাৰে যোগাত্মক ব্যৱস্থা লব লাগে। দ্বিতীয়তে ৰোগী সকলক ডাক্তৰে প্ৰায়ে গাখীৰ খাবলৈ পৰামৰ্শ দিয়ে। কিন্তু আজি ৰোগী সকলেও গাখীৰ খোৱাৰ পৰা বঞ্চিত হব লগীয়া হৈছে। চৰকাৰে কোনো ব্যৱস্থা নোলোৱাৰ কাৰণে অতপালী অৰাজকতা বৃদ্ধি হৈয়েই থাকিব আৰু খাদ্য বস্তুৰ দাম বৃদ্ধি হৈয়েই থাকিব। এই ক্ষেত্ৰত

---

★ *Speech not corrected*

কঠোৰ ব্যৱস্থা চৰকাৰে লব লাগে। গাখীৰৰ দাম দহ টকাৰ পৰা আকৌ আগৰ দামলৈ নিয়াৰ ব্যৱস্থা কৰিব লাগে। সেই মতে নিৰ্দ্দেশ জাৰি কৰিব লাগে এই ক্ষেত্ৰত নিয়ম ভংগকাৰীৰ ওপৰত কঠোৰ ব্যৱস্থা লব লাগে। এই খিনি কৈয়েই সামৰণি মাৰিছো।

★ ***শ্ৰীহিতেশ্বৰ ডেকা ঃ*** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে এই বিষয়টোৰ ওপৰত সদনত দুগৰাকী মাননীয় সদস্যই দীঘলীয়াকৈ কৈছে। পুনৰ বিৰক্তি কৰি মই আমনি দিব খোজা নাই। আচলতে এই বাজেট বক্তৃতাৰ সময়ত অংশগ্ৰহন কৰি আমি এই বাজেটখন সৰ্ব্বনাশী বাজেট বুলি কৈছিলো। কিয়নো চাউল আৰু ঘেঁহু আৰু ঘেঁহুজাতীয় সামগ্ৰীৰ ওপৰত এই চৰকাৰে কৰ বহুৱাইছে। সেই কাৰণে সৰ্ব্বনাশীয়া বাজেট বুলি কৈছিলো। যিখনে চৰকাৰে চাহবাগানৰ কৰ ৰেহাই দিব পাৰে সেই চৰকাৰে সৰ্ব্বসাধাৰণৰ ব্যৱহাৰ্য্য চাউল আৰু ঘেঁহুজাতীয় সামগ্ৰীৰ ওপৰত কৰ বহুৱাইছে। মই আন্তৰিকতাৰে মুখ্যমন্ত্ৰীক আহ্বান জনাইছো যে ৰাজনৈতিক কথা বাদ দি বিৰোধী পক্ষই কোৱা বুলি নহয় এইটো কৰ কমাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। শেহতীয়া ভাৱে গাখীৰৰ দাম বৃদ্ধি হ'ল আৰু তাৰ হেঁচা পৰিব সাধাৰণ ৰাইজৰ মাজত। আমাৰ মন্ত্ৰী এম, এল, এ সকলৰ ওপৰত কিছু কম কৰিব কিয়নো আমাৰ সকলৰ কলা বগা কিছু অন্ততঃত টকা আছে। সেয়েহে সাধাৰণ ৰাইজৰ ওপৰতহে তাৰ হেঁচা পৰিব। আমি এনে এখন দেশত বাস কৰিছো য'ত আনৰ কথা কলে সাধুকথা যেনহে লাগিব। পাচ মিনিটৰ কাৰণে বিজুলী বাতিৰ লাইন কাটিবলৈকো জাপানত তিনি মাহৰ আগতে জাননী দিয়া হয়। কিবা টেক্স বৃদ্ধি কৰিবলৈ হলে এবছৰৰ আগতে চীনদেশত জাননী দিয়াৰ নিয়ম আছে। আনকি আমৰ ওচৰ চুবুৰীয়া ৰাজ্য পশ্চিম বংগতো তাৰ চৰকাৰে তেনে কিছু ব্যৱস্থা হাতত লোৱাটো আমাৰ পৰিলক্ষিত হৈছে। কিন্তু আমাৰ ইয়াত মূল্যবৃদ্ধিৰ নামত কোনে কত কি কৰিছে তাৰ লক্ষ্য নাইকীয়া হৈছে। গাখীৰৰ দাম যোৱা বছৰত তিনিবাৰ বৃদ্ধি হৈছে। প্ৰথমতে ৬-৬০ টকাৰ পৰা ৭ টকা, তাৰ পিচত ৭ টকাৰ পৰা ৮ টকা। তাৰ পিচত এতিয়া আকৌ ৮ টকাৰ পৰা ১০ টকালৈ বৃদ্ধি কৰা হল। অত্যাবশ্যকীয় সামগ্ৰী এই গাখীৰৰ নিচিনা পুষ্টিকৰ খাদ্য এটা মূল্যবৃদ্ধি কাৰণে জনসাধাৰণে ভোগ কৰিব নোৱাৰিব এইটো কেনে কথা হব। ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই ফিকা চাহ খোৱাৰ কথাকে কৈছে। হয় ফিকা চাহ খালে গেষ্টিকৰ কাৰণে ভাল। কিন্তু ভবিস্যত বংশধৰ সকলৰ কাৰণে যদি চৰকাৰে হাঁহি দেখিবলৈ বিচাৰে সেই হাঁহি স্বাস্থ্যৰ ওপৰত নিৰ্ভৰ কৰিব। আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰীৰ স্বাস্থ্য ভাল কাৰণে ৰোগী সকলৰ চিকিৎসা খাদ্যৰ চিন্তা নকৰে, শিশু সকলৰ খাদ্যৰ কথা চিন্তা নকৰে। ৰোগীয়ে পায় মাত্ৰ ৯.৩০ টকা।

---

★ *Speech not corrected*

*মাননীয় অধ্যক্ষ ঃ* গাখীৰলৈ আহক।

★ *শ্ৰীহিতেশ্বৰ ডেকা ঃ* আনকি এনে অৱস্থা হৈছে যে গৰ্ভৱতী মহিলাই চিকিৎসালয়লৈ যাওঁতে কপাহ বেণ্ডেজ আদি লগত লৈ যাবলগীয়া অৱস্থা হৈছে। গাখীৰৰ মূল্যবৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰে ততালিকে ৰাজনৈতিক চিন্তাধাৰা বাদ দি এই মূল্যবৃদ্ধি ৰোধ কৰি গাখীৰৰ দামকমাই সৰ্ব্বসাধাৰণ মানুহে পাব পৰাকৈ শিশু সকলৰ কাৰণে পাব পৰাকৈ সক্ৰিয় ব্যৱস্থা লব বুলি আশা ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★ *শ্ৰীনগেন শৰ্ম্মা ঃ* অধ্যক্ষ মহোদয়, এই বিষয়টো সঁচাকৈ বৰ গুৰুত্বপূৰ্ণ বিষয়। কাৰণ গোটেই গুৱাহাটী মহানগৰীৰ চাহ দোকান সমূহ বন্ধ হৈ গৈছে। গুৱাহাটীৰ মানুহে আজি গাখীৰ খাব পৰা নাই। প্ৰতি লিটাৰত ১০ টকালৈ দাম বৃদ্ধি পাইছে। মোৰ বোধেৰে দাম বৃদ্ধিৰ কাৰণে জগৰীয়া হৈছে যোগান বিভাগ। যোগান বিভাগৰ ব্যৰ্থতাৰ কাৰণে আজিৰ প্ৰায় বিলাক খাদ্য সামগ্ৰীৰে দাম বৃদ্ধি পাইছে। যোগান বিভাগৰ কোনো সুস্থ নীতি নাই। অৱশ্যে গাখীৰৰ দাম বৃদ্ধি কৰিছে গো-পালক সন্থাই। গো-পালক সন্থাক সুলভ মূল্যত বস্তু যোগান ধৰিব নোৱাৰা কাৰণে তেওঁলোকে বাধ্য হৈ গাখীৰৰ দাম বৃদ্ধি কৰি দিছে। গৰুৰে খোৱা সামগ্ৰী সমূহৰ দাম বাঢ়ি যোৱা কাৰণে গাখীৰৰ দাম বঢ়াই দিছে। আপোনালোকে জানে পাঞ্জাৱতেই আটাইতকৈ বেছি গাখীৰ উৎপাদন হয়। কিন্তু সেই পঞ্জাৱতো আৰু দিল্লীতো মিঠাই বনোৱা বন্ধ কৰি দিছে। কাৰণ গাখীৰ হৈছে শিশু খাদ্য। আমাৰ অসমতো পশু পালন বিভাগে এদিনৰ কাৰণে মিঠাই বনোৱা বন্ধ কৰি দিব লাগে কাৰণ আমি গাখীৰৰ পৰা যিমান লাভবান হও মিঠাইৰ পৰা সিমান নহয়। এই সম্পৰ্কত যিখন মিল্ক কন্ট্ৰোল এক্ট আছে। সেইখন সোনকালে প্ৰয়োগ কৰিব লাগে।

★ *শ্ৰীনকুল দাস* (পশুপালন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালিৰে পৰা বৃহত্তৰ গুৱাহাটীত চাহ মিঠাই দোকান সমূহ বন্ধ হৈ যোৱাত ৰাইজৰ যি অশেষ কষ্ট হৈছে সেই কথাটো আমি চৰকাৰৰ ফালৰ পৰা উপলব্ধি কৰিছো। গাখীৰৰ দাম তাকো আমি সম্পূৰ্ণ উপলব্ধি কৰিছো মাননীয় সদস্য সকলক মই এইখিনিতে কব বিচাৰিছো গাখীৰৰ দাম চৰকাৰে বৃদ্ধি কৰা নাই। তেনে ধাৰণা দিয়াতো উচিত নহয়। আজি কিছুদিনৰ পৰা বৃহত্তৰ গুৱাহাটী গো পালক সন্থাই গো খাদ্য ঘেঁহু ধান খেৰ ঘাহঁ ইত্যাদিৰ দাম বৃদ্ধি হোৱাত তেওঁলোকে গাখীৰৰ দাম বঢ়াব বুলি জনাই আহিছে। ইতিমধ্যে তেওঁলোকে স্মাৰক পত্ৰ আদিও চৰকাৰক দিছে। আনহাতে, চাহ মিঠাই বিক্ৰেতা সন্থাৰ প্ৰতিনিধি দলেও স্মাৰক পত্ৰ দিছে আমাক দেখা সাক্ষাতো কৰিছে। আমি তেওঁলোকৰ লগত আৰ্থাত দুয়োটা দলৰ প্ৰতিনিধিৰ লগত এনেকৈ তুলনাতীত ভাৱে দাম বঢ়োৱাৰ সিদ্ধান্ত নলবলৈ অনুৰোধ জনাইছো। গোপালক সন্থাই প্ৰতিলিটাৰ গাখীৰত ৮ টকাৰ পৰা ১২

★ *Speech not corrected*

টকা লৈ গাখীৰৰ দাম বৃদ্ধি কৰাটো অতি মাত্ৰা বেছি। তেনেকৈ হঠাৎ দাম বঢ়াত চাহ মিঠাই সন্থাই আপত্তি কৰাটো স্বাভাৱিক। কিন্তু আমাৰ চৰকাৰৰ এই বিষয়টোৰ ওপৰত সদিচ্ছা ও সদ্ভাৱ আছে। বৃহত্তৰ গুৱাহাটী সৰ্ব্বসাধাৰণ ৰাইজৰ যাতে কোনো ক্ষেত্ৰতে কষ্ট নহয় তাৰ কাৰণে আমি নিশ্চয় ব্যৱস্থা হাতত লম আৰু বিষয়টো আমি মুখ্য মন্ত্ৰীৰ লগতো আলোচনা কৰিম। এইটো ঠিক যে গাখীৰৰ দাম বৃদ্ধি কৰাত আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। আনহাতে ঘাহ খেৰৰ দামৰ বৃদ্ধিৰ কাৰণেই যে গাখীৰৰ দাম বাঢ়িছে সেই যুক্তি আমি নুই কৰিব নোৱাৰো সমস্যাটো আলাপ আলোচনাৰ মাজেৰে সমাধান কৰিবলৈ অবিৰত প্ৰচেষ্টা চলাই যাম।

★ ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ*** অধ্যক্ষ মহোদয়, চৰকাৰে যে দাম বৃদ্ধি কৰা নাই কোনোবা এটা এজেন্সিহে কৰিছে সেইটো আমি জানো। কিন্তু খাদ্য বস্তুৰ ওপৰত দাম বৃদ্ধি There are certain act, there are certain rules, there are certain provisions under which the Government take action আপোনালোকে কনজিউমাৰ আইন খন কিয় ৰাখি থৈছে। বয় বস্তুৰ দামৰ ক্ষেত্ৰত কনজিউমাৰ আইন আছে। মই সেই কাৰণে বেয়া পাও, সঠিক উত্তৰ নিদিয়ে। মুখ্য মন্ত্ৰীক সাঙুৰিছে কিয় আৰু। মুখ্য মন্ত্ৰীক লাগিলে আপোনালেকে মন্ত্ৰী কিয় ৰাখি থৈছে। সদায় এভইদিং চিষ্টেমৰ প্ৰশ্ন বিলাকৰ উত্তৰ দিয়ে। সেই কাৰণে মই কৈছো মুখ্য মন্ত্ৰী মহোদয় প্ৰশ্নোত্তৰ কাকত থাকিব লাগে। কাৰণ তেখেতৰ মন্ত্ৰী সকলে কয় যে পইচা নাই। পইচা নাই আপোনালোকে আদায় কৰক। আপোনালোকক তাৰ কাৰণে ৰখা নহলে গাড়ী, ঘোৰা বাংলা দিব। আপোনালোকক কিয় ৰখিলে এনে ধৰণে এভইদিং কৰি গলে আপোনালোকৰ ইমেজটো বেয়া হৈ যাব। আমি সমালোচনা কৰিব লাগে কাৰণে সমালোচনা কৰা নাই। You have got certain principal under certain rules act can be applied. ১৪৪ ধাৰা ভায়োলেট কৰা কৰাণে মাননীয় সদস্য প্ৰমোদ গগৈ আৰু যোৱা কালি নজমুল হকক লাঠিৰে কোবাইছে। Why consumer laws are not maintaind.

★ ***শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ*** আমাৰ যিখন মিল্ক কন্ট্ৰোল এক্ট আছে। সেইখন এক্ট অসমত প্ৰযোজ্য কৰাৰ ব্যৱস্থা কৰিব নে?

★ ***শ্ৰীযতীন মালী ঃ*** অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত মন্ত্ৰী মহোদয়ে যিবিলাক তাত আমি সন্তুষ্ট নহয়। যিহেতু এই বিষয়টোৰ কাৰণে সাধাৰণতে ওপৰত প্ৰেচাৰ পৰিছে। মাননীয় সদস্য সকলে বিষয়টোৰ ওপৰত যি ধৰণে গুৰুত্ব দিছে। চৰকাৰৰ ফালৰ পৰা মন্ত্ৰী মহোদয়ৰ উত্তৰত প্ৰাথমিক পৰ্য্যায়ত তেনে কোনো এনাৰ্জি নাই। সদিচ্ছা সদ্ভাৱ এই বিলাক শব্দই বস্তুটোৰ গুৰুত্বটো হ্ৰাসহে কৰিব। বৃহত্তৰ স্বাৰ্থৰ খাতিৰত অসম চৰকাৰে

---

★ *Speech not corrected*

স্পষ্ট নীতি লব লাগিব। অকল বক্তৃতাৰে গাখীৰৰ দাম কমাব নোৱাৰে। আমি সদনৰ পৰা কি লৈ যাম? আমি বাহিৰত গৈ কি কম? চৰকাৰে কি ব্যৱস্থা লোৱা বুলি কম? এই বিষয়টোৰ গুৰুত্বতা ৰাতিপুৱাতে তেখেতৰ পৰিয়ালেও উপলদ্ধি কৰিছে মোৰ পৰিয়ালেও উপলদ্ধি কৰিছে।

★ ***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী*** **:** মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ চাৰ। তেখেতে আজি গৃহিনীৰ লগত কাজিয়া কৰি আহি সেই কথা কৈছেনে নে বিষয়টো উপলদ্ধি কৰি কৈছে? (সদনত হাঁহিৰ ৰোল)

★ ***শ্ৰীযতীন মালী*** **:** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ ওপৰত উপলদ্ধি কৰিয়েই মই এই কথা কৈছে। আমি গাখীৰ কমকৈ ৰখাৰ সিদ্ধান্ত লৈছো। কাৰণ আমি সেইখিনি আমি কন্ট্ৰল কৰিব নোৱাৰা হৈছো। আমাৰ যিটো আৰনিং চৰ্চ তাৰ ওপৰত নিৰ্ভৰ কৰিহে কৈছো। এই ১০ টকা বৃদ্ধি কৰাটো কোনো যুক্তি সংগত হোৱা নাই। যদিহে গাখীৰৰ দাম ১০ টকা বৃদ্ধি কৰাটো চৰকাৰৰ যুক্তি সংগত হৈছে তেনেহ'লে তাৰ বাখ্যা কৰক। আজি সদনত এই গাখীৰৰ দাম বৃদ্ধি সম্পৰ্কত যথেষ্ট আলোচনা হৈছে আৰু তাৰ পিচত সদিচ্ছা, সদ্ভাৱ, বিবেচনা এই বিলাক ক'লে তাৰ দ্বাৰা গাখীৰৰ দাম নকমিব। বিভাগীয় মন্ত্ৰীৰ এই বিষয়ত আমি স্পষ্ট উত্তৰ বিচাৰিছো তেখেতে আমাক কওঁক যে ৮ টকাৰ পৰা ১০ টকা ইকনমিক প্ৰাইছৰ ওপৰত লক্ষ্য ৰাখিয়েই বৃদ্ধি কৰা হৈছে তেনেকুৱা এটা স্পেচিফিক কওঁক। নহলে এনেয়ে সদিচ্ছা, সদ্ভাৱ, বিবেচনা আদিৰে উত্তৰ দিলে গাখীৰৰ দাম নকমে।

★ ***শ্ৰীনকুল দাস*** (পশুপালন মন্ত্ৰী) **:** মাননীয় অধ্যক্ষ মহোদয়, মই সদনক স্পষ্ট ভাৱে কব পাৰো যে গাখীৰৰ দাম বৃদ্ধি কৰাটো আমি কেতিয়াও সমৰ্থন নকৰো। মাননীয় সদস্য চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ এটা ডাঙৰ গুণ আছে। তেখেতে হাঁহি হাঁহিও কিছুমান চিৰিয়াচ কথা কব পাৰে। তেখেতৰ লগত আমি হাঁহিলেও কথাবোৰ আমি লাইটলি নলওঁ। মুখ্যমন্ত্ৰী মহোদয়ৰ যিটো কথা কৈছে সেইটোৰ ওপৰত কওঁ যে আমি যিটো ঘোষনা কৰিম সেইটো চৰকাৰৰ সিদ্ধান্ত। মুখ্যমন্ত্ৰী আমাৰ চৰকাৰৰ নেতা সেইকাৰণেই তেখেতৰ কথা কৈছো। গতিকে মই স্প্ৰষ্টভাৱে কব বিচাৰো যে এই গাখীৰৰ দাম বৃদ্ধি সম্পৰ্কত আমি বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিম। গাখীৰৰ দাম বৃদ্ধি কৰাটো উচিত হব বুলি আমি কেতিয়াও বিবেচনা কৰা নাই।

★ ***শ্ৰীদিলীপ কুমাৰ শইকীয়া*** **:** মাননীয় অধ্যক্ষ মহোদয়, গুজৰাট, হাৰিয়ানা, মহাৰাষ্ট্ৰৰ দৰে 'মিল্ক কন্ট্ৰল এক্ট'ৰ প্ৰযোজ্য কৰিবনে?

★ ***শ্ৰীনকুল দাস*** (পশুপালন মন্ত্ৰী) **:** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে

★ *Speech not corrected*

যিটো কথা কৈছে সেইটো বিবেচনা কৰা হব।

*মাননীয় অধ্যক্ষ ঃ* আজি বিধান সভাত মিল্কৰ দাম বৃদ্ধিৰ সম্পৰ্কত বহুতো মাননীয় সদস্যই বহু ধৰণে কৈছে সেই বিলাক শুনিলো। কিন্তু আচলতে সেইটো নহয়। আচল কথা হ'ল 'ডিমাণ্ড এণ্ড চাপ্লাই'। আজি আমাৰ দেশত জনসংখ্যা দিনক দিনে বাঢ়ি গৈছে কিন্তু চাপ্লাই নোহোৱা হৈছে। এইটোৱেই হৈছে মূল বস্তু। গাখীৰ চাপ্লাই নহলে দাম বাঢ়িবই। ইয়াত টেক্সৰ কথা অহা নাই। আজি নাগৰিকে মজিৰ ওপৰত নিৰ্ভৰ কৰি আছে। নিজৰ হাতৰ ওপৰত নিৰ্ভৰ কৰা নাই। আমাৰ ৰাজ্যখন ১২৬টা সমষ্টি আছ। আজি যদি প্ৰত্যেক সমষ্টিতে পৰ্য্যায়ক্ৰমে মিল্ক ডায়েৰী কৰিব পাৰে তেনেহ'লে প্ৰডাক্চন হ'ব। সেইদৰে আজি যেনেকৈ সোন বাহিৰৰ পৰা অনাৰ কাৰণে তাৰ যি বাধা আছিল সেইটো শিথিল কৰি দিয়াৰ কাৰণে ৫কেজি পৰ্যন্ত সোণ আনিব পাৰিছে সেই কাৰণে আমাৰ ৰাজ্যত আজি সোণৰ দাম কমি গৈছে। তেনেকৈ গাখীৰৰ যদি প্ৰডাক্চন বেছি হয় তেতিয়াহ'লে গাখীৰৰ দাম কমি যাব। আজি আপাৰ আসামত বিলাহীৰ দাম ৮ টকা, ৫০পইচা প্ৰতি কেজি। কিন্তু আমি ইয়াত ১৭ টকা দি খাব লগীয়া হৈছে। আপাৰ আসামত বিলাহী খেতি বেচিকৈ কৰে সেইকাৰণে তাত বিলাহীৰ দাম কম। আজি গাৰে-ভূঞে মানুহে গৰু পুহিছে সেই বিলাকত উন্নত মানৰ গাই গৰু দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু গৰু ইনচুৰেন্স কৰিব পাৰে। কিবা কাৰণত যদি গাইজনী মৰি যায় তেতিয়াহ'লে মানুহজনৰ কোনো বিপদ নহয়। তেও তাৰ মূল্যটো ঘূৰাই পাব। গতিকে ইয়াৰ ওপৰত প্ৰধান্য দিব লাগে। তেতিয়াহ'লে আজি যিটো গাখীৰৰ মূল্য বৃদ্ধি হৈছে সেইটোৰ সমস্যা সমাধান হ'ব। গাখীৰ উৎপাদনৰ ক্ষেত্ৰত মিল্ক মিনৰ নামৰ এবিধ মেডিচাইন আছে। সেই মেডিচাইনটো ব্যৱহাৰ কৰিলে যথেষ্ট গাখীৰ উৎপাদন হয়। সেই কাৰণে এনে এবিধ মেডিচাইন আমাৰ ইয়াতো ব্যৱহাৰ কৰিলে গাখীৰৰ উৎপাদন নিশ্চয় বাঢ়িব।

★ *শ্ৰীজয় চন্দ্ৰ নাগবংশী ঃ*— অধ্যক্ষ মহোদয়, গাখীৰৰ সম্পকত আপুনি যিখিনি কথা কলে তাত আমি সন্তোষ্ট হৈছো। আপুনি গাই পোহাৰ ক্ষেত্ৰত জোৰ দিছে। যিহেতু আমাৰ সমষ্টি বোৰতো যথেষ্ট পৰিমানে ঘাহঁ আছেসেই কাৰণে আমাৰ বিধায়ক সকলো এজনীকৈ গাই দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**Mr. Speaker :** With your permission, I am now proceeding to another Zero hour Notice. Submitted by shri Bharat Chandra Narah on a newsitem published in ajir Batori dated 2.4.92 under the caption " আবছুৱে স্বায়ত্ব শাসন বিছাৰিছে"

I now call upon Shri Narah to speak on the matter.

---

★ *Speech not corrected*

★ *ভৰত চন্দ্ৰ নৰহ ঃ*— অধ্যক্ষ মহোদয় ইংৰাজী ২ এপ্ৰিল তাৰিখৰ আজিৰ অসম বাতৰি কাকতত এটা বৰ হগুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ পাইছে আৰু সেই বাতৰিটো মই মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বাতৰিটোত আবছু আৰু বি. পি. এ. চিয়ে স্বায়ত্ব শাসন বিছাৰিছে বুলি প্ৰকাশ পাইছে। আবছু আৰু বি. বি. এ. চিয়ে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে এখন সুকীয়া বড়োলেণ্ড ৰাজ্য বিছাৰি ইমান দিনে আন্দোলন কৰি আহিছে আৰু এই আন্দোলনৰ ফলশ্ৰুতি হিচাবেই কেন্দ্ৰীয় চৰকাৰে ভূপিন্দৰ সিংহৰ নেতৃত্বত ওখন কমিতি গঠন কৰিছিল। এই কমিতিয়ে সেয়া ৩০ মাৰ্চ তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ হাতত প্ৰতিবেদন দাখিল কৰিছে। আজিৰ অসম বাতৰি কাকতত এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ হৈছে আৰু তাত এনেদৰে কোৱা হৈছে যে এই কমিতিয়ে প্ৰতিবেদন দাখিল কৰাৰ আগে আগে মুখ্যমন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীলৈ এখন গোপন চিঠি দিছে। বড়োলেণ্ড দাবী সম্পৰ্কত নিজৰ বক্তব্য ব্যক্ত কৰি প্ৰধান মন্ত্ৰীলৈ এই চিঠিখন দিছিল আৰু প্ৰধানমন্ত্ৰীয়ে এই চিঠিখন গৃহমন্ত্ৰীক পৰীক্ষা-নীৰিক্ষা কৰিবলৈ দিছে। মই এই সদনতে মুখ্যমন্ত্ৰীৰ পৰা জানিব বিছাৰিছো এই চিঠিখনত কি লিখা আছিল। পাৰ্লিয়ামেণ্ট আৰু বিধান সভা চলি থকা সময়ত চৰকাৰে যদি কিবা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয় তেনেহলে সেইবোৰ বাহিৰত কোৱাৰ সলনি পাৰ্লিয়ামেণ্টত বা বিধান সভাত প্লেচ কৰিব লাগে। আমাৰ বিধান সভা চলি থকা অৱস্থাতে মুখ্যমন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীলৈ এখন গোপন চিঠি লিখিছে সেইখনত কি লিখা আছে সেইটো আমি ৰাইজৰ প্ৰতিনিধি হিচাবে জানিব লাগে।

*মাননীয় অধ্যক্ষ ঃ* চিক্ৰেট বস্তু এটা জনাৰ অধিকাৰ নাই।

★ *শ্ৰীভৰত নৰহ ঃ* এই সংক্ৰান্তত যিখন কমিটি কৰি দিয়া হৈছিল তাৰ ৰিপোৰ্ট ইতিমধ্যে দাখিল কৰিছে। ঝাৰখণ্ড ৰাজ্যৰ দাবীত যি কমিটি কৰি দিয়া হৈছিল সেই কমিটিয়েওঁ যেতিয়া ৰিপোৰ্ট দাখিল কৰে তেতিয়া সেইটো পাৰ্লিয়ামেণ্টতো দাখিল কৰা হৈছিল আৰু সেই কাৰণে বিষয়টো গোটেই ভাৰতবৰ্ষৰ মানুহে জানিব পাৰিছিল। কিন্তু য়োৱা ৩০ তাৰিখেই বড়োলেণ্ড সম্পৰ্কীয় প্ৰতিবেদন দাখিল কৰাৰ পিছতো কেন্দ্ৰীয় চৰকাৰে এই প্ৰতিবেদন কিয় গোপন কৰি ৰাখিছে সেইটো অতি সোনকালে পাৰ্লিয়ামেণ্টত দাখিল কৰিব লাগে। এই দাবীটো এটা চেনচিটিভ্ দাবী। এই বিষয়টো নিশ্চয় প্ৰধান মন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে আমাৰ মূখ্য মন্ত্ৰীক জনাইছে। সেই কাৰণে মূখ্যমন্ত্ৰীয়ে আমাক ৰাইজৰ প্ৰতিনিধি হিচাবে ইয়াত কি আছে। আমাক জনাবলাগে। মখ্য মন্ত্ৰীয়ে আৰু এটা কথা উল্লেখ কৰিছে যে অসমখন বিভাজন হবলৈ নিদিও। ভুপিন্দৰ সিং কমিটিৰ প্ৰতিটো প্ৰতিটো কথাই আখৰে আখৰে পালন কৰিবলৈ মই বাধ্য নহয়। আপোনালোকে জানে যে এখন চিঠি হস্তান্তৰ কৰা ঘটনাক লৈয়ে পৰৰাষ্ট্ৰ মন্ত্ৰী মাধব সিং শোলাংকি পদত্যাগ

★ *Speech not corrected*

কৰিব লগা হ'ল। গতিকে এই বিধানসভা চলি থকা সময়তে কাৰ্বি আলং আৰু উত্তৰ কাছাৰৰ বিষয়েও আলাচনা কৰা হৈছে। এই কথা বিলাক তেখেত দিল্লীৰ পৰা ঘুৰি অহাৰ পিচতে বিধান সভাত জনাব লাগিছিল, যেনেকৈ তেওঁ আলফাৰ লগত আলোচনা কৰি কি পাইছে সেইটো আমাক জনাইছে। এই সম্পৰ্কত বাতৰি কাকতত প্ৰকাশ পাইছে যে অসম চৰকাৰক হেনো কিবা এটা প্ৰস্তুত কৰিবলৈ দিছে। এই সম্পৰ্কত কি প্ৰস্তুত কৰিবলৈ দিছে সেইটো মুখ্য মন্ত্ৰীয়ে আমাক জানিব দিব লাগিছিল। বিধান সভা চলি থকা সময়তে মুখ্য মন্ত্ৰীয়ে প্ৰতিটো পঞ্চায়তৰ বাবে এক লাখকৈ টকা দিয়া হব বুলি ঘোষণা কৰিছে। আৰু কমাম পাছ কৰা ল'ৰা বিলাকক চকৰী দিম বুলিও ঘোষণা কৰিছে। সেই কাৰণে আবছু আৰু বি, পি,এ,চিয়ে স্বায়ত্ব শাসন বিচাৰিছে বুলি যিটো বাতৰি ওলাইছে সেই বিষয়োটোৰ প্ৰতি মুখ্য মন্ত্ৰীৰ দৃষ্টি আৰ্কষণ কৰিলো আৰু প্ৰতিবেদনত স্বায়ত্ব শাসনৰ কথা কিবা আছে নেকি সেইটোও জানিব বিচাৰিছো।

★ *হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)* ঃ— মাননীয়া অধ্যক্ষ ডাঙৰীয়া, এই বাতৰিটো সম্পৰ্কত শ্ৰীনৰহ ডাঙৰীয়াই যিখিনি কথা কৈছে সেই সম্পৰ্কত মই কব খুজিছো যে বড়োলেণ্ড ৰাজ্যৰ দাবী সন্দৰ্ভত এখন এক্সপাৰ্ট কমিটি গঠন কৰা হৈছিল আৰু যোৱা ৩০ তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ হাতত তেওঁলোকৰ ৰিকমেণ্ডেচন প্লেচ কৰিছে। মই জনা মতে অতি সোনকালে সেই ৰিপোৰ্ট সদনত উৎখাপন কৰিব। ঝাৰখণ্ড ৰাজ্যৰ সন্দৰ্ভত যি ৰিপোৰ্টৰ কথা সদস্য গৰাকীয়ে উল্লেখকৰিছে সেই ৰিপোটোও একে দিনাই পোৱা নাই আৰু পোৱাৰো যথেষ্ট পিচতহে প্লেচ কৰা হৈছিল। এই ৰিপোৰ্ট অতি সোনকালে সদনত দাখিল কৰা হ'ব কিনতু তাত কি আছে সেই সম্বন্ধে মই এতিয়া নকওঁ। এয়াৰ কপি মোক দিয়া নাই আৰু তাৰ কম্‌টেণ্টচ্ কি সেইটোও মোক দিয়া নাই। হয়টো যিদিনাই পাৰ্লিয়ামেণ্টত প্লেচ কৰে সেই দিনাই আমাকো দিব।

*অধ্যক্ষ ডাঙৰীয়া,* আমাৰ বড়ো সকলে পৃথক ৰাজ্য এখন বিচাৰি আছে। এই সম্পৰ্কত মই লিখা কথা বিলাক আজি প্ৰকাশ কৰিব খোজা নাই। এক্সপাৰ্ট কমিটিৰ ৰিপোৰ্ট প্ৰকাশ পোৱাৰ লগে লগে সেইবোৰ প্ৰকাশ কৰিম। কাৰ্বি আংলং আৰু নৰ্থ কাছাৰক লৈ এখন অট্‌নমাচ ষ্টেট বিচাৰিছে। এই সম্পৰ্কত মই কৈছিলো যে অট্‌নমাচ ষ্টেটৰ ক্ষেত্ৰত মোৰ আৰু কিছু ৰিজাৰ্ভেচন আছে। তেওঁলোকক মই কৈছো যে আপোনালোকে ডেভেলপমেণ্ট বিচাৰিছে। ডেভেলপমেণ্টৰ কাৰণে যিখিনি ক্ষমতা লাগে সেইখিনি দিবলৈ আমি প্ৰস্তুত আছো। যিখিনি ক্ষমতা প্ৰয়োগ কৰিলে আপোনালোকৰ উন্নয়নত বাধা নাথাকে সেইখিনিৰ কাৰণে মই প্ৰস্তুত আছো। এই ক্ষেত্ৰত শ্ৰীলাংথাচা আৰু শ্ৰীৰংপীৰ জৰিয়তে এখন কমিটি গঠন কৰা হৈছিল আৰু তেওঁলোকৰ প্ৰতিদেনটো

★ *Speech not corrected*

স্বায়ত্ব শাসিত ৰাজ্যকে বিচাৰিছে। তেওঁলোকে প্ৰতিবেদনত দাখিল কৰাৰৰ পিচতেই কেইদিনমান আগতে আমি দিল্লীলৈ গৈ এই বিষয়ে আলোচনা কৰিছো আৰু এ, এচ, ভি, চি য়ে স্বায়ত্ব শাসিত ৰাজ্য বিচাৰিছে বুলি কৈছো আৰু তাত মোৰ বক্তব্য দাঙি ধৰিছো। এই তিনি পক্ষীয় আলোচনাৰ ভিত্তিতে (কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু এচ, ডি,চিৰ প্ৰতিনিধি) এইটো সিদ্ধান্ত হ'ল যে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰস্তাৱ আগবঢ়াব লাগে। সেই প্ৰস্তাৱটোৰে এতিয়া আলোচনা কৰা হ'ব। এইটো এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই।

*অধ্যক্ষ মহোদয়,* এই দুয়োখন জিলাই স্বায়ত্ব শাসনৰ জৰিয়তে এডমিনিষ্ট্ৰেটিভ ৰাইট্‌চ আৰু ফাইনেনৰিয়েল পাৱাৰ বিচাৰিছে। গতিকে এইবোৰ প্ৰস্তাৱৰ ওপৰত আলোচনা কৰি ৰাজ্য চৰকাৰক প্ৰস্তাৱ আগবঢ়াব দিছে। এই প্ৰস্তাৱৰ ভিত্তিতহে আলোচনা কৰি চূড়ান্ত সিদ্ধান্ত লৰ পৰা যাৱ।

*অধ্যক্ষ ডাঙৰীয়া,* আলফা সম্পৰ্কে মই কব বিচাৰিছো যে প্ৰথম পৰ্য্যায়ত চেয়াৰমেন অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত আলোচনা কৰা হৈছিল আৰু তেওঁলোক আনস্থানিক ভাৱে আলোচনা কৰি বিষয়বোৰৰ এটা সমাধান উলিয়াব বিচাৰিছিল। এই সম্পৰ্কত অনানুষ্ঠানিক ভাৱে বহুদিন আগৰে পৰা আলোচনা বিলোচনা হৈ আছিল। কিন্তু শেষৰফালে এই আলোচনালৈ তেওঁলোকৰ কিছুমান আহিল আৰু কিছুমান নাহিল। বড়োলেণ্ড সম্পৰ্কতো ইতিমধ্যে তেওঁলোকৰৰিপোৰ্ট দাখিল কৰিছে আৰু এই বিষয়টো বড়োলেণ্ড বিধায়িনী দলৰ সদস্যসকলৰ লগত আলোচনা হৈ থকা হৈছে। এই কথাবোৰ মই পিছত প্ৰকাশ কৰিম।

★ *শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ—* মাননীয় অধ্যক্ষ মহোয়দয়, মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই বাতৰি কাকতত প্ৰকাশ পোৱা বাতৰি এটাৰ বিষয়ে উল্লেখ কৰি বড়োলেণ্ড দাবী কমিতিয়ে স্বায়ত্ব শাসিত ৰাজ্য বিচাৰিছে বুলি যিটো বাতৰি উত্থাপন কৰিছে সেই বাতৰিৰ সন্দৰ্ভত বি. এল. পিৰ এজন বিধায়ক হিচাবে মই স্পষ্টীকৰণ দিব খুজিছো যে বড়োলেণ্ড ৰাজ্য দাবী কমিটিয়ে স্বায়ত্ব শাসন কেতিয়াও বিচৰা নাই। এই বাতৰিটো সম্পূৰ্ণ ভিত্তীহীন। তেওঁলোকে পৃথক ৰাজ্যৰ দাবী কৰিছে। গতিকে বি. এল. পিৰ সদস্য হিচাবত মই সদৰত কথাটোৰ স্পষ্টীকৰণ দিছো।

(মামমীয় সদস্য শ্ৰীপদ্মেশ্বৰ দলে কবলৈ থিয় হয় যদিও
সদনত গন্দোগোল হোৱাৰ বাবে লিপিবদ্ধ কৰিব পৰা নহ'ল)

**Mr. Speaker :** The speech of Shri Padmeswar Doley is an unauthorised one and it is to be expunged from the proceedings. Now, I proceed to Item No.2. Shri Hitendra nath Goswami to call the

---

★ *Speech not corrected*

attention of the Chief Minister under rule 54 to the news item appering in the Asam Tribune dated 3rd march, 1992 under the caption "Accord Refinery : State's Share Reduced".

★ *শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ*— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৫৪ নম্বৰ নিয়মৰ অধীনত ১৯৯২ চনৰ ৩ মাৰ্চ তাৰিখৰ 'দি আসাম ট্ৰিবিউন' কাকতত প্ৰকাশিত "একৰ্ড ৰিফাইনেৰী ঃ ষ্টেটচ চেয়াৰ প্ৰদাক্ট" শীৰ্ষক বাতৰিটোৰ প্ৰতি মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

অধ্যক্ষ মহোদয়, ১৯৮৫ চনত যেতিয়া অসম চুক্তি হ'ল তাৰ অধীনত কেন্দ্ৰীয় চৰকাৰে নুমলিগড়ত তেল শোধানগাৰ হব বুলি ঘোষণা কৰিলে। শোধানাগাৰৰ স্থান নুমলিগড়ত নিৰ্ণয় কৰা হ'ল। অসমৰ অৰ্থনৈতিক উ-ন্নয়নৰ বাবে আৰু অসমত উদ্যোগীকৰণৰ পৰিবেশ আনিবৰ বাবে শোধানাগাৰ যৌথ ভাৱে ঘোষণা কৰা হৈছেল। তেতিয়া অসম চৰকাৰে ৫০ শতাংশ চেয়াৰ দাবী কৰিছিল, পিছত কেন্দ্ৰীয় চৰকাৰে এই কথা নামানিলে। যেতিয়া অসম চৰকাৰে ২৬ শতাংশ ধৰিলে তেতিয়া দহ শতাংশ কমি আহিল। অহা এপ্ৰিল মাহত প্ৰধান মন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিব। কিন্তু অসমত যি উদ্দেশ্যৰে শোধানাগাৰ স্থাপন কৰা হৈছিল সেই উদ্দেশ্য সফল হব নোৱাৰিব। যৌথ উদ্যোগত এই ২৬ শতাংশ নাথাকে। আমাৰ উৎপাদনত যদি কোনো চেয়াৰ নাথাকে আমি কেনেকৈ ৰিলিফ পাম। আমি শতাংশ বেছি ধৰিব লাগিব। এই শোধানাগাৰ হ'লে আমি অসমৰ ৰাইজে বহুত আশা কৰিছিলো। কিন্তু এতিয়া দেখা গৈছে যে আমাৰ যি ৩৬% চেয়াৰ পাব লগা আছিল তাৰে দহ শতাংশ কমাই দিলে পেচাৰ পোৱাৰ কাৰণেহে এনে হবলৈ পাইছে। আমি বিচৰা মতে যদি চেয়াৰ পাওঁ তেতিয়া চাৰে ছয় কোটি টকা বেছি হবগৈ। আমাৰ জনসাধাৰণৰ হাতত চেয়াৰবিলাক থাকিব। মেমোৰেণ্ডাম এতিয়াও দিয়া হোৱা নাই। এইটো দিয়াৰ সময়ত আমাৰ মানুহে যাতে ৰিলিফ পায় তাৰ কাৰণে শতকৰা ৩৬ ভাগলৈ বঢ়াব লাগে। এইটো যাতে ধৰা হয় ইয়াৰ বাবে অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰিছো।

★ *শ্ৰীবদন বৰুৱা ঃ*— মাননীয় অধ্যক্ষ মহোয়দয়, মই চেয়াৰৰ বিষয়ে কব খুজছো। আমাৰ চৰকাৰে চেয়াৰ ৰখাৰ কাৰণে লক্ষ্য ৰাখিব লাগে। আজি গোটেই ভাৰতবৰ্ষতে এইটো উৰ্দ্ধমুখী হৈ উঠিছে। আমি চেয়াৰ কমকৈ ৰখাৰ কি যুক্তি আছে। কিছুমানে এই চেয়াৰৰ কাগজখনকে বেছি পইচা দি কিনি লৈ যায়। এই ক্ষেত্ৰত ১৮ কৌটি টকা ধৰা হৈছে। যদি ২৬ শতাংশকৈ ধৰা হয় তেতিয়া ৪৫০ কোটি টকা হব। যদি এইটো আমাৰ ফালৰ পৰা কৰা যায় তেতিয়া হ'লে ২৫ শাতংশ চেয়াৰ থাকিব। এইটোত কি হব।

---

★ *Speech not corrected*

মেনেজমণ্টৰ চাকৰি বাকৰি, ইণ্ডাষ্ট্ৰিৰ ক্ষেত্ৰত এনে ধৰণৰ নানা সুবিধা হব মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ বাজেট ভাষণত মই কৈছিলো।

***মাননীয় অধ্যক্ষ মহোদয়,*** চৰকাৰে যদি এই চেয়াৰ ৰাখে তেতিয়া হ'লে ৫ বছৰ পিচত ই ১০ গুণলৈ বৃদ্ধি পাব আৰু এই অংশৰ লগত দুটা শূণ্য যোগ দিবপৰা হ'ব। ইয়াৰ পৰা কোনো অসুবিধা নহয়। ইনকমটেক্সৰ ক্ষেত্ৰত মাষ্টাৰ টেক্স পলিচি থকা সকলে ইনকমটেক্সৰ পৰা ৰেহাই পায়। কেন্দ্ৰত আমাৰ মনমোহন সিং ডাঙৰীয়া আছেই এই ক্ষেত্ৰত যথেষ্ট ৰেহাই পাব। আমি দেখা পাইছো এনেকোৱা ১০ টকায়া চেয়াৰ বিলাক ১০০ টকা লৈকে হৈছে। আমি যদি এই চেয়াৰটো ৰাখিব পাৰো ৫ বছৰৰ পিচত ই ১০ গুণ হলে ৪ হেজাৰ ৫০ কোটিৰ ঠাইত সেইটো হবগৈ ৪৫ হেজাৰ কোটি টকা। এই বিষয়ে চৰকাৰে মনোযোগ দিব লাগে যাতে আমি নিজে নিজে স্বাৱলম্বী হ'ব পাৰো।

★ ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ—*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই যি খিনি কথা উল্লেখ কৰিছে যি প্ৰজেক্ট ৰখাৰ কথা কৈছিল তাৰ কাৰণে ১৯৯০ চনত খৰচ আছিল ৯শ কোটি টকা। সেই ৯ শ কোটি টকাৰ শতকৰা ২৬ টকাকৈ দিলে বিত্তীয় অৱস্থা হয়গৈ ৪৭ কোটি টকা। এতিয়া ১৮ কোটি টকা লাগে সেয়ে শতকৰা ২৬ টকা দিব লগা হ'লে ৫৪ কোটি টকা দিব লগা হয়। অন্যহাতে ৮ ম পঞ্চমবাৰ্যিক পৰিকল্পনাৰ সময়ত ২৮০ কোটি টকা পোৱাৰ আশা ৰাখিছো। ই যথেষ্ট বৃদ্ধি হ'ব। সেয়ে শতকৰা ১০ শতাংশ ৰাখিবৰ বাবে ধাৰ্য্য কৰিছো। মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিখিনি কথা উল্লেখকৰিছে সেই গোটেই কথাখিনি চাই আছো। যিখন মেমৰিণ্ডাম দিয়া হব তাত ২৬ শতাংশ ধৰিলেও সেই টকাটো কম দিয়াৰ কাৰণে এই মেনেজমেণ্টৰ বাবে কমিব তেনে নহয়। ৪ তাৰিখৰ পিছত আলোচনা কৰিম মতামতৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিলে এইখিনি কৰি চোৱা হ'ব। এতিয়া ২৬ শতাংশ চেয়াৰ ৰাখিব খুজিছে পেট্ৰল কমি গৈছে যদিও ৰক্ষণা বেক্ষন দিয়া হব। এইখিনি কৰিলে কোনো ক্ষতি নহয়।

★ ***শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ—*** মাননীয় অধ্যক্ষ মহোয়দয়, এই কথা বিলাকত লোকেল অব্লিগেচন আছে। আমাৰ চেয়াৰটো বেছি হ'ব লাগে তাক চাবলৈ দিয়া হৈছে। আমাৰ ইয়াত সদায় লোকচান ভৰি আছো। উদ্যোগ বিলাকে লাভ কৰিব পাৰিলেহে ইয়াত কাম কৰি যাব পাৰিব। যোৱা ৪০ বছৰে এইবোৰ চলাব পৰা নাই। এইটোৰ ব্যৱস্থা ললে সুবিধা হয়।

★ ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ—*** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো চোৱা হ'ব।

---

★ *Speech not corrected*

★ *শ্ৰীপ্ৰমোদ গগৈ ঃ*— মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে চৰকাৰে আলোচনা কৰিব। আমি তেখেতৰ পৰা এটা কথা জানিব বিচাৰিছো। ৮ম পঞ্চবাৰ্ষিক পৰিকল্পনা ১ তাৰিখৰ পৰা আৰম্ভ হৈছে। আমি আগতে এই কথাটো শুনিছিলো নুমলিগড় ৰিফাইনাৰী এই প্ৰকল্পনাত ধৰা হব। এতিয়া ধৰা হ'বনে নহয়? তেতিয়া কোৱা হৈছিল যে ৮ম পৰিকল্পনা চুড়ান্ত হোৱা নাই। চুড়ান্ত হ'লে এই বিষয়টো অন্তভূক্ত কৰা হ'ব সেই কাৰণে এপ্ৰিল মাহৰ ১ তাৰিখৰ পৰা আৰম্ভ কৰা হ'ল। তাত নুমলীগড় ৰিফাইনেৰী অন্তভূক্ত কৰা হৈছে। এপ্ৰিলৰ ১৪ তাৰিখে আমাৰ মাননীয় প্ৰধান মন্ত্ৰী আহি আধাৰ শিলা স্থাপন কৰিব। আধাৰশিলা স্থাপন কৰিলে যে ৰিফেইনেৰী হব তাৰ কোনো মানে নাই। বান্দ্বালোৰত প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰাগান্ধীয়ে আধাৰশিলা স্থাপন কৰা ১৮ বছৰ হ'ল। সেই ৰিফেইনেৰী আজিলৈকে হোৱা নাই। সেই কাৰণে এই কথাটো পৰিকল্পনা আয়োগ ভাৰত চৰকৰাৰ বিশেষকৈ পেটোলিয়াম মিনিষ্টাৰৰ লগত আলোচনা কৰি আগবাঢ়িব। মই এইখিনিতে এটা কথা উল্লেখ কৰিব বিচাৰিছো যে সেইটো মাননীয় মুখ্যমন্ত্ৰীয়েও জানে— এতিয়া ও এন জি চিয়ে তেল অনাত আপত্তি দৰ্শোৱা হৈছে। এই ৰিফাইনেৰী কৰোতে যদি ৬/৭ বছৰ লবলগীয়া হয় তেতিয়া হ'লে তাৰ কাৰণে অতিৰিক্ত খাৰুৱা তেল লাগিব। সেইবোৰ যোগান ধৰিব নোৱাৰে। আগতে তেওঁলোকে কৈছিল ৰিফেইনেৰীৰ ক্ষেত্ৰত আলোচনা হয় তেতিয়া যথেষ্ট অতিৰিক্ত খাৰুৱা তেল আছে। সেই কাৰণে ৰিফাইনেৰী হ'ব পাৰে। এতিয়া ও এন জি চিৰ ফালৰপৰা আপত্তি কৰিছে নুমলীগড়ৰ কাৰণে যিমান খাৰুৱা তেল লাগিব সিমান যোগান ধৰিব পৰা সম্ভৱ নহয়।

মাননীয় অধ্যক্ষ মহোয়দয়, প্ৰয়াত প্ৰধানন্ত্ৰী ইন্দিৰা গান্ধীৰ লগত আমাৰ বঙাই গাওঁ ৰিফেইনেৰী সম্পৰ্কত যিটো বুজা পৰা হৈছিল তাত আছিল যে ৩০ লক্ষ্য টন খাৰুৱা তেল বাৰাউনিলৈ লৈ যোৱা হ'ব। কিন্তু এতিয়া দেখা গৈছে যে বাৰাউনিলৈ অসমৰ পৰা ৫০ লক্ষ্য টন লৈ যোৱা হৈছে। অ' এন' জি' চিয়ে কৈছে যে নুমলীগড় ৰিফাইনেৰীৰ সিমান খিনি কেপাচিটি নাই। এতিয়া চৰকাৰে সেই সম্পৰ্কে অনুসন্ধা কৰি চাব নেকি? সেই কাৰণেই যদি নুমলীগড় ৰিফেইনেৰী নহয় তেনেহলে বাৰাউনীলৈ যোৱা অতিৰিক্ত খাৰুৱা তেল খিনি অসমতে ৰখাৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি। এই সম্পৰ্কে ভৰত চৰকাৰৰ লগত অসম চৰকাৰেকথা পাতিব লাগে। আজি ১০-১২ বছৰ ধৰি চৰকাৰী ভাবে আমাৰ ৰিফেইনেৰী খাৰুৱা তেল বাৰাউনীলৈ প্ৰায় ২০ লক্ষ্য টন গৈ আছে সেইখিনি অসমতে যাতে শোধন কৰাৰ ব্যৱস্থা হয় মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

---

★ *Speech not corrected*

★ ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ—*** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীগগৈ দেৱে যি কেইটা কথা দাঙি ধৰিছে তাত সত্যতা নোহোৱা নহয়। ১৯৮৫ চনত অসম চুক্তি অনুসৰি এই একট ৰিফেইনেৰীৰ কথা আছিল। ইয়াৰ পিছত আমি দেখা পাইছো তেওঁলোকে নানা অজুহাত দেখুৱাই পিছলৈ গৈ আছে। তাৰ কাৰণ কয় এনভাৰমেণ্ট বিভাগৰ পৰা বাধা আহিছে আৰু মেনেজমেণ্টত অসুবিধা আছে। শেষত ২২ অক্টোবৰত মই নিজে প্ৰধান মন্ত্ৰী লগত কথা পাতিছিলো। প্ৰধান মন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীৰ লগত এখন সভাত এই বিষয়ে আলোচনা কৰিছিল। অসমৰ ব্ৰডগজ লাইন, গ্ৰেছ ক্ৰেকাৰ, চেণ্ট্ৰেল ইউনিভাৰ্ছিটি আদি কৰি প্ৰজেক্ট কেইটাৰ সম্পৰ্কে সভা বহিছিল তাতো এই বিলাক কথা হৈছিল। সেইবিলাক ক্লিয়াৰ কৰা হৈছে। মই উল্লেখ কৰিব পাৰো যে আমি এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰা হৈছে। মিনিষ্ট্ৰি অৱ পেট্ৰোলিয়াম আৰু নেচাৰেল গেচ আদিৰ লগত আলোচনা কৰা হৈছে। তেওঁলোকৰ লগত যিটো বুজা বুজি হৈছে তাত আছে যে এই সম্পৰ্কত তেওঁলোকৰ এটা 'চেয়াৰ' থাকিব। মিনিষ্ট্ৰি অৱ পেট্ৰোলিয়ামে চুড়ান্তভাৱে এই বিষয়টো গ্ৰহণ কৰিছে। এই বিষয়ে আমি আগতেই ঠিক কৰি থৈছো। বৰ্তমান প্ৰধান মন্ত্ৰী অহাৰ তাৰিখ এতিয়াও বাকী আছে, ১৮ তাৰিখে তেখেত নাছিল কাৰণ তিৰো পতিত কংগ্ৰেছৰ বৈঠক আছিল। মাননীয় গগৈ দেৱে আধাৰশিলা স্থাপনৰ ১০-১২ বছৰৰ পিছতো ৰিফাইনেৰী নোহোৱাৰ কথা কৈছে। কিন্তু আধাৰশিলা স্থাপন কৰাৰ আগতে কাম আৰম্ভ কৰিব পাৰি। তাৰবাবে মূল কামখিনিৰ গঠন ব্যৱস্থা হাতত লোৱা হৈছে।

আধাৰশিলা স্থাপন কৰাৰ পিছলৈ এই কাম ৰৈ নাথাকে। মই আৰু কৈছোয়েই যে মিনিষ্ট্ৰি অৱ পেট্ৰলিয়ামৰ লগ বুজাবুজিৰ মাজেৰে আলোচনা কৰি আমাক কেবিনেট সিধান্ত দিব তাৰ লগে লগে এই বিষয়টো চুড়ান্ত ঘোষিত হ'ব। নিউ কোম্পানীৰ কথাটো ইয়াৰ লগতে আছে। সেইটোও গঠিত হৈছে। ইয়াত অইলৰ কথাটো আছে। এই ক্ষেত্ৰত প্ৰয়োজন হলে বাৰাউনীলৈ কুড অইল দিয়া বন্ধ কৰি হলেও নুমলী গড় ৰিফাইনেৰী পাতিব।

★ ***শ্ৰীপ্ৰমোদ গগৈ ঃ—*** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰজেকটো অষ্টম.পৰিকল্পনাত অনুতভূক্ত হৈছে নে নাই।

★ ***শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ—*** মাননীয় অধ্যক্ষ মহোদয়, অন্তভূক্ত হৈছে,। ইয়াৰ বাবে ২৮০ কোটি টকা ধৰা হৈছে।

**Mr. Speaker : Before Igo to other points I would like to inform the house that on invitation of the Hon'ble Minister of irrigation**

---

★ *Speech not corrected*

all members are requested to visit Dhansiri Irrigation Project - Bhairabkunda tomorrow on 4.4.92. Bus will be available at the MLA Hostel Gate at 7-30 A.M. on 4.4.92. Intending Hon'ble Members are requested to send their names to the Secretary, Assam Legislative Assembly.

★ *শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ—* মাননীয় অধ্যক্ষ মহোদয়, 'আমচা সমপেৰ্কে স্বস্থ মন্ত্ৰীয়ে এটা বিবৃতি দিয়াৰ কথা আছিল। সেইটো কেতিয়া দিব।

## MATTER UNDER RULE 301

*মাননীয় অধ্যক্ষ ঃ—* আজি আই. টি. ডিপি সম্পৰ্কে ও বিবৃতি দিয়াৰ কথা আছিল। কিন্তু সময়ৰ অভাৱত দিয়া নহ'ল।

Now Item No 3. Hon'ble Member Sri Alauddin Sarkar will draw attention of Minister Flood Control by raisings matter under rule 301.

★ *শ্ৰীআলাউদ্দিন চৰকাৰ ঃ—* মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰকীয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ নম্বৰ নিয়মৰ অধীনত ১৯৯২ চনৰ ২১ মাৰ্চ্চ তাৰিখৰ "আজিৰ বাতৰি" কাকতত প্ৰকাশিত, "বান্ধ আৰু নলা নিৰ্ম্মান বিভাগতদুই কোটি টকা অনাদায়" শীৰ্ষক বাতৰি সম্পৰ্কত মই মাননীয় বান্ধ নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। বাতৰিটো এনে ধৰণৰ যে সম্প্ৰতি ধুবুৰী চহৰত বান্ধ আৰু নলা (ই প্ৰস্তুতি) বিভাগত কাম কৰি থকা ঠিকাদাৰ সকলৰ মাজত বাকী থকা বিলৰ টকা নোপোৱাক কেন্দ্ৰ কৰি ধুবুৰী জিলা ই প্ৰস্তুতি ঠিকাদাৰ সন্থাই ব্যাপক কাৰ্য্য সূচী গ্ৰহণ কৰিছে।

যোৱা দুবছৰ ধৰি ধুবুৰী বান্ধ আৰু নলা বিভাগত কাম কৰা ঠিকাদাৰ সকলৰ প্ৰাপ্য প্ৰায় বাকী থকা দুই কোটি টকাৰ বিল আদি চৰকাৰী কতৃপক্ষই আদায় দিব নোৱাৰাৰ ফলত ঠিকাদাৰ সকলৰ মাজত অৰ্থনৈতিক সমস্যা আৰুগভীৰ অসন্তুষ্টিয়ে দেখা দিছে। এই সংক্ৰান্তত চৰকাৰী কতৃপক্ষ আৰু বিভাগীয় মনত্ৰী গৰাকীক বহু আবেদন-নিবেদন কৰিওঁ তেওঁলোকে কোনো সুফল পোৱা নাই। ইতিমধ্যে সন্থাই উক্ত দুই কোটি টকাৰ বিল আদায়ৰ বাবে বিভাগীয় কতৃপক্ষকস্মাৰক পত্ৰ প্ৰদান কৰি সমস্যা সমাধান নহলে আন্দোলনৰ কাৰ্য্যসূচী গ্ৰহণ কৰা হ'ব বুলি অৱগত কৰোৱাৰ পিছতো বিভাগীয় কতৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ঠিকাদাৰ সন্থাই আন্দোলনৰ কাৰ্য্যসূচীৰ প্ৰথম, দ্বিতীয়

---

★ *Speech not corrected*

আৰু তৃতীয় দফা স্বৰূপে ঠিকাদাৰ কলৰ বাকী থকা বিলৰ ধন আদায় নিদিয়াকৈ নিবিদা বৰ্জন, পোষ্টাৰিং আৰু ঘেৰাওঁ আদি কাৰ্য্যসূচী সফল ভাৱে সন্থাই পালন কৰে।

উল্লেখযোগ্য বান্ধ নলা বিভাগৰ বিভাগীয় কৰ্তৃপক্ষই কুচক্ৰান্তমূলকভাৱে ১৯৯০-৯১ চনৰ বান পীড়িত সাহাৰ্য্যৰ (এফ. ডি. আৰ) টকা আদায় নিদিয়াকৈ ১৯৯১-৯২ চনত উক্ত বিভাগত হোৱা কামৰ বিলৰ ধন কিছু পৰিমাণে আদায় দিয়ে। আগৰ বাকী থকা বিলৰ ধন ১৯৯১-৯২ চনৰ বানপীড়িত সাহাৰ্য্যৰ (এফ.ডি.আৰ) টকা আদায় দিয়া অন্তৰালত কি অভিসন্ধি লুকাই আছে তাক ঠিকাদাৰ সকলে বুজিব পৰা নাই। আনহাতে ধুবুৰী জিলা ই এন্দডি ঠিকাদাৰ সন্থাই উক্ত সমস্যা সমাধানৰ বাবে যোৱা ১৬-৩-৯২ তাৰিখৰ পৰা পুৱা ১০ বজাৰ পৰা আবেলি ৪ বজালৈ ঠিকাদাৰ সকলৰ বাকী থকা প্ৰাপ্য ধন আদায় দিয়া পৰিপ্ৰেক্ষিতত আন্দোলনৰ চতুৰ্থ দফা স্বৰূপে ধুবুৰী ইএন্দাডি বিভাগৰ কাৰ্য্যবাহী অভিযন্তৰাৰ কাৰ্য্যালয় সন্মুখত পিকেটিং অব্যাহত ৰাখিছে।

(মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিবলৈ ঠিয় হওঁতে সদনৰ কাম আজিৰ বাবে স্থগিত ৰখাৰ ঘোষণা অধ্যক্ষ মহোদয়ে কৰাত মন্ত্ৰী মহোদয়ৰ বক্তব্য আধৰুৱা হৈ ৰয়। অহা ৮/৪/৯১ তাৰিখৰ পুৱা ৯ বজালৈ সদন স্থগিত থাকে।)

**Mr. Speaker :** Now it is 11-30 A.M. The Hanse stands adjournment till 9 A.M. on 8th April 1992.

# Adjournment

The house rose at 11-30 A.M. on stood adjourned till 9 A.M. and on 8th April, 1992.

*Dispur*
*The 3rd April, 1992*

***S.N.Deka***
*Secretary,*
*Assam Legislative Assembly*

ANNEXURE-I

# LIST OF MEMBERS S.C. DEVELOPMENT BOARD, KARIMGANJ SUB-DIVISION.

| | | |
|---|---|---|
| 1. | Shri Sudarsan Das, Ex-MP. | Chairman. |
| 2. | Shri Horipad Sukta<br>Ward No. 14, Karimganj. | Member. |
| 3. | Shri Nitya Gopal Das,<br>Shibbari Road. | Do |
| 4. | Shri Nripendara Das<br>Naya Patan. | Do |
| 5. | Shri Dhirendra Ch. Das.<br>H.M. Balipipla H.S. | Do |
| 6. | Shri Nanda Dulal Das.<br>Pathakandi. | D0 |
| 7. | Shri Ranu Ravidas.<br>Chandkhira. | D0 |
| 8. | Shri Ram Mohan Namusudra.<br>Vill.-Keutkona, P.O.-Singaria Bazar. | D0 |
| 9. | Shri Sanjib Roy.<br>Vill.-Soulmara, P.O.-Girishganj. | D0 |
| 10. | Shri Kumari Rovidas, Ex-MLA. | D0 |
| 11. | Shri Mon Mohan Aditya.<br>Vill.-Dinoagar. | D0 |
| 12. | Shri Bhupesh Das Choudhury.<br>(Monibabu), P.O.- & Vill.- Fakuagram. | D0 |
| 13. | Shri Rakhamani Das,<br>Vill.-Santashpur, P.O.-Snilgarah. | D0 |
| 14. | Shri Harmohan Roy.<br>Retd. H.M. Vill.-Baruala. | D0 |
| 15. | Shri Sunil Namusudra..<br>Vill.-Bagua, P.O.-Angalar Bazar. | D0 |
| 16. | Shri Subhas Das.<br>Vill.-Debegarah, P.O.-Rakesh Nagar. | D0 |
| 17. | Shri Monoranjan Roy.<br>Vill.-Ductapur, P.O.-Marjatkandi. | D0 |
| 18. | Shri Debeswar Choudhury.<br>Karimganj. | D0 |
| 19. | Shri Sitesh Namusudra.<br>Suprakandi. | D0 |

## ANNEXURE-I

**STATEMENT SHOWING THE RELEASED OF FUND TO DEVELOPMENT BLOCK**

( Rs. in Lakhs.)

| Year | Block | Programme | Allocation | Fund Released By Cash | Fund Released By Materiall | Total Released | No of scheme Completed |
|---|---|---|---|---|---|---|---|
| 1987-83 | Dimoria | RLEGP | | 3.35 | 3.00 | 6.35 | |
| " | " | NREP | | 2.74 | 2.00 | 4.74 | |
| " | Rani | RLEGP | | 3.14 | 3.00 | 6.14 | |
| " | " | NREP | | 1.39 | 1.00 | 2.39 | |
| " | Rampur | RLEGP | | 2.64 | 3.00 | 5.64 | |
| " | " | NREP | | 2.68 | 2.00 | 4.68 | |
| " | Boko | RLEGP | | 2.54 | 2.00 | 4.54 | |
| " | " | NREP | | 2.44 | 2.00 | 4.44 | |
| " | Chamaria | RLEGP | | 2.64 | 3.00 | 5.64 | |
| " | " | NREP | | 1.29 | 1.00 | 2.29 | |
| " | Hajo | RLEGP | | 2.29 | 3.00 | 5.29 | |
| " | " | NREP | | 4.23 | 2.90 | 7.13 | |
| " | Korara | RLEGP | | 2.64 | 3.00 | 5.64 | |
| " | " | NREP | | 1.13 | 1.00 | 2.13 | |
| " | Kamalpur | RLEGP | | 3.14 | 2.14 | 5.23 | |
| " | " | NREP | | 2.16 | 1.40 | 3.56 | |
| " | Rangia | RLEGP | | 3.22 | 2.14 | 5.36 | |
| " | " | NREP | | 3.90 | 1.56 | 5.46 | |
| | | TOTAL | | 53.32 | 44.14. | 97.46 | |

## ANNEXURE-I

## STATEMENT SHOWING THE RELEASED OF FUND TO DEVELOPMENT BLOCKS :

( Rs. in Lakhs.)

| Year | Name of Block | Programme | Fund Released By Cash | Fund Released By Materiall | Total found released |
|---|---|---|---|---|---|
| 1986-87 | Dimoria | RLEGP | 11.04 | 7.00 | 18.04 |
| | | NREP | 4.41 | 3.00 | 7.41 |
| | Rani | RLEGP | 8.17 | 7.00 | 15.17 |
| | | NREP | 1.50 | 1.00 | 2.50 |
| | Rampur | RLEGP | 8.36 | 7.00 | 15.76 |
| | | NREP | 3.96 | 3.00 | 6.96 |
| | Chaygaon | RLEGP | 9.76 | 7.00 | 16.76 |
| | | NREP | 7.09 | 4.00 | 11.09 |
| | Boko Bongaon | RLEGP | 7.03 | 7.00 | 14.03 |
| | | NREP | 3.77 | 3.00 | 6.77 |
| | Chamaria | RLEGP | 8.73 | 7.00 | 15.73 |
| | | NREP | 3.24 | 2.00 | 5.24 |
| | Hajo | RLEGP | 9.24 | 7.00 | 16.24 |
| | | NREP | 4.71 | 3.00 | 7.71 |
| | Korara | RLEGP | 10.14 | 7.00 | 17.14 |
| | | NREP | 1.77 | 2.00 | 3.77 |
| | Kamalpur | RLEGP | 9.86 | 7.00 | 16.86 |
| | | NREP | 2.36 | 2.00 | 4.36 |
| | Rangia | RLEGP | 9.34 | 7.00 | 14.34 |
| | | NREP | 3.81 | 3.00 | 6.81 |
| | | **TOTAL** | 126.29 | 96.00 | 222.29 |

## STATEMENT SHOWING THE RELEASED OF FUND TO DEVELOPMENT BLOCK :

( Rs. in Lakhs.)

| Year | Block | Programme | Fund Released By Cash | Fund Released By Materiall | Total released | No. of Schema Complwted |
|---|---|---|---|---|---|---|
| 1985-86 | Dimoria | NREP | 4.80 | 1.18 | 5.98 | |
| | | RLEGP | 5.61 | 1.59 | 7.20 | |
| | Rani | NREP | 1.54 | 0.66 | 2.20 | |
| | | RLEGP | 4.48 | 0.82 | 5.30 | |
| | Rampur | NREP | 3.83 | 1.54 | 5.37 | |
| | | RLEGP | 4.22 | 0.85 | 5.07 | |
| | Chaygaon | NREP | 4.82 | 1.90 | 6.72 | |
| | | RLEGP | 3.57 | 0.72 | 4.29 | |
| | Boko | NREP | 4.76 | 1.90 | 6.66 | |
| | | RLEGP | 2.88 | 0.60 | 3.84 | |
| | Chamaria | NREP | 3.45 | 1.35 | 4.80 | |
| | | RLEGP | 3.54 | 0.70 | 4.24 | |
| | Hajo | NREP | 5.67 | 2.27 | 7.94 | |
| | | RLEGP | 4.85 | 1.00 | 5.85 | |
| | Karara | NREP | 2.11 | 0.85 | 2.96 | |
| | | RLEGP | 3.66 | 0.75 | 4.41 | |
| | Kamalpur | NREP | 2.16 | 0.90 | 3.06 | |
| | | RLEGP | 4.57 | 1.00 | 5.57 | |
| | Rangia | NREP | 5.08 | 2.04 | 7.12 | |
| | | RLEGP | 2.60 | 0.50 | 3.10 | |
| | | **TOTAL** | 78.20 | 23.12 | 101.32 | |

## ANNEXURE-I

### STATEMENT SHOWING THE RELEASED OF FUND TO DEVELOPMENT BLOCK

RS. IN LAKS

| YEAR | NAME OF BLOCK | PROGRAMME | FUND RELEASED BY CASH | BY MATERI AL | TOTAL FUND REALEASED |
|---|---|---|---|---|---|
| 1988-89 | Dimoria | NREP | 6.25 | 3.36 | 9.61 |
| | Rani | | 4.07 | 2.02 | 6.09 |
| | Rampur | | 7.28 | 3.40 | 10.68 |
| | Boko-Bongaon | | 4.98 | 3.28 | 8.26 |
| | Chaygaon | | 7.24 | 3.40 | 10.64 |
| | Chamaria | | 2.91 | 1.92 | 4.83 |
| | Rangia | | 6.16 | 4.00 | 10.15 |
| | Hajo | | 6.86 | 4.60 | 11.46 |
| | Karara | | 4.26 | 3.84 | 7.10 |
| | Kamalpur | | 4.13 | 2.72 | 6.85 |
| | | TOTAL | 54.14 | 31.54 | 85.68 |

## ANNEXURE-I

### STATEMENT SHOWING RELEASED OF FUND TO DEVELOPMENT UNDER D.R.D.A. KAMRUP

| YEAR | NAME OF BLOCK | PROGRAMME | ALLOCATION | Rs. in Laks FUND RELEASED BY CASH *BY MATERI AL | TOTAL | NO OF SCHEME COMPLETED |
|---|---|---|---|---|---|---|
| 1991-92 | 1. Dimoria | JRY | 13.70 | 7.78 | | |
| | 2. Chandrapur | | 4.92 | 4.31 | | |
| | 3. Rani | | 9.24 | 7.10 | | |
| | 4. Chayani-Borduar | | 25,41 | 13.02 | | |
| | 5. Chaygaon | | 21.30 | 16.37 | | |
| | 6. Boko-Bongaon | | 35.30 | 16.50 | | |
| | 7. Chamaria | | 16.76 | 12.68 | | |
| | 8. Hajo | | 24.03 | 20.16 | | |
| | 9. Kamalpur | | 11.30 | 7.03 | | |
| | 10. Karara | | 8.62 | 11.11 | | |
| | 11. Rangia | | 37.43 | 30.74 | | |
| | | **TOTAL** | 203.58 | 146.80 | | |

* Complete meterial have not yet been issud as the exwcution of works are delayed due to late approval of scheme by BLCC.

## ANNEXURE-I

### STATEMENT SHOWING THE FOUND RELEASED TO DEVELOPMENT BLOCK DURING 1990-91

Rs. in Laks

| YEAR | NAME OF BLOCK | PROGRAMME | ALLOCATION | FUND RELEASED BY CASH | FUND RELEASED BY MATERI AL | TOTAL REALEASED | NO OF SCHEME COMPLETED |
|---|---|---|---|---|---|---|---|
| 1990-91 | Dimoria | JRY | 21.43 | 16.29 | 8.60 | 24.89 | |
| | Rani | | 11.59 | 11.10 | 3.50 | 14.60 | |
| | Rampur(Chayani Borduar) | | 24.57 | 18.14 | 9.90 | 28.04 | |
| | Chaygaon | | 26.68 | 24.09 | 9.40 | 33.49 | |
| | Boko-Bongaon | | 35.27 | 22.41 | 12.40 | 34.81 | |
| | Chamaria | | 20.07 | 17.31 | 7.10 | 24.41 | |
| | Hajo | | 31.50 | 37.49 | 10.10 | 49.59 | |
| | Kamalpur | | 16.66 | 23.72 | 5.90 | 29.62 | |
| | Karara | | 12.69 | 11.62 | 5.00 | 16.62 | |
| | Rangia | | 45.18 | 32.88 | 15.90 | 48.78 | |
| | | TOTAL | 245.64 | 215.05 | 87.80 | 302.85 | |

* Excess Rs.57.21 Lakhs released from 20% D.R.D.A. share and interest accorrde.

## ANNEXURE-I

## STATEMENT SHOWING THE RELEASED OF FUND TO DEVELOPMENT BLOCK

RS. IN LAKS

| YEAR | NAME OF BLOCK | PROGRAMME | ALLOCATION | FUND RELEASED BY CASH | FUND RELEASED BY MATERI AL | TOTAL REALEASED | NO OF SCHEME COMPLETED |
|---|---|---|---|---|---|---|---|
| 1988-90 | Dimoria | JRY | 19.76 | 11.10 | 7.90 | 19.00 | |
| | Rani | | 9.88 | 7.34 | 3.95 | 11.29 | |
| | Rampur(Chayani Borduar) | | 24.70 | 17.93 | 9.88 | 27.81 | |
| | Chaygaon | | 24.70 | 14.96 | 9.88 | 24.84 | |
| | Boko-Bongaon | | 19.76 | 10.90 | 7.90 | 18.80 | |
| | Chamaria | | 19.76 | 15.61 | 7.90 | 23.51 | |
| | Hajo | | 34.58 | 16.80 | 13.83 | 30.63 | |
| | Kamalpur | | 19.76 | 17.28 | 7.90 | 25.18 | |
| | Karara | | 14.42 | 9.81 | 5.93 | 15.11 | |
| | Rangia | | 35.68 | 16.64 | 14.27 | 30.91 | |
| | | TOTAL | 223.39 | 137.74 | 89.34 | 227.08 | |

* Excess Rs.3.69 Lakhs released from 20% D.R.D.A. Share and interest accorrde.

| | | |
|---|---|---|
| 20. | Shri Arun Das.<br>Station Road, Karimganj. | D0 |
| 21. | Shri Monindra Malakar.<br>Kalairbend, Bodorpurghat. | D0 |
| 22. | Shri Kalipada Das.<br>Vill. Chandrapur, P.O. Rakeshngar. | D0 |
| 23. | Shri Shudanya Kr. Das.<br>Vill. & P.O. Shiberchak. | D0 |
| 24. | Shri Birendra Malakar.<br>Teghoria. | D0 |
| 25. | Shri Swapan Malakar.<br>Vill. Duhalia, P.O. P.S. Patharkandi, Karimganj. | D0 |
| 26. | Shri Dinesh Das.<br>Vill. Chilidhi, P.O. latu Bazar, Karimganj. | D0 |

## ANNEXURE-II

# LIST OF MEMBERS FOR SUB-DIVISIONAL OBC WELFARE BOARD, KARIMGANJ SUB-DIVISION.

| | | |
|---|---|---|
| 1. | Md. Abdul Razzak, Vill & P.O. Sribarchak | Chairman. |
| 2. | Shri Kashi Prashad Yadav.<br>Vill.-Champabari T.E. P.O.- Pathni | Member |
| 3. | Md. Khalil Uddin, Vill.-kalacherra<br>P.O.- Bazaricherra. | Do. |
| 4. | Md. After Ali, Vill. & P.O.- Katamoni | Do. |
| 5. | Shri Janmajoy Akura,<br>Vill.- Hathikhira T.E. P.O.-Hathikhira | Do. |
| 6. | Shri Shyam Narayan Yadav.<br>Vill. & P.O.-Oliviacherra. | Do. |
| 7. | Shri Kamala Kanta Yadav.<br>Vill. & P.O.-Santila, P.O.- Dullavcherra. | Do. |
| 8. | Shri Sargid Koiri, Vill.-Dengarbond,<br>P.O.-Solgoi. | Do. |
| 9. | Md. Abdul Karim, Vill. & P.O.- Ranipur. | Do. |
| 10. | Shri Prafulla Ch. Nath, Vill.- Kalachup,<br>P.O.-Rumkrishnangar. | Do. |
| 11. | Shri Miss Ranju Devi, karimganj. | Do. |
| 12. | Shri Rajendra Singha, Vill.- Shibergosi,<br>P.O.-Bazaricherra. | Do. |

| | | |
|---|---|---|
| 13. | Shri Mahmud Ali, Vill.-Bairagichak, P.O.-Nilambazar. | Do. |
| 14. | Shri Nani Gopal (Nath) Bhowmik, Vill.- Duhalia IV. | Do. |
| 15. | Shri Swab Ali, Vill.-Panighat, | Do. |
| 16. | Safique Ahmed, Vill.-Akbarpur, P.O.-Manigang, Karimganj. | Do. |
| 17. | S.K. Kamal Uddin, Vill.-Bashail, P.O.-Marjatkandi. | Do. |
| 18. | Mrs. Taraleima Devi, Vill.-Rajargoan, P.O.-Patherkandi. | Do. |
| 19. | Shri Ranju Babu Singha, Patharkandi. | Do. |
| 20. | Shri Nikhil Dev, Settlement Road, Karimganj. | Do. |
| 21. | Md. Mastakin Ali, Vill.- Harikuri, P.O.- Rake... | Do. |
| 22. | Shri Sudhonya Rudrapaul(Abu), Vill.- Ghon... P.O.-Manjatkandi. | Do. |
| 23. | Shri Nalini Das, Vill.-Ghoramara, P.O.-Manjatkandi. | Do. |
| 24. | Shri Ajay Acharjee, Vill.- Gh..... | Do. |

## ANNEXURE-III

# BLOCK-WISE ALLOCATION OF FOUND UNDER J.R.Y. 1991-92.
## DISTRICT CASHAR, SILCHAR

| NAME OF BLOCK | NORMAL SHARE SC/ST | GENERAL | TOTAL | MILLION WELLS SCHEME S.T.W. | OTHERS | TOTAL | INDIRA AWAS YOJANA ALLOCATION | UNIT | MAINTAIN |
|---|---|---|---|---|---|---|---|---|---|
| Udharbond Dev. Block. | 598154/- | 640800/- | 12,38,954/- | 88,911/- | 115700/- | 2,04,611/- | 43,500/- | 8 | 3,00,000/- |
| Sonai Dev. Block. | 1766759/- | 1121400/- | 2890159/- | 2,61,234/- | 341847/- | 603081/- | 116,000/- | 8 | 3,67,000/- |
| Raja Bazar. Dev. Block. | 783395/- | 480600/- | 1263995/- | 1,15,700/- | 1,54,000/- | 2,67,303/- | 58,000/- | 4 | 3,000,000/- |
| Narsingpur Dev. Block. | 21,04528/- | 9,61,200/- | 30,65,728/- | 3,10,825/- | 406741/- | 717666/- | 1,44,000/- | 16 | 3,00,000/- |
| Katigorah Dev. Block. | 22,13,307/- | 1121400/- | 3334707/- | 326891/- | 427767/- | 7,54,568/- | 1,45,000/- | 10 | 4,10,000/- |
| Salchapra Dev. Block. | 13,63,554/- | 91,8891/- | 2282445/- | 2,00,787/- | 2,63,538/- | 4,64,320/- | 87,000/- | 6 | 3,00,000/- |
| Lakhipur Dev. Block. | 3,21,425/- | 9,61,200/- | 1,79,2625/- | 122,610/- | 1,60,493/- | 2,53,103/- | 58,000/- | 4 | 3,00,000/- |
| Grand Total | 96,63,122/- | 78,46,291/- | 1,58,68613/- | 142696/- | 1867681/- | 3,29,4642/- | 6,51,500/- | 50 | 22,77,000/- |

## ANNEXURE-IV

## BLOCK-WISE ALLOCATION OF FOUND UNDER J.R.Y. 1991-92.

| NAME OF BLOCK | NORMAL SHARE | | | MILLION WELLS SCHEME | | | INDIRA AWAS YOJANA | | MAINTAINANE |
|---|---|---|---|---|---|---|---|---|---|
| | SC/ST | GENERAL | TOTAL | S.T.W. | OTHERS | TOTAL | ALLOCATION | UNIT | |
| Hailakandi Block | 14.00902/- | 11,21,400/- | 25,22,302/- | 2,06,902/- | 2,70,751/- | 4,77,53/- | 87,600/- | 6 | 3,00,000.00/- |
| Lala Dev. Block . | 9,03,415/- | 8,01,000/- | 17,04,415/- | 1,33,401/- | 1,74,602/- | 3,00,003/- | 58,000/- | 4 | 3,00,000.00/- |
| Kattichherra Dev. Block. | 11,89,870/- | 6,40,800/- | 18,30,670/- | 1,75,736/- | 2,29,366/- | 4,05,762/- | 7,25,00/- | 5 | 2,55,000.00/- |
| Grand Total | 3,94,167/- | 25,63,200/- | 60,57,387/- | 5,16,039/- | 6,75,319/- | 11,91,358/- | 2,17,500/- | 15 | 8,55,000.00/- |

## ANNEXURE-V

ANEXURE ::"C"
J.R.Y.-1991-92

**ABSTRACT**

**D.R.D.A. CACHAR**

## BLOCK-WISE DISTRIBUTION

| | CACHAR DISTRICT | HAILAKANDI DISTRICT | TOTAL |
|---|---|---|---|
| Normal Share : | 1,58,68,613.00 | 60,57,387.00 | 2,19,26,000.00 |
| M.W.S. : | 32,94,642.00 | 11,91,358.00 | 44,86,000.00 |
| I.A.Y. : | 6,51,500.00 | 2,17,500.00 | 8,69,000.00 |
| Maintenance : | 22,77,000.00/- | 8,55,000.00 | 31,320,000.00 |
| **Grand Total** | **2,20,91,755.00** | **83,21,245.00** | **3,04,13,000.00** |